# নগাওঁ ছোৱালী মহাবিদ্যালয়

# আলোচনী



1985/86

সম্পাদনাত

মণিকুন্তলা ভট্টাচাৰ্য

নগাঁও

# ছোৱালী মহাবিদ্যালয় আলোচনী

॥ ৬ষ্ঠ প্ৰকাশ ঃ ৬ষ্ঠ সংখ্যা ॥

১৯৮৫—৮৬

তত্ত্বাৱধায়িকা :
অধ্যাপিকা প্ৰভা মেধি

সম্পাদিকা ঃ
মণিকুন্তলা ভট্টাচাৰ্য্য

NOWGONG
GIRLS'
COLLEGE
MAGAZINE

A collection of Essays, Poems & Short-stories:
Published by B.K. Borah, Principal, N.G.College.
Edited by Manikuntala Bhattacharyya.
Printed at SUCHANDA PRESS. Nagaon (Assam)

॥ সম্পাদনা সমিতি ॥

॥ অধ্যক্ষ শ্ৰীবিমলকুমাৰ বৰা
॥ উপাধ্যক্ষ শ্ৰীমতী তনু বৰুৱা ॥
॥ অধ্যাপক শ্ৰীইদ্ৰিছ আলি
॥ অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ॥
॥ অধ্যাপক শ্ৰীভূপেন তালুকদাৰ ॥
॥ অধ্যাপক শ্ৰীঅপূৰ্ব শৰ্মা ॥
॥ অধ্যাপক শ্ৰীগৌতম গোস্বামী ॥
॥ অধ্যাপক শ্ৰীপ্ৰভাত বৰা ॥
॥ অধ্যাপিকা শ্ৰীমতী স্বপ্না নেওগ ॥
॥ মণিকুন্তলা ভট্টাচাৰ্য্য (সম্পাদিকা) ॥

নগাঁও ছোৱালী মহাবিদ্যালয় আলোচনী

॥ ৬ষ্ঠ প্ৰকাশ : ৬ষ্ঠ সংখ্যা ॥
॥ প্ৰকাশক : শ্ৰীবিমল কুমাৰ বৰা, অধ্যক্ষ নগাঁও ছোৱালী মহাবিদ্যালয় ॥
॥ বেটুপাত : মালবিকা গোস্বামী ॥
॥ ছপা : সুছন্দা প্ৰেছ, আমোলাপট্টি ঃ নগাঁও ॥

## আশংসা

নগাঁও কন্যা মহাবিদ্যালয়ৰ ছোৱালীহঁতে প্ৰকাশ কৰা বছেৰেকীয়া আলোচনীৰ উদ্‌গতি কামনা কৰো। এই আলোচনীৰ সহায়ত তেওঁবিলাকৰ চিন্তা আৰু প্ৰকাশৰ শক্তি বৃদ্ধি হওক। সমাজলৈ আৰু পোহৰ আহক। মনবোৰ মুকলি আৰু উদাৰ হওঁক। জগতত কেউফালে চলি থকা অশান্তি আৰু যুদ্ধ-বিগ্ৰহৰ মাজতো আমি লোকসংগ্ৰহৰ আদৰ্শ লৈ আগবাঢ়ি যাওঁহক। অন্যায়ৰ ওচৰত আঁঠু নলওঁ। শুভ বুদ্ধি জাগ্ৰত হওক।

শ্ৰীমহেশ্বৰ শৰ্মা
৪।১০।৮৬

# ঃ সূচী ঃ

## অসমীয়া বিভাগ ঃ


সম্পাদকীয়

প্ৰবন্ধ :

| | | |
|---|---|---|
| নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত | ॥ শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী | ॥ ১ ॥ |
| অসম-কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীলৈ | ॥ অধ্যাপিকা হিমাদ্ৰি দেৱী | ॥ ৫ ॥ |
| পৃথিৱীৰ কথা | ॥ শ্ৰীভূপেন তালুকদাৰ | ॥ ৯ ॥ |
| শাস্ত্ৰীয় সঙ্গীত… … উত্তৰ ভাৰতীয় ৰাগসঙ্গীত | ॥ অদিতি ভূঞা | ॥ ১২ ॥ |
| কৃষ্ণকান্ত সন্দিকৈৰ… … জীৱনত এভুমুকি | ॥ শ্ৰীবৰ্ণা গোস্বামী | ॥ ১৬ ॥ |
| বনফুলৰ কবি… … আৰু তেওঁৰ কবিতা | ॥ শ্ৰীবীতা হাজৰিকা | ॥ ১৯ ॥ |
| মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট | ॥ কবিতাৰাণী দাস | ॥ ২৫ ॥ |
| অসমীয়া জাতিলৈ… … আগৰৱালাৰ অৱদান | ॥ ৰেখা বৰা | ॥ ৩১ ॥ |
| বিষ্ণুপ্ৰসাদ ৰাভা | ॥ বনজ্যোতি শইকীয়া | ॥ ৩৯ ॥ |
| সমাজ আৰু সংস্কৃতি | ॥ প্ৰণতি কাকতি | ॥ ৪৩ ॥ |

কবিতা :

| | | |
|---|---|---|
| দুটা স্বৰবৰ্ণৰ দাম | ॥ ইছিন্দ আলি | ॥ ৪৭ ॥ |
| বসন্তৰ প্ৰতিলিপি | ॥ মণিকুন্তলা ভট্টাচাৰ্য্য | ॥ ৪৮ ॥ |
| অতৃপ্ত আক্ৰোশ | ॥ শ্ৰীকল্পনা দেৱী | ॥ ৪৮ ॥ |
| এটি কবিতা | ॥ মোহনময়ী ভট্টাচাৰ্য্য | ॥ ৪৮ ॥ |
| বন্ধন | ॥ বিউটিমণি শইকীয়া | ॥ ৪৯ ॥ |
| কবিতা | ॥ অঞ্জলি বৰুৱা | ॥ ৪৯ ॥ |
| জোনাকৰ শিহৰণ | ॥ কবিতাৰাণী দাস | ॥ ৫০ ॥ |
| মোৰ পৃথিৱী আৰু মোৰ অনুভূতি | ॥ নীতা শৰ্মা | ॥ ৫১ ॥ |

সংগ্ৰাম ॥ অঞ্জনা গোস্বামী ॥ ৫১ ॥
আহ্বান ৰবৈদৈচিল্যাঁলৈ ॥ মালবিকা কলিতা ॥ ৫২ ॥

গল্প :

ব্যতিক্ৰম ॥ শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য্য ॥ ৫৩ ॥
প্ৰতীক্ষা ॥ মঞ্জুলা কটকী ॥ ৫৬ ॥
অপৰাজিতা ॥ জোনমণি বৰুৱা ॥ ৬১ ॥
পদক্ষেপ ॥ কবিতাৰাণী দাস ॥ ৬৬ ॥

মিনি গল্প :

ট্ৰেইনৰ লগৰীয়া ॥ অৱন্তী বৰা ॥ ৭০ ॥
সিহঁতবোৰো মানুহ ॥ প্ৰণীতি কাকতি ॥ ৭৫ ॥
ছাত্ৰী একতা সভাৰ ... প্ৰতিবেদনসমূহ

ENGLISH SECTION :

Languages ॥ Tankeswar Bora ॥ 1 ॥
Concept of the ...... in 'Candida' ॥ Dr. Riazuddin Ahmed ॥ 6 ॥
What the Student ... Do With It ॥ Sujata Roy ॥ 13 ॥

---

# অসমীয়া বিভাগ

# সম্পাদকীয়

**ছাত্ৰাৱস্থা**— যি অৱস্থাত আত্মপ্ৰকাশৰ বাবে মন উত্ৰাৱল হৈ পৰে। বাহ্য জগতৰ প্ৰেৰণাৰ তাড়ণাত সৃষ্টি হয় নতুন প্ৰতিভাৰ। সাহিত্যৰ গম্ভীৰ মূৰ্ত্তিৰে আজলি পাতি কোলাত তুলি লয় কোমল সাহিত্যক। আৰু এই কোমল ৰচনাৰাজি প্ৰকাশৰ স্থলী হ'ল শিক্ষানুষ্ঠানৰ মুখপত্ৰসমূহ। প্ৰথম, মিহি প্ৰকাশৰ স্থলী। সাহিত্যৰ কোলাৰ নতুন চঞ্চল ৰচনাৰাজি পোনাই শুদ্ধ পথেৰে আগুৱাই নিয়ে শিক্ষকসকলে। আজি ভাৰতৰ্ষৰ অন্যান্য ভাষাসমূহৰ তুলনাত অসমীয়া ভাষাৰ গাঢ়তা বাঢ়িলেও বিস্তাৰ কম। (নিজৰ) ভাষাৰ অৱস্থা টনকীয়াল হ'লেহে সমাজৰ পোখাও দৃঢ় হয়। সেয়ে আমাৰ সমাজখন সবল কৰি তুলিবলৈ হলে অসমীয়া ভাষা সাহিত্যৰ ওজন, বিস্তাৰ আৰু প্ৰভাৱ ক্ষমতা বঢ়াব লাগিব। আৰু ইয়াৰ ব্যৱস্থা ছাত্ৰাৱস্থাতেই নিহিত। ছাত্ৰৰ নিজা অধ্যাৱসায়, শিক্ষক আৰু অভিভাৱকৰ প্ৰেৰণাই সমাজ সাহিত্য আৰু জীৱনলৈ কঢ়িয়াই আনে সোণালী ৰ'দালি উপচি পৰা ভৱিষ্যত।

**স্ত্ৰী-শিক্ষা**— সমাজৰ গম্ভীৰ, উচ্চ পৰিচয়ৰ অন্যতম পোখা। আৰু মধ্য অসমৰ ভিতৰত নগাঁও ছোৱালী কলেজ খনেই একমাত্ৰ ছোৱালী কলেজ। ইয়াত শিক্ষালাভ কৰা, আলোচনী সম্পাদিকা হোৱা মোৰ শৈশৱৰ স্বপ্ন। আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে মই আলোচনী সম্পাদিকা হলো।

কাৰ্যভাৰ হাতত লৈয়ে মই প্ৰাচীৰ পত্ৰিকাখনৰ কামত হাত দিও। আৰু তাৰবাবে লিখনী বিচাৰি কেবাবাৰো জাননী দিবলগীয়া হৈছিল। কলেজখনত বহুতো প্ৰতিভা আছে; কিন্তু আগ্ৰহ নাই। কেৱল সংকোচ! সেয়ে পত্ৰিকাখনি মনোগ্ৰাহী হোৱাকৈ লিখনী পোৱা নাছিলো যদিও প্ৰকাশ কৰিছিলো। আৰু অধিক মনোগ্ৰাহী কৰিবৰ বাবে লিখনীসমূহৰ সৈতে সমতা ৰাখি তুলিকা বোলাই দিছিল বান্ধৱী স্মিতা আগৰৱালাই। তেওঁৰ ওচৰত মই কৃতজ্ঞ। তদুপৰি পত্ৰিকাখনিত "নেট"ৰ সলনি "গ্লাছ" লগোৱা হৈছিল আৰু অধ্যাপক শ্ৰীজ্যোতি চক্ৰৱৰ্ত্তী চাৰৰ উপদেশ অনুসৰি পত্ৰিকাখনিৰ নামটো নতুনকৈ কাঠতে লিখি অনা হৈছিল—"কণ্ঠত কণ্ঠ মিলাই"।

আলোচনীখনৰ বাবে লিখনী বিচাৰি কেইবাবাৰো জাননী সলাইছিলো তাৰিখ বৰ্দ্ধিত কৰি। যোৱা সংখ্যাটোৰ সম্পাদিকা অৰ্পণা দেৱীৰ সম্পাদনাত আলোচনীখন প্ৰকাশ নহ'ল আৰু এই অপ্ৰকাশিত ৰচনাৰাজি তেওঁ মোৰ হাতত অৰ্পণ কৰে; —এই সংখ্যাটিৰ সমৃদ্ধিৰ বাবে। তেওঁৰ ওচৰত মই কৃতজ্ঞ। যোৱা সংখ্যাটিৰ অপ্ৰকাশেৰে ছাত্ৰী বান্ধৱীসকলে ধাৰণা কৰি ল'লে যে আলোচনী কেতিয়াও প্ৰকাশ নহ'বই। কিন্তু আলোচনীখনৰ সমৃদ্ধি বঢ়াবলৈ তোমালোকৰ বৰঙণিয়েই বা কিমান? যি কেইগৰাকীমানে লিখনী দিছিল, তেওঁলোকৰো উপৰ্যুপৰি প্ৰশ্নত মোৰ শৈশৱৰ স্বপ্নটি থানবান হৈ যায় "আলোচনী এইবাৰ ওলাবনে?"

যি কেইগৰাকী ছাত্ৰী বান্ধৱীৰ লিখনী আলোচনীৰ বাবে নিৰ্বাচিত নহ'ল; তেওঁলোকলৈ মোৰ প্ৰেৰণা ভৰা অনুৰোধ যাতে তেওঁলোকে হতাশ হৈ কলম পেলাই নথয়। আলোচনীখন সকলো ছাত্ৰীৰ বাবে উন্মুক্ত হ'লেও নিম্নমান ৰচনাৰ বাবে উন্মুক্ত নহয়। উচ্চমান-বিশিষ্ট লিখনীৰ প্ৰকাশেহে আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

আলোচনীৰ বেটুপাত অৱশ্যে কেইবাটিও উঠিছিল। তাৰে ভিতৰত নিৰ্বাচিত বেটুপাত চিত্ৰশিল্পী **মালক্ৰিন্তা গোস্বামীৰ** ওচৰত মই কৃতজ্ঞ।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰী**যজ্ঞেশ্বৰ শৰ্মা** আৰু এই কলেজৰে প্ৰাক্তন অধ্যক্ষ শ্ৰী**মহেশ্চন্দ্ৰ দেৱগোস্বামী**দেৱৰ শুভাশীসে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। ইয়াৰ বাবে আমি ধন্য আৰু তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধা জনালো।

বিভিন্ন ধৰণৰ লিখনী, উপদেশ তথা সহযোগিতাৰ বাবে মই ছাৰ, বাইদেউ; আৰু মোৰ সতে সমভাৱ বহন কৰি কষ্ট কৰা আলোচনী তত্বাৱধায়িকা শ্ৰীযুতা **স্বপ্না নেওগ** বাইদেউৰ ওচৰত মই কৃতজ্ঞ হৈ ৰলো।

তদুপৰি ছাত্ৰী একতা সভাৰ সমূহ সদস্য আৰু মোৰ হাতে-পাতে ধৰি সহযোগিতা আগবঢ়োৱা বান্ধৱী বীতা, কবিতা, পদ্মা, বিভু, জীনা, প্ৰীতি, স্মিতা, অদিতি, শিখা, মল্লিকা আৰু মন্দিৰা-মঞ্জুলাৰ ওচৰতো মই কৃতজ্ঞ হৈ ৰ'লো।

বিভিন্ন জনৰ খলা-বমা আলোচনাত আলোচনীখন যে আসোঁৱাহমুক্ত নহ'ব, মই নিশ্চিত। তথাপিও মোৰ শৈশৱৰ স্বপ্ন, কষ্ট, মৌখিক বচন ব্যয় আৰু শ্ৰীস্বপ্না বাইদেউৰ সহযোগিতাত জন্ম লাভ কৰা আলোচনীখন স্মৰণীয় হৈ ৰওক, মোৰ বাবে আৰু আমাৰ বাবে। তাৰেই একান্ত কামনাৰে —

**মণিকুন্তলা ভট্টাচাৰ্য্য,**
**আলোচনী সম্পাদিকা।।**

# নগাঁও ছোৱালী কলেজৰ
# সংক্ষিপ্ত ইতিবৃত্ত

**শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী**
প্ৰাক্তন অধ্যক্ষ

নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলে তেওঁলোকৰ আলোচনীখনৰ কাৰণে মোৰ এটা শুভেচ্ছাবাণী বিচাৰিছে। কিনো দিম মই? প্ৰতিজনী ছোৱালীয়েই মোৰ বাণী। তেওঁলোকে যদি প্ৰতি বছৰে মই নৱাগতালৈ দিয়া বাণী পঢ়ে আৰু পঢ়িছে, তেনেহলে মোৰ বাণী সেয়েই— তাত মোৰ সম্পূৰ্ণ সত্বা, মোৰ দেহপ্ৰাণ সকলো সোমাই থোৱা আছে। তেওঁলোকে তাকে পঢ়ি উপলব্ধি কৰিলেই হ'ল। তেওঁলোকলৈ মোৰ অন্তৰৰ শুভেচ্ছা থাকিল। তেওঁলোক ভাল ছাত্ৰী হওক, সেয়ে মোৰ সন্তুষ্টি আৰু আন্তৰিক আশা।

বৰ্ত্তমান মই লিখা কাম কৰিব নোৱাৰো সেই বাবেই ১৯৭৯ চনতে দিয়া কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত এটি লিখি দিলো।

নগাঁৱত মহিলাসকলৰ কাৰণে এখন পৃথক কলেজৰ প্ৰয়োজনটো যোৱা ১৯৫৯ চনৰ এপ্ৰিল মাহতেই অনুভৱ কৰা হৈছিল আৰু সেই মৰ্মে Nowgong women's college নামাকৰণেৰে নগাঁও ছোৱালী স্কুল প্ৰাঙ্গণত দৰাচলতে ১৯৬৯ চনতে এই অনুষ্ঠানৰ পত্তন দিয়া হৈছিল। ১৯60 চনৰ জুন মাহত অনুষ্ঠানটোৰ প্ৰতিষ্ঠাতা-সম্পাদক ডাঃ ললিত কুমাৰ বৰুৱাৰ পৰলোক ঘটাত অনুষ্ঠানটোৰ প্ৰভূত ক্ষতি হয়, আৰু তাৰ পৰৱৰ্তী বছৰতে অনুষ্ঠানটো বিলুপ্ত হয়।

১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনৰ পাছত নগাঁৱত ছোৱালী কলেজ এখনৰ কথাটোৱে পুনৰ ভুমুকি মাৰিলে আৰু জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত সেই বছৰৰে জুন মাহত অনানুষ্ঠানিক আলোচনা এটাৰ মাজেদি এখন কৰ্ণধাৰ সমিতি গঠিত হয়। সমিতিৰ হৈ এটি সংজাতি দলে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাক সাক্ষাৎ কৰাত মন্ত্ৰী গৰাকীয়ে সকলো প্ৰকাৰে উৎসাহ-উদ্দীপনা আৰু সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। কৰ্ণধাৰ সমিতিয়ে অনতিপলমে প্ৰাক্‌বিশ্ববিদ্যালয় আৰু ১ম বাৰ্ষিক স্নাতক শ্ৰেণী আৰম্ভৰ সিদ্ধান্ত গ্ৰহণ কৰে।

যথেষ্ট উৎসাহ-উদ্দীপনাৰ মাজেদি শিক্ষক নিয়োগ কৰা হল আৰু নগাঁও কলেজৰ কেইবাজনো অধ্যাপকে স্বেচ্ছাই অবৈতনিক ভাৱে তেখেতসকলৰ সেৱা এই অনুষ্ঠানলৈ আগবঢ়ায়। ৫।৯।৬২ তাৰিখে ছাত্ৰীৰ নাম ভৰ্ত্তি আৰম্ভ কৰা হৈছিল আৰু প্ৰাক্‌বিশ্ববিদ্যালয়ত ৪২ গৰাকী আৰু ১ম বাৰ্ষিক বি,এ, শ্ৰেণীত ২২ গৰাকী ছাত্ৰীক ১২।৯।৬২ তাৰিখৰ পৰা শিক্ষা-

দান কাৰ্য্য আৰম্ভ কৰা হৈছিল। ২০।৯।৬২ তাৰিখে নগাঁও কলেজ প্ৰাঙ্গণৰ ডাক বঙলাত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী ৺বিমলা প্ৰসাদ চলিহা ডাঙৰীয়াই অনানুষ্ঠানিক ভাৱে কলেজখন উদ্বোধন কৰে। কলেজৰ বৰ্ত্তমান ঠাইডোখৰ পৰিদৰ্শন কৰি তেখেতে সাম্ভাব্য স্থানৰ পৰা ঠাইডোখৰ ৰক্ষা কৰিবৰ কাৰণে মথাউৰি আৰু খাল বিভাগক বৰ্ত্তমানৰ মথাউৰিটো বান্ধিবলৈ উপদেশ দিয়ে।

নগাঁও চহৰৰ বিশিষ্ট ব্যৱসায়ী লালচান্দ টোডিয়ে ৪ লাখ টকীয়া কলেজ-ভৱন নিৰ্মাণৰ চুক্তি এখন পঞ্জীবদ্ধ কৰাৰ উপৰিও ৺ টোডিয়ে ছাত্ৰী-নিবাসৰ বাবে ৫০,০০০'০০ আৰু গ্ৰন্থাগাৰৰ বাবে ২৫,০০০'০০ টকা দান দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। আশা আৰু প্ৰতিশ্ৰুতি দিয়াৰ ৪বছৰৰ পাছত ৺ লালচান্দ টোডিয়ে কলেজ-ভৱন নিৰ্মাণত তেখেতৰ অক্ষমতা প্ৰকাশ কৰাত কলেজ সমিতি সঙ্কটাপন্ন হ'ল।

° টোডি নিজৰ প্ৰতিশ্ৰুতিৰ পৰা হঠাৎ আঁতৰি যোৱাৰ বাবে কলেজ সমিতিয়ে ২৩।১২।৬৬ তাৰিখে বৰ্ত্তমানৰ ঠাইত 'নগাঁও গাৰ্লচ কলেজ' নামেৰে অনুষ্ঠানৰ নতুন নামকৰণ কৰে। তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাই কলেজ-ভৱনৰ বাবে ৫০,০০০'০০ আৰু গ্ৰন্থাগৰৰ বাবে ১০,০০০'০০ টকাৰ এটি মঞ্জুৰি আগবঢ়ায়।

ইতিমধ্যে কলেজ-কৰ্ত্তৃপক্ষই আমোলাপট্টিত অৱস্থিত ৰেডক্ৰছ ভৱন ভাড়াত লোৱাত শ্ৰেণীসমূহ তালৈ স্থানান্তৰিত হয়। ছাত্ৰীৰ প্ৰথম দলটো ১৯৬৫ চনত স্নাতক হয়। ২৭গৰাকী ছাত্ৰীৰ ভিতৰত ১৫ গৰাকী উত্তীৰ্ণ হোৱাত উত্তীৰ্ণৰ হাৰ বিশ্ববিদ্যালয় আৰু স্থানীয় কলেজ কেইখনৰ হাৰতকৈ উচ্চ আছিল। এই কথাই শিক্ষকসকল তথা ৰাইজক অনুপ্ৰেৰণা যোগাইছিল।

কেইগৰাকীমান ছাত্ৰীয়ে তেতিয়ালৈকে স্থানীয় ছোৱালী স্কুলৰ ছাত্ৰী নিবাসত আছিল। কিন্তু ছাত্ৰী নিবাসৰ আসনৰ চাহিদা ইমানেই বৃদ্ধি পাইছিল যে ৬০গৰাকী ছাত্ৰীক ৰাখিবৰ বাবে দুটা ঘৰ ভাড়াত লব লগীয়া হৈছিল।

কলেজ সমিতিয়ে বৰ্ত্তমান ঠাইত নিজা ভৱন নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰাত এই ভৱনৰ সৃষ্টি হ'ল আৰু ১।৬।৬৮ তাৰিখে শ্ৰেণীসমূহ ইয়ালৈ স্থানান্তৰ কৰি ৰেডক্ৰছ ভৱনটো ছাত্ৰী নিবাসলৈ ৰূপান্তৰ কৰা হৈছিল।

১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহৰ এটা পৰেকত কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে এটকীয়া দানকে ধৰি চলোৱা অৰ্থ সংগ্ৰহ অভিযানত বাৰ হেজাৰ টকা সংগৃহীত হৈছিল। কৃষ্ণা টকীজ প্ৰতিষ্ঠানৰ যোগেদি বাৰ হেজাৰ টকা সংগৃহীত হৈছিল আৰু এই অৰ্থেৰেই ১।৭।৬৮ তাৰিখৰ পৰা শ্ৰেণীসমূহ বহুৱাবৰ বাবে বৰ্ত্তমান অৱস্থিত অস্থায়ী চালিঘৰ নিৰ্মাণ কৰা হৈছিল।

কলেজখন ঘাটি মঞ্জুৰি অৱস্থাৰ অধীনলৈ আনিবৰ বাবে বহুবাৰ সজাতি দল গৈ ব্যৰ্থ হোৱাৰ পাছত কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে তেতিয়াৰ মাননীয় অসমৰ মুখ্যমন্ত্ৰী ৺ চলিহা ডাঙৰীয়াক ৩১।১।৬৭ তাৰিখে নগাঁও চাৰ্কিট হাউচত সাক্ষাত কৰে আৰু শিক্ষাধিকাৰক কৈ তেখেতে অৱশেষত কলেজখনক ১।৭।৬৬ তাৰিখৰ পৰা ঘাটি-মঞ্জুৰি দান কৰে। চলিহা-ডাঙৰীয়াৰ ওচৰত আমি অশেষ কৃতজ্ঞ।

গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬৬ চনলৈকে কলেজখনক কেৱল বাৰ্ষিক সম্বন্ধীকৰণহে (affiliation) দি আছিল আৰু ১৯৬৬ চনত ত্ৰৈবাৰ্ষিক সম্বন্ধীকৰণ মঞ্জুৰ কৰাত কলেজখন বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ ২(চ) ধাৰাৰ অধীনলৈ আহে আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অনুদান বিচৰাৰ যোগ্যতা লাভ কৰে।

পূৰ্ণাঙ্গ ছাত্ৰীনিবাস এটাৰ অভাৱ আৰম্ভণিৰ পৰা অনুভৱ কৰি অহা হৈছিল। বহুতো অভাৱ আৰু অসুবিধাৰ মাজত ৬০ গৰাকী ছাত্ৰীক ভাড়া-ঘৰত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্য চৰকাৰক ছাত্ৰীনিবাস নিৰ্মাণৰ খৰচৰ বাবে আবেদন জনোৱা হৈছিল, আঁচনিও দাখিল কৰা হৈছিল। মঞ্জুৰী আয়োগৰ সভাপতি ডঃ ডি, এচ, কোঠাৰীক ১৯৬৭ চনৰ অক্টোবৰত ছাত্ৰীসকলৰ দল এটাৰে সৈতে দিল্লীত সাক্ষাৎ কৰোঁ। আৰু তেখেতে মঞ্জুৰী দিয়াৰ আশ্বাস দিয়ে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ ওচৰত আঁচনি দাখিল কৰাত ১৯৬৯ চনৰ অক্টোবৰত ১,৫০,০০০'০০ টকাৰ মঞ্জুৰী ছাত্ৰীনিবাস নিৰ্মাণৰ বাবে পোৱা হৈছিল। ৰাজ্যিক চৰকাৰকো বাৰে বাৰে অনুৰোধ জনোৱাৰ বহু বছৰৰ মূৰত অলপ অলপকৈ সেই মঞ্জুৰী দিয়েগৈ।

এই কলেজত ভৰ্ত্তি হোৱা সেই সময়তে ৯৮% ভাগ ছাত্ৰীয়ে মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৩য় বিভাগত উত্তীৰ্ণ হোৱা, অথচ শিক্ষাৰ ক্ষেত্ৰত কলেজখনে সংশ্লিষ্ট সকলোকে আৰম্ভণিৰে পৰা সন্তোষ দি আহিছে। তাৰ বাবে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ধন্যবাদাৰ্হ। অনাৰ্চ বিষয়তো এই কলেজৰ ছাত্ৰীয়ে ১৯৬৯, ১৯৭৩ আৰু ১৯৭৪ চনত ৰাজনীতি বিজ্ঞানত আৰু ১৯৭০ আৰু ১৯৭২ চনত অসমীয়াত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্ব্বোচ্চ স্থান লাভ কৰিছে।

এই ছোৱালী-কলেজত "গৃহবিজ্ঞান" বিভাগ খুলিবৰ কাৰণে যত্ন কৰা হৈছিল। শিক্ষামন্ত্ৰীৰ ওচৰত এই বিষয়ে কলেজ কৰ্ত্তৃপক্ষৰ পৰা এটা সজাতি দলে ৬।৭।৭০ তাৰিখে লগ ধৰাৰ পিচ বছৰত খুলিবৰ কাৰণে আশ্বাস দিছিল। বহু যত্নৰ পিছত চিলাই কল, গৰম কাপোৰ বোৱাৰ যন্ত্ৰ কেইটামানো কিনা হৈছিল। দুখৰ বিষয় মহিলা বৰ্ষ আৰু আন্তৰ্জাতিক মহিলা বৰ্ষ পাৰ হোৱা স্বত্বেও আমি গাৰ্লচ কলেজে একো নাপালো। উপযুক্ত আৰ্থিক সাহায্য নোপোৱাৰ কাৰণেই তেতিয়ালৈকে গৃহ-বিজ্ঞান খুলিবৰ পৰা নাছিলোঁ। আৰু পাচত ধাৰ মাৰিবৰ বাবে যন্ত্ৰ-পাতিখিনিও বিক্ৰীহে কৰা হ'ল।

আপোনাসকলে সুখী হব যে তেতিয়াৰ কংগ্ৰেছ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাৰ উদ্যোগত আমাৰ কলেজলৈ বোম্বাই স্বাধীনতা দিবস ৰূপালী জয়ন্তী কমিটিৰ তৰফৰ পৰা এক লাখ টকা শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাসৰ নামত এটি ছাত্ৰীবাস নিৰ্মাণৰ কাৰণে আৰ্থিক সাহায্যৰ ফলশ্ৰুতি স্বৰূপে এই ছাত্ৰী-নিবাস। সি এতিয়াও অসম্পূৰ্ণ অৱস্থাত ৰৈ আছে।

সম্প্ৰতি এই কলেজৰ অভাৱ-অভিযোগ অলেখ। ছাত্ৰীসকলে ১৯৬৮ চনতেই তৈয়াৰী চালি ঘৰতেই পঢ়া-শুনা কৰি আছে। পুথিভঁৰালৰ ঘৰৰ অসুবিধাৰ কাৰণে ছাত্ৰীসকলে পঢ়াৰ সুবিধাৰ পোৱা নাই। ইয়াৰ বাহিৰেও ছাত্ৰীসকলৰ জিৰণি-কোঠা, ছাত্ৰী একতা সভাৰ কোঠা আদি বহুতো অসুবিধাৰ সন্মুখীন হৈ আছে। ......

মই আশা কৰোঁ বিশ্ববিদ্যালয়ে মাচুলখিনি লোৱাতে ক্ষান্ত নাথাকি কলেজখন কেনেকৈ সৰ্বাঙ্গ সুন্দৰ হব পাৰে, আৰ্থিক অনুদান পাব পাৰে, অধ্যাপক-অধ্যাপিকাৰ অভাৱ কেনেকৈ পূৰণ হ'ব পাৰে তালৈকেও চাব। নহলে প্ৰতি বছৰে "আমুকটো নাই, গতিকে তোমালোকৰ এফিলিয়েচন নহ'ল" এনে কৰি থাকিলেই নহব ?

সদৌ শেষত মই আশা বান্ধিছো এই কলেজৰ বৰ্ত্তমান অধ্যক্ষ শ্ৰীযুত বৰাই শিক্ষাৰ পবিত্ৰতা ৰক্ষা কৰি ছাত্ৰীসকলে যাতে একোগৰাকী পবিত্ৰ আৰু পূৰ্ণাঙ্গ মানুহ হব পাৰে তাৰ বাবে যত্নপৰ হব।

"পূৰ্ণাঙ্গ মানুহ" আৰু "মানুহ" ইয়াৰ পাৰ্থক্য আছে।

"সৰ্বেহত্ৰ সুখিনঃ সন্তু, সৰ্বে সন্তু নিৰাময়াঃ।
সৰ্বে ভদ্ৰাণি পশ্যন্তু, মা কশ্চিদ্ দুখভাগ্ ভবেৎ॥
ওঁ শান্তিঃ। শান্তিঃ!! শান্তিঃ!!!

—×—

যেতিয়া তুমি পৃথিবীলৈ আহিছিলা তুমি কান্দি কান্দি আহিছিলা আৰু ওচৰচুবুৰীয়া সকলে হাঁহিছিল, কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিবী এৰি যোৱা তেতিয়া যেন তুমি হাঁহি হাঁহি যোৱা আৰু আনে তোমাৰ নিমিত্তে যেন হিয়া ভুকুৱাই কান্দে।

—হেমচন্দ্ৰ গোস্বামী।



# শত-বাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি ঃ
# অসম-কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰীলৈ-

অধ্যাপিকা হিমাদ্ৰি দেৱী

যিজন বহুমুখী প্ৰতিভাসম্পন্ন ক্ষণজন্মা পুৰুষৰ কথা সুৰ-শিল্পী গীতিকাৰ ভূপেন হাজৰিকাই তেখেতৰ গীতত আক্ষেপ কৰি লিখিছে- 'আজি অম্বিকাগিৰি নাই দেশ গ'ল—গল বুলি দিনে নিশাই সোঁৱৰাব' আজি দেশৰ এই সংকটপূৰ্ণ মুহূৰ্ত্তত সেইজন ব্যক্তিৰ জন্ম শত-বাৰ্ষিকী উপলক্ষে মই মোৰ অন্তৰৰ শ্ৰদ্ধা নিবেদন কৰিলো। দেশ যেতিয়া দাসত্বৰ শিকলিৰে শৃঙ্খলিত হৈ আছিল, অসমত যেতিয়া বঙালী ভাষা-সংস্কৃতিৰ প্ৰচলনে অসমীয়া ভাষা-সংস্কৃতিৰ অস্তিত্ব নাইকিয়া কৰিব খুজিছিল, সেই সংকটপূৰ্ণ মুহূৰ্ত্তত দেশৰ স্বাধীনতাৰ বাবে ডেকা শক্তি জগাই তুলিবলৈ এইজন অসম কেশৰী অম্বিকাগিৰিয়ে একেধাৰে গীত, কবিতা, নাটক, বিবিধ প্ৰবন্ধ লিখি গৈছিল।

একেধাৰে কবি, নাট্যকাৰ, গায়ক, অভিনেতা, প্ৰেমিক, বিপ্লৱী, অম্বিকাগিৰিয়ে ১৮৮৫ চনৰ ডিচেম্বৰ মাহত বৰপেটাৰ কৃষ্ণৰাম চৌধুৰীৰ পত্নী দেৱকী দেৱীৰ গৰ্ভত জন্ম গ্ৰহণ কৰিছিল। সৰুতেই পিতৃ বিয়োগ ঘটাত অম্বিকাগিৰিয়ে এটা প্ৰতিকূল পৰিস্থিতিত ডাঙৰ-দীঘল হব লগা হৈছিল। স্কুলীয়া জীৱনতে ৰায়চৌধুৰীয়ে স্বাধীনতা আন্দোলনত জাপিয়াই পৰিছিল। একে বাছিয়ে "বন্দিনী ভাৰতমাতা" নামৰ নাটক লিখি সৰস্বতী পূজা উপলক্ষে মঞ্চস্থ কৰি দৰ্শকৰ মাজত উত্তেজনাৰ সৃষ্টি কৰিব পাৰিছিল। পিছত সেই নাটকৰ পাণ্ডুলিপি পুলিচে বাজেয়াপ্ত কৰিছিল। কেৱল দেশ যে বন্দিনী, সেয়ে নহয়, অসমীয়া সংস্কৃতিও মৃত প্ৰায়। অসমৰ মঞ্চত বঙালী যাত্ৰা-গানৰ পৰিবৰ্ত্তে অসমীয়া নাটকৰ অভিনয় কৰিবৰ বাবেই "জয়দ্ৰথ বধ" নাটক ৰচনা কৰি ৰায়চৌধুৰীয়ে নিজ পৰিচালনাত বৰপেটাত মঞ্চত মঞ্চস্থ কৰিছিল।

অসম সাহিত্য সভাৰ জন্ম লগ্নৰে পৰা ৰায়চৌধুৰী ইয়াৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছিল। তেখেত "আসাম বান্ধৱ" কাকতৰ সহকাৰী সম্পাদক আছিল। ১৯১৮ চনত গুৱাহাটীত অৰুণা প্ৰেছ স্থাপন কৰি 'চেতনা' নামৰ এখন মাহেকীয়া কাকত সম্পাদনা কৰিবলৈ লয়। এই কাকতৰ মাধ্যমেৰে তেখেতে অসমীয়া জনসাধাৰণৰ জাতীয় চেতনা জগাই তুলিবলৈ যত্ন কৰিছিল। অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ অপৰাধত তেখেতে কাৰাবৰণ কৰিব লগীয়া হৈছিল। জেলত থকা কালতে অৰুণা প্ৰেছ

আৰু চেতনা কাৰ্যালয় অগ্নিত ভস্মীভূত হয়।

১৯২৬ চনত বহা পাণ্ডু কংগ্ৰেছৰ বাবে তেখেতে "আজি বন্দো কি ছন্দেৰে" গীতটি লিখি উলিয়াইছিল, যি গীতে শ্ৰোতাৰ অন্তৰত আলোড়ণৰ সৃষ্টি কৰিব পাৰিছিল। ১৯৩৬ চনৰ পৰা মৃত্যুৰ সময়লৈকে তেখেতে 'ডেকা অসম' নামৰ এখন পত্ৰিকাৰ সম্পাদনা কৰিছিল। তেখেতৰ গোটেই জীৱনতে অসমীয়াত্বৰ প্ৰভাৱ ইমান বেচি যে ডেকা কালত তেখেতে "কামৰূপ মায়াবিনী কেমিকেল ৱৰ্কচ" নাম দি এটি প্ৰতিষ্ঠান খুলি 'জয়মতী স্নো', 'চেনেহী চিয়াহী' 'মায়াবিনী তেল'প্ৰভৃতি কৰিছিল। আনকি অসমীয়া চাৰ্কাচ পাৰ্টী এটা খোলাবো পৰিকল্পনা হাতত লৈছিল।

১৯৪৪ খৃঃত শিৱসাগৰত অনুষ্ঠিত সাহিত্য সভাৰ সঙ্গীত সন্মিলনৰ সভাপতিত্ব কৰিছিল অম্বিকাগিৰি ৰায়চৌধুৰীয়ে। ১৯৫০ চনত মাৰ্ঘেৰিটাত বহা সাহিত্য সভাৰ একবিংশতম অধিবেশনত সভাপতিৰ আসন শুৱনি কৰিছিল অম্বিকাগিৰি ৰায়চৌধুৰীয়ে। অসমৰ ৰাজ্যিক ভাষা অসমীয়া হব লাগে বুলি এই সভাতেই দাবী তুলি প্ৰস্তাৱ কৰা হয়। ১৯৬৭ চনৰ ২ জানুৱাৰী তাৰিখে এই জনা সিংহপুৰুষৰ গুৱাহাটীত মৃত্যু হয়।

সমস্যা জৰ্জৰিত অসমৰ বাবে অম্বিকাগিৰি আছিল এজন আদৰ্শনীয় ব্যক্তি। তেখেতে ৰচনা কৰা গীত, কবিতা, প্ৰবন্ধ সকলোতে দেশ-প্ৰেমৰ উত্তাল-তৰঙ্গ ছন্দময় হৈ উঠিছে—

"যাৰ হৃদয়ত দেশ সেৱনত
আত্মাহুতিৰ অনল শিখা নাই,
তাৰ জীৱনত নাই অৱাৰত
প্ৰয়োজনৰ উচচ দাবী ভাই।
মাতৃভূমিৰ বুকু ফালি—
শক্তি ধাৰাৰ অমৃত সুধা পি
মাতৃ সেৱাত প্ৰাণ নিদিলে—
জীৱন ধৰাৰ সকামটো হ'ল কি ?

এই কবিতা ফাঁকি পঢ়িলেই ইংৰাজ কবি Sir Walter Scot ৰ Breaths There The Man Soul So Dead নামৰ কবিতাটিলৈ মনত পৰে, যি কবিতাৰ বিষয়-বস্তু হ'ল জন্মভূমিক যি ভাল পাব নাজানে তেওঁৰ দুবাৰ মৃত্যু হয়; এবাৰ দৈহিক আৰু আনবাৰ মানুহৰ গৌৰৱৰ্ণৰ পৰা মচখাই যোৱা মৃত্যু। সমাজৰ দুষ্কৃতি নাশ কৰিবৰ বাবে প্ৰথমতে আত্ম-শুদ্ধিৰ প্ৰয়োজন, সেই কথা কবিয়ে নিৰ্ভীক ভাবে কবিতাৰ যোগেদি প্ৰচাৰ কৰি থৈ গৈছে—

"আনক ধোৱাৰ আগতে ভাই নিজে নিকা হ'
নিজৰ হিয়া মনৰ মলি ধুই পখালি ল' "
আকো— 'যা ভস্ম হৈ মোৰ
ভীৰুতা নীচতা ক্লীবত্ব জড়তা
পদমৰ্য্যদা ক্ষমতা থকত উন্মত্ত হোৱা
অন্ধতা" —

তেখেতৰ কবিতাসমূহত সঙ্গীতময়তাৰ ধ্বনি অনুৰণন হোৱা দেখিবলৈ পোৱা যায়। হয়তো নিজে এজন সুদক্ষ সঙ্গীতজ্ঞ হোৱা বাবে এইটো সম্ভৱপৰ হৈছে—

'জাগ ডেকা তেজ জাগ আজি জাগ
আগ্নেয়গিৰি উজাৰি জাগ
এলাহৰ গাঠি ভাঙি গুড়ি কৰি
কৰ্মধাৰাৰে ধৰণী ঢাক।'

'মই বিপ্লৱী, মই তাণ্ডৱী ' কবিতাটি পঢ়িলে কবিক বঙ্গৰ বিদ্ৰোহী কবি নজৰুল যেন লাগে।



ৰায়চৌধুৰীৰ এই চিৰ বিদ্ৰোহী মনটোৰ তলত যে এটি অতনু কোমল মন আছিল সুগায়ক বীৰেন্দ্ৰ নাথ দত্তই গোৱা—

'কিয় শূণ্য হব নো জীৱন
তুমি পূণ্য তুলিকা বুলাই বুলাই
কবি দিছা দেখো পূৰণ।

এই কলিটি মনত পৰিলেই সেই কথা মনত পৰি যায়। ৰায়চৌধুৰী কেৱল বিপ্লৱৰে কবি নহয়, তেখেত প্ৰেমৰো কবি। ডেকা কালৰ উদভ্ৰান্ত প্ৰেম ভগৱৎ প্ৰেমলৈ উৰ্দ্ধমুখী হোৱাৰ ফলশ্ৰুতিয়েই তেখেতৰ 'তুমি' কাব্য। কিন্তু দেশ আৰু সমাজৰ সমস্যাৰ বাবে তেখেত ভগৱৎ প্ৰেমতো উদ্বাউল হৈ থকা নাই। তেখেতে 'অনুভূতি' কাব্য গ্ৰন্থৰ পাতনিত নিজেই স্বীকাৰ কৰিছে ঃ 'মোৰ গোটেই জীৱনত কাব্যিক ছন্দৰ নিৰৱছিন্ন ঢাল ৰক্ষা পৰা নাই। কোনো মুহূৰ্ত্তত কাব্যিক ছান্দিক ঢাল এটা ঠন ধৰি উঠিবলৈকে কাও বাও কৰি কিছুদূৰ আগ বাঢ়িলেও দেশৰ বাঞ্ছিত অবাঞ্ছিত নানান পৰিস্থিতিয়ে তাক আগ ভেটি ধৰি হয় কেকোৰা কৰি থয়, নাইবা আনফালে ঢাল খুৱাই লৈ গৈ, তাত অ-কাব্যিক অ-ছান্দিক হিল্লোল তোলে। মোৰ গোটেই জীৱনত এই দৰে কাব্যিক অ-কাব্যিক, ছন্দ-অছন্দৰ উঠা-নমাৰ তাল-ফাল ইতিবৃত্ত ঘটি আহিছে।"

ৰায়চৌধুৰী ডাঙৰীয়াই জেল জীৱনত লিখা কিছু গীত ডঃ বাণীকান্ত কাকতি আৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই "Songs of the cell" নাম দি ইংৰাজীলৈ অনুবাদ কৰিছে— যিখন গ্ৰন্থই ভাৰতৰ বাৰিহতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেখেতৰ লিখনিসমূহ অধ্যয়ন কৰিলে পঢ়ুৱৈৰ মনত অসম অসমীয়া আৰু অম্বিকাগিৰি, এই তিনটা সৃতি



একাকাৰ হৈ পৰে। 'আহুতি', 'অনুভূতি', 'আজি বন্দো কি ছন্দেৰে', 'স্থাপন কৰ, স্থাপন কৰ', ডেকা ডেকেৰীৰ বেদ,' 'দেশেই ভগৱান' এই আটাই কেইখন গ্ৰন্থ তেখেতৰ দেশ-প্ৰেমৰ অমৰ নিদৰ্শন।

তেখেতৰ জীয়ৰী স্বনামধন্যা শুচিব্ৰতা ৰায়চৌধুৰীয়ে লিখা 'পিতাৰ কথা" নামৰ প্ৰবন্ধটি পঢ়িলে কবিগুৰু ৰবীন্দ্ৰ নাথৰ এই কবিতা ফাঁকি মোৰ মনলৈ আহে—

"জীৱন মন্থনে বিষ নিজে কৰি পান-
অমৃত যা উঠেছিল কবে গেছ দান।"

দৰিদ্ৰতাৰ দুখ-গ্লানি বুকু পাতি লৈ গোটেই জীৱন-ব্যাপি তেখেতে যি অমৰ সাহিত্য ৰচনা কৰি থৈ গ'ল তাৰ উত্তৰাধিকাৰী অসমীয়া ৰাইজ। সেই সম্পত্তিৰ প্ৰকৃত মূল্যায়ণ কৰি অসম আৰু অসমীয়া আগবাঢ়ি গলেই তেখেতৰ চিৰ-বিদ্ৰোহী আত্মাই শান্তি লাভ কৰিব।

মুঠতে অম্বিকাগিৰি ৰায়চৌধুৰী এই নামটি মনলৈ আহিলেই স্বদেশ-প্ৰেমৰ উগ্ৰ গোন্ধ এটা নাকত লাগেহি, যি গোন্ধত কোনো কৃত্ৰিম ৰসায়ন নাই। অসমৰ জাতীয় জীৱনৰ সাঁকিক্ষণত অসমৰ ডেকা-ডেকেৰী অম্বিকাগিৰিৰ স্বদেশ-প্ৰেমেৰে উদ্বুদ্ধ হওক— প্ৰত্যেক গৱাকীয়ে নিজ নিজ কৰ্মক্ষেত্ৰত আগবাঢ়োতে অম্বিকাগিৰিক মনত পেলাওক—

"তই ভাঙিব লাগিব শিল, তই সহিব লাগিব কিল
নোৱাৰো বুলিলে নহব যে ভাই, ঢিলতে পৰিব ঢিল।"

অম্বিকাগিৰি সাক্ষাৎ আগ্নেয়গিৰি— জাতীয় চেতনাৰ নিঝাৰণী ধাৰা। এই ধাৰাত অৱগাহন কৰি অসমৰ ডেকা শক্তি জাগি উঠক। সদৌ শেষত সুকবি ডঃ মহেন্দ্ৰ বৰাৰ 'অম্বিকাগিৰি ৰায়চৌধুৰী' নামৰ কবিতাটিৰ উদ্ধৃতি দি মোৰ শ্ৰদ্ধাঞ্জলি যাচিব

খুজিছো; যি কবিতাটি পঢ়িলে মনৰ দাপোণত
অম্বিকাগিৰিৰ ছবি মূৰ্ত্ত হৈ উঠে —
উত্তৰ খোঁজেনে এই মাত্ৰ পাৰ হ'ল কোন,
অনাম ধন্য অম্বিকাগিৰি
জাতিত্বৰ নাতি পোৱা নে নোপোৱা চিনি
অসমৰ হিটলাৰ এইজন।
যৌৱনৰ ভকত যাৰ নুফুলে পদুম কেৱল
চিটিকি পৰে দুই ফিৰিঙতি
° ° ° .

ইটাৰ দেৱালে যেৱা বন্দীশালাৰ পকী
মজিয়াত বহি ভাঙিছিলে শিল
হাতুৰীৰ সেই বজ্ৰ কোবত নামি আহিছিল
স্বদেশ প্ৰেমৰ তেজাল ছন্দ।
* * *
শুন অসমীয়া ভাবিব নোখোজা যদি
নাভাবিবি তই, যাবি গলে জহন্নাম
শিখা বিহীন ৰকেট তুমি, তুমিতো জানা
গড়ৰ দেশত সিংহৰ কি সকাম।
* * *

— — —

* সদৌ অসম লেখিকা সমাৰোহৰ হাটবৰত অনুষ্ঠিত ১০ম বাৰ্ষিক অধিৱেশনত আয়োজন কৰা অম্বিকাগিৰি ৰায়চৌধুৰীৰ শতবাৰ্ষিকী উদ্বোধনী ভাষণৰ অংশ বিশেষ।



# পৃথিৱীৰ কথা

শ্ৰীভূপেন তালুকদাৰ
অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ

পৃথিৱীৰ জন্মৰ বিষয়ে যেনেকৈ বহুতো বিজ্ঞানীয়ে নানা ৰকমৰ তত্ত্ব আৰু মতবাদ আগবঢ়াইছে, ঠিক তেনেকৈ পৃথিৱী জন্মৰ পিছত মহাদেশ (মহাদেশীয় ৰেণী) আৰু মহাসাগৰ (মহাসাগৰীয় দ্ৰোণী)ৰ উৎপত্তি আৰু বিতৰণ সম্বন্ধেও বহুতো তত্ত্ব আৰু মতবাদ আগবঢ়াইছে। কিছুমান বিজ্ঞানীৰ মতে পৃথিৱীৰ জন্মৰ লগে লগে, পৃথিৱীত মহাদেশ আৰু মহাসাগৰ সমূহত সৃষ্টি হৈছিল আৰু আন কিছুমান বিজ্ঞানীৰ মতে পৃথিৱীৰ প্ৰথমতে জন্ম হৈছিল আৰু তাৰ বহু হাজাৰ বছৰ পিছতহে পৃথিৱীৰ মহাদেশ আৰু মহাসাগৰৰ উৎপত্তি হৈছিল। কোনটো তত্ত্ব সত্য তাক বৰ্ত্তমান যুগৰ বিজ্ঞানীয়ে একমুখে কব পৰা নাই।

১৬২০ চনত ফ্ৰেন্সিছ বাকন, নামৰ এজন বিজ্ঞানীয়ে পোন প্ৰথমে মহাদেশীয় স্থল ভাগসমূহ যে স্থায়ী নহয় তাক তেওঁৰ গৱেষণা পত্ৰত প্ৰকাশ কৰিছিল। তেখেতৰ পিছত ভূতত্ব, পৌৰাণিক জলবায়ু বিজ্ঞান, ভূ-পদাৰ্থ বিজ্ঞান আৰু জীৱাশ্ম বিজ্ঞানৰ ওপৰত ভিত্তি কৰি ইয়াং (১৭৮০ চনত) আৰু ওৱেণ (১৮৫৭) ই বেটচ্টেইন (১৮৮০) এ ফিছাৰ [১৮৮২], ডি বি ৰাবিং [১৮৮৭] পিকাৰিং (১৯০৭], এফ বি টেইলৰ [১৯০৮] আৰু আলফ্ৰেড ৱেগেনাৰ [১৯২০] নামৰ বহুতো বিজ্ঞানীয়ে নানা তত্ত্ব আগবঢ়াইছে। এফ বি টেইলৰ আৰু আলফ্ৰেড ৱেগেনাৰৰ আগৰ বিজ্ঞানী কেইজনে মহাদেশ আৰু মহাসাগৰৰ উৎপত্তি আৰু বিতৰণ সম্বন্ধে নানা তত্ত্ব আগবঢ়ালেও, নিৰ্ভৰ ভাবে ব্যাখ্যা কৰিব পৰা নাছিল। এফ বি টেইলৰ আৰু আলফ্ৰেড ৱেগেনাৰে আগ বঢ়োৱা তত্ত্বহে বৰ্ত্তমানৰ বিজ্ঞানী-সকলে মানি লৈছে। ইয়াৰ ভিতৰত আলফ্ৰেড ৱেগেনাৰে আগবঢ়োৱা তত্ত্বটো বৰ্ত্তমান যুগত মুখ্য হৈ পৰিছে।

আলফ্ৰেড ৱেগেনাৰ জাৰ্মানীৰ গ্ৰেজ বিশ্ববিদ্যালয়ৰ বতৰ আৰু ভূ-পদাৰ্থ বিজ্ঞানৰ অধ্যাপক আছিল। তেওঁৰ বিখ্যাত 'মহাদেশীয় বিজ্ঞাপন তত্ত্ব" (Continental Drift) তেওঁৰ 'Die Entstehung der kontinents Und Ozeans' গ্ৰন্থত প্ৰকাশ কৰিছিল। এই গ্ৰন্থখন ১৯২৪ চনত ইংলণ্ডৰ জে জি এ স্কেল' নামৰ এজন বিজ্ঞানীয়ে ইংৰাজীলৈ অনুবাদ কৰে আৰু স্কেল' এ গ্ৰন্থখনক "The origin of continents and Oceans" বুলি নামকৰণ কৰে।

ৱেগেনাৰে আগবঢ়োৱা 'মহাদেশীয় বিস্থাপন তত্ত্বৰ মতে বৰ্তমানৰ মহাদেশসমূহ এসময়ত' পেংগিয়া ( Pangaea ) নামৰ এক বৃহৎ অখণ্ড স্থল ভাগৰ অংশ বিশেষ আছিল। পেংগিয়া শব্দটো গ্ৰিক শব্দৰ পৰা আহিছে আৰু ইয়াৰ অৰ্থ হ'ল 'সকলো দ্বীপ'। পেংগিয়াক পানথালাছা ( Panthalassa ) নামৰ এক বৃহৎ আৰু গভীৰ মহাসাগৰে চাৰিও পিনে আগুৰি আছিল। পানথালাছা মহাসাগৰেই আছিল সেই সময়ত এক মাত্ৰ মহাসাগৰ। বৰ্তমানৰ প্ৰশান্ত মহাসাগৰ পানথালাছা মহাসাগৰৰে এটা অংশ বুলি বহুতো বিজ্ঞানীয়ে অনুমান কৰে। ৱেগেনাৰৰ মতে পৃথিৱীৰ উপৰি ভাগৰ পৰা কেন্দ্ৰলৈকে তিনিটা প্ৰধান তৰপ বা স্তৰ আছে। সেই তৰপ সমূহ হ'ল ছিয়াল, ছিমা আৰু নিফ্। যিমানেই পৃথিৱীৰ অন্তভাগলৈ যোৱা যায়, সিমানেই বিভিন্ন তৰপবোৰ অধিকতৰ গধুৰ উপাদানেৰে গঠিত হয় আৰু ইয়াৰ ঘনত্ব বাঢ়ি যায়। পৃথিৱীৰ অন্তৰ্ভাগত অধিক উত্তাপ হোৱাৰ কাৰণে ছিমা আৰু নিফ্ স্তৰ জুলীয়া অৱস্থাত আৰু আনহাতে ছিয়াল স্তৰ কঠিন অৱস্থাত আছে। ছিয়াল স্তৰ মহাসাগৰৰ তলিত ১০ কিলোমিটাৰ আৰু মহাদেশীয় স্থলভাগ অঞ্চলত প্ৰায় ৫০ কিলোমিটাৰ ডাঠ বুলি অনুমান কৰা হৈছে। ছিয়াল স্তৰকে পৃথিৱীৰ ভূত্বক [ Crust ] বা অশ্ম মণ্ডল (Lithosphere ) বা পৃথিৱীৰ ছাল [ Skin of the earth ] বুলি কোৱা হয়। নিফ্ স্তৰক পৃথিৱীৰ গৰ্ভ [ Core ) বুলি কোৱা হয়। নিফ্ স্তৰৰ উপাদানসমূহৰ অৱস্থা সম্বন্ধে মতানৈক্য নোহোৱা নহয়। কিছুমান বিজ্ঞানীৰ মতে উপাদানসমূহ স্থিতিস্থাপক অৱস্থাত আছে আৰু আন কিছুমান বিজ্ঞানীয়ে নিফ্ স্তৰক দুভাগত ভাগ কৰিছে— বহিগৰ্ভ আৰু অন্তৰ্গৰ্ভ। এই শ্ৰেণীৰ বিজ্ঞানীয়ে বহিগৰ্ভৰ উপাদান সমূহ উত্তপ্ত জুলীয়া অৱস্থাত আৰু অন্তৰ্গৰ্ভৰ উপাদান সমূহ গোটা অৱস্থাত থকা বুলি কয়। যিয়ে নহওঁক ৱেগেনাৰৰ মতে ছিয়াল স্তৰ ছিমা স্তৰৰ ওপৰত ওপঙি আছে আৰু অনায়াসে জুলীয়া ছিমা স্তৰৰ ওপৰেদি গতি কৰিব পাৰে। [নাও বা ভুৰ পানীত ওপঙি থুৰি গতি কৰা নিচিনা ]

কাৰ্বোনিফেৰাচ ( Carboni ferous ) নামৰ এটা ভূ-তাত্বিক যুগত অৰ্থাৎ আজিৰ পৰা প্ৰায় ২০০ নিযুত বছৰৰ আগেয়ে পেংগিয়া দুটা ভাগত বিভক্ত হৈ পৰে। পেংগিয়া বিভক্ত হোৱাৰ ফলত পূবা-পশ্চিমাকৈ এটা দীঘল সাগৰৰ উৎপত্তি হয়। ই টেথিছ সাগৰ ( Tethys Sea ) নামে জনাজাত। টেথিছ সাগৰৰ উত্তৰত থকা প্ৰধান স্থলভাগ আঙ্গাৰা লেণ্ড (Angeraland) বা লৰেছিয়া ( Leauresia ) আৰু দক্ষিণত থকা প্ৰধান স্থলভাগ গণ্ডোৱানালেণ্ড ( Gondowana land) বুলি ৱেগেনাৰে নামকৰণ কৰিছিল। কাৰ্বোনিফেৰাচ যুগৰ শেষৰ কালে এই দুই প্ৰধান স্থলভাগ পুনৰ ডোখৰ ডোখৰ হৈ ভাগিবলৈ ধৰাত, ইয়াৰ গাঠনি দুৰ্বল হয়। সেয়েহে ছিয়াল স্তৰ মূল স্থল ভাগৰ পৰা সম্প্ৰালিত হৈ আঁতৰি যাবলৈ ধৰে। বৃহৎ স্থলভাগৰ এই অংশবোৰেই পুনৰ স্থাপিত হোৱাৰ ফলত বৰ্তমানৰ মহাদেশবোৰৰ মাজত মহাসাগৰসমূহৰ সৃষ্টি হৈছিল। ৱেগেনাৰৰ মতে ভূ-অভিকৰ্ষণৰ পাৰ্থক্যৰ ফলত বৃহৎ স্থলভাগৰ এক অংশৰ পশ্চিম মুখী চলনৰ ফলত উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ আৰু উত্তৰমুখী বা বিষুৱৰেখা মুখী চলনৰ ফলত আফ্ৰিকা, ভাৰতৰ দাক্ষিণাত্য মালভূমি, আৰব মালভূমি, অষ্ট্ৰেলিয়া মহাদেশ আদিৰ উৎপত্তি হৈছিল। আজিৰ পৰা প্ৰায় ১৩০ মিলিয়ন বছৰ আগেয়ে ভাৰত উপ-মহাদেশৰ অৱস্থান ৪৬$^{\circ}$ দক্ষিণ অক্ষাংশ আছিল কিন্তু উত্তৰমুখী চলনৰ ফলত ই বৰ্তমানে ৮$^{\circ}$-৩৮$^{\circ}$ উত্তৰ অক্ষাংশৰ মাজত অৱস্থান কৰিছে। উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ পশ্চিমলৈ চলন হোৱাৰ ফলত দুই আমেৰিকা আৰু ইউৰোপ-আফ্ৰিকাৰ মাজত আটলাণ্টিক মহাসাগৰৰ উৎপত্তি হৈছে। আন হাতে ভাৰত উপ মহাদেশ আৰু অষ্ট্ৰেলিয়াৰ উত্তৰমুখী চলনৰ ফলত, কুমেৰু মণ্ডল আৰু ভাৰত উপমহাদেশৰ মাজত ভাৰত মহাসাগৰৰ উৎপত্তি হৈছে। লৰেছিয়া শ্ৰেণীৰ স্থলভাগ বৰ্তমানৰ উত্তৰ আমেৰিকা, ইউৰোপ আৰু এছিয়াৰ হিমালয় পৰ্বতৰ পৰা উত্তৰ অংশ আনহাতে গণ্ডোৱানা লেণ্ডৰ দক্ষিণ আমেৰিকা, আফ্ৰিকা, ভাৰতৰ দাক্ষিণাত্য মালভূমি, অষ্ট্ৰেলিয়া আদি।

টেথিছ সাগৰ উৎপত্তি হোৱাৰ পিছত অসংখ্য নদ-নদী লৰেছিয়া আৰু গণ্ডোৱানালেণ্ডৰ পৰা ওলাই টেথিছ সাগৰত পৰিছিল। এই নদ-নদীবোৰে লাখ লাখ বছৰ ধৰি কঢ়িয়াই অনা শিল, মাটি, বালি, জাবৰ আদিৰ অৱক্ষেপ টেথিছ সাগৰৰ তলিত জমা কৰিছিল। ইয়াৰ ফলত ক্ৰমে ক্ৰমে টেথিছ সাগৰ অগভীৰ হৈ আহিছিল। ভূত্বকৰ মাটি, শিল আদি নদ-নদীৰ দ্বাৰা গভীৰ অঞ্চলত জমা হোৱাক ভূ-অভিনতি ( Geo-synclina) বোলা হয়। এনে ধৰণৰ অৱক্ষেপৰ ভাৰ যেতিয়া অত্যধিক বেছি হ'বলৈ ধৰিলে, তেতিয়া অভিনতিৰ দুয়োটা কাষ ক্ৰমশঃ চাপ খাই আহিবলৈ ধৰিলে। ইয়াৰ ফলত অভিনতিৰ গৰ্ভত জমা হোৱা অৱক্ষিপ্ত পলসে বিভিন্ন প্ৰকাৰৰ পাললিক শিলাত পৰিণত হৈ টাৰটিয়াৰী আৰু মায়োচিন ভূ-তাত্বিক যুগত ডেগাখাই, উঠা নমা ভাঁজ লৈ পৰ্বতৰ ৰূপ ললে। সেয়েহে আজি টেথিছ সাগৰৰ বুকুত আল্পচ আৰু হিমালয় পৰ্বত দেখা যায়।

১৯৬৮ চনত ৱেগেনাৰৰ মহাদেশীয় বিস্থাপন তত্ত্বৰ লগত সংগতি ৰাখি লি পিচোন (Le Pichon) নামৰ এজন বিজ্ঞানীয়ে এটা নতুন তত্ত্ব দাঙি ধৰে আৰু এই তত্ত্বটো প্লেট টেক্টনিক্ (Plate Tectonics ) নামে জনাজাত। এই তত্ত্বমতে পৃথিৱীখন কিছুমান প্লেটৰ সমষ্টি। ইয়াৰে কিছুমান প্লেট ডাঙৰ আৰু কিছুমান সৰু। এই প্লেটসমূহ হ'ল — ইউৰেচিয়ান প্লেট, চাইনিজ প্লেট, ইণ্ডিয়ান প্লেট, পেচিফিক প্লেট, আমেৰিকান প্লেট, ইষ্ট পেচিফিক প্লেট, আফ্ৰিকান প্লেট, এণ্টাৰ্কটিকা প্লেট ইত্যাদি। এই প্লেটবিলাক গতিশীল। এই প্লেটবিলাকৰ চলনৰ ফলতে পৃথিৱীত মহাদেশ আৰু মহাসাগৰ সমূহৰ অৱয়বসমূহ উৎপত্তি হোৱা বুলি লি পিচোনে কয়। গতিশীল দুখন প্লেটৰ মাজত সংঘৰ্ষ হলে কোনো ঠাইত পৰ্বত, ভূমিকম্প আদিৰ উৎপত্তি হব পাৰে।

মুঠৰ ওপৰত পৃথিৱীত মহাদেশ আৰু মহাসাগৰৰ জন্ম ৰহস্যৰ আঁতিগুৰি বৰ জটিল।

———

# শাস্ত্ৰীয় সঙ্গীত সাধনা, ভাটখাণ্ডে
আৰু
# উত্তৰ ভাৰতীয় ৰাগ সঙ্গীত

অদিতি ভূঞা
স্নাতক ১ম বাৰ্ষিক ॥

সঙ্গীত বুলিলে সাধাৰণতঃ গীতকেই বুজা যায় যদিও প্ৰকৃততে গীত, বাদ্য আৰু নৃত্য এই তিনিওবে সংযোগকহে সঙ্গীত আখ্যা দিব পাৰি। "গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সঙ্গীতমুচ্যতে" (সঙ্গীত ৰত্নাকৰ)। এই সঙ্গীত অতি সহজসাধ্য বস্তু নহয়, ইয়াৰ বাবে প্ৰয়োজন ঐকান্তিক সাধনাৰ। কোনো কামেই ঐকান্তিক সাধনা বা চৰ্চা অবিহনে সিদ্ধ নহয়। সেই একেই কথা খাটে সঙ্গীতৰ ক্ষেত্ৰতো। ভাৰতত শাস্ত্ৰীয় সঙ্গীতৰ সাধনা প্ৰাক্-বৈদিক যুগৰে পৰা প্ৰচলিত আৰু বৰ্তমান যুগত ইয়াৰ বহুলতা যথেষ্ট বৃদ্ধি পাইছে। কিন্তু ইয়াৰ মাজত উচ্চ মানদণ্ডৰ সঙ্গীতৰ সৃষ্টি অতি কমেইহে হৈছে আৰু তাৰ মূলতে আমি সাধনাৰ অভাৱৰ কথাটোকে আঙুলিয়াব পাৰো। বিশেষকৈ বৰ্তমানৰ উঠি অহা সমাজৰ গৰিষ্ঠ সংখ্যকৰ সাধনা-বিমুখতাই শাস্ত্ৰীয় সঙ্গীতক এক অনিশ্চয়তাৰ গৰ্ভলৈ ঠেলি দিছে বুলি কব পাৰি। ইয়াৰ কাৰণ থাইকৈ দুটা। তাৰে প্ৰথম কাৰণটো পৰ্যবেক্ষণ কৰোঁতে আমি দেখা পাওঁ যে বৰ্তমানৰ যুব-সমাজে শাস্ত্ৰীয় সঙ্গীতৰ একাগ্ৰতাৰে সাধনাতকৈ তৎকালীন পৰিবেশনৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছে। কিন্তু মঞ্চত অন্যান্য সঙ্গীত পৰিবেশনৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈকো যে সাধনাৰ অবিহনে এখোজো আগবাঢ়িব নোৱাৰি, সি অনস্বীকাৰ্য। বৰ্তমান যুগত ভাৰতৰ আন আন ৰাজ্যৰ কথা বাদ দি কেৱল অসমতেই সঙ্গীতৰ দিশত দৃষ্টিপাত কৰিলে দেখা যায় বহুতো নতুন কণ্ঠশিল্পী, যন্ত্ৰশিল্পী আৰু নৃত্যশিল্পীৰ জন্ম হৈছে। কিন্তু তাৰ মাজত সৰ্বভাৰতীয় ক্ষেত্ৰত অসমক প্ৰতিনিধিত্ব কৰিব পৰা শিল্পী কেইজন? অৱশ্যে আমি সৰ্বভাৰতীয় খ্যাতিসম্পন্ন শাস্ত্ৰীয় কণ্ঠশিল্পী শ্ৰীযুত বীৰেন্দ্ৰ নাথ ফুকন, শ্ৰীমতী পাৰভীন চুলতানা আৰু নৃত্যশিল্পী শ্ৰীমতী পুষ্প ভূঞা, শ্ৰীমতী শুভলক্ষ্মী বৰুৱা, শ্ৰীমতী ইন্দিৰা পি, পি, বৰাৰ পিছতে এটা ডাঙৰ শূন্যতা দেখিবলৈ পাইছোঁ। ইয়াৰ মূলতে যে অসমৰ উঠি অহা চামৰ সাধনাৰ প্ৰতি অনীহা তাক নুই কৰিব



নোৱাৰি।

আমাৰ বহুতেই কব খোজে যে সাম্প্ৰতিক কালত শাস্ত্ৰীয় সঙ্গীতৰ ক্ষেত্ৰত সৃষ্টি হোৱা এই শূন্যতাৰ মূলৰ কাৰণ—ইয়াৰ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সকলোখিনি জ্ঞান প্ৰদান কৰিবলৈ নিবিচৰাটো। কিন্তু এনে ধৰণৰ মন্তব্য সম্পূৰ্ণৰূপে অযুক্তিকৰ তথা ভিত্তিহীন। কিয়নো, যি শিক্ষাৰ্থীৰ শাস্ত্ৰীয় সঙ্গীত সাধনাৰ প্ৰতি একাগ্ৰ নিষ্ঠা নাই, তেনে শিক্ষাৰ্থীৰ পক্ষে গুৰুৱে প্ৰদান কৰা যি কোনো পাঠেই আহৰণ কৰাটো অসম্ভৱ। গতিকে, এনে ক্ষেত্ৰত শাস্ত্ৰীয় সঙ্গীতৰ গুৰুসকলৰ বিৰুদ্ধে তোলা অভিযোগটো অমূলক।

দ্বিতীয়তে, আমাৰ পাৰিবাৰিক আৰু সামাজিক পৰিবেশৰ প্ৰতিকূল অৱস্থাও ইয়াৰ বাবে দায়ী। আমাৰ বহুতো অভিভাৱকৰে এটা ভ্ৰান্ত ধাৰণা আছে যে সঙ্গীত সাধনা কৰিলে ল'ৰা-ছোৱালীৰ পঢ়া-শুনাত ব্যাঘাত জন্মে। কিন্তু, প্ৰকৃততে সঙ্গীত সাধনাই ল'ৰা-ছোৱালীৰ স্মৃতিশক্তি বঢ়াই পঢ়া-শুনাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে সহায়হে কৰে। তদুপৰি, স্কুলীয়া বা কলেজীয়া পাঠ্যক্ৰমৰ মাজত অনবৰতে সোমাই থকাৰ মানসিক অৱসাদ দূৰ কৰিবলৈ ই হৈছে এটা উৎকৃষ্ট অৱলম্বন। সঙ্গীত সাধনা কৰিও যে পঢ়া-শুনা ঠিক কৈ ৰাখিব পাৰি, তাৰ প্ৰমাণ ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ প্ৰাণদাতা পণ্ডিত স্বয়ং বিষ্ণু নাৰায়ণ ভাটখাণ্ডে।

পাৰিবাৰিক পৰিবেশৰ কথা বাদ দি সমাজৰ ফালে দৃষ্টিপাত কৰিলে আমাৰ সমাজখনত সহিষ্ণুতাৰ অভাৱ পৰিলক্ষিত হয়। শাস্ত্ৰীয় সঙ্গীতৰ সাধনা কিমান সময় কৰিব লাগে তাৰ কোনো ধৰা-বন্ধা নিয়ম নাই যদিও কমেও দৈনিক সাত-আঠ ঘণ্টা অনুশীলন (ৰেৱাজ) কৰা প্ৰয়োজন। কিন্তু সমাজখনৰ গৰিষ্ঠসংখ্যক লোকেই এই কথাটোত অনুমোদন জনাব নোৱাৰে। আৰু তাৰ মূলতেই হৈছে অ-সহিষ্ণুতা।

উপৰোক্ত পৰ্যালোচনাৰ পৰা দেখা যায় যে একো একো গৰাকী শিক্ষাৰ্থী শাস্ত্ৰীয় সঙ্গীত সাধনাৰ দিশত আগুৱাই যোৱাৰ ক্ষেত্ৰত তেওঁৰ কেইবাবিধো মূলধনৰ প্ৰয়োজন হয় আৰু ইয়াৰ ভিতৰত সেই শিক্ষাৰ্থী গৰাকীৰ একাগ্ৰতা আৰু অধ্যৱসায়েই হৈছে মুখ্য। এই দুটা গুণক মূলধন হিচাপে লৈ সঙ্গীত সাধনা কৰিলে বিভিন্ন প্ৰতিকূল অৱস্থাৰ মাজতো সাফল্য অৰ্জন কৰিব পাৰি। শাস্ত্ৰীয় সঙ্গীতৰ ক্ষেত্ৰত তেনে ধৰণৰ প্ৰতিকূলতাক অতিক্ৰম কৰি নিজক প্ৰতিষ্ঠা কৰা প্ৰাতঃস্মৰণীয় ব্যক্তি জন হ'ল পণ্ডিত বিষ্ণু নাৰায়ণ ভাটখাণ্ডে। তেখেতে অক্লান্ত পৰিশ্ৰম আৰু অধ্যৱসায়ৰ ফলত ভাৰতৰ গৰিষ্ঠসংখ্যক লোকৰ দ্বাৰা অৱহেলিত হিন্দুস্থানী ৰাগসঙ্গীতক জনতাৰ মাজত উপস্থাপন আৰু সুপ্ৰতিষ্ঠিত কৰিবলৈ সমৰ্থ হৈছিল।

১৮৬০ খ্ৰীষ্টাব্দৰ ১০ আগষ্ট তাৰিখে বোম্বাইৰ মালাবাৰ অঞ্চলৰ বালুকেশ্বৰ নামে ঠাইত এটি সাঙ্গীতিক পৰিবেশপূৰ্ণ পৰিয়ালত ভাটখাণ্ডেৰ জন্ম হয়। তাঁৰযন্ত্ৰ স্বৰমণ্ডল বজোৱাত দক্ষ পিতৃ নাৰায়ণ ৰাওৰ প্ৰতিভাৰ উত্তৰাধিকাৰী হৈছিল বিষ্ণু। শৈশৱৰ পৰাই কেৱল কণ্ঠসঙ্গীততেই নহয়, বাঁহী বজোৱাতো বিষ্ণু পাৰদৰ্শী আছিল। কিন্তু এই সঙ্গীত সাধনাৰ লগতে স্কুল-কলেজীয়া শিক্ষাও অৰ্জন কৰি তেওঁ প্ৰমাণ কৰিছিল যে সঙ্গীত সাধনা আৰু বিদ্যাশিক্ষা পৰস্পৰ পৰিপূৰকহে, বিৰোধী নহয়। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কলেজত শিক্ষা গ্ৰহণ কৰি থকাৰ সময়তে বল্লভদাস দামুলজীৰ ওচৰত চেতাৰৰ তালিম লয় আৰু স্ব-ভাৱসিদ্ধ দক্ষতাৰ ফলত অতি কম সময়ৰ ভিতৰতে তেওঁ এজন প্ৰসিদ্ধ

চেতাৰবাদক ৰূপে সুখ্যাতি অৰ্জন কৰে। ১৮৮৭ খ্ৰীষ্টাব্দত আইনৰ স্নাতক হোৱাৰ পিছত আইন ব্যৱসায় উপলক্ষ্যে তেওঁ বোম্বাইলৈ যায়, আৰু তাত 'গায়ন উত্তেজকমণ্ডলী' নামে এটি সঙ্গীত সংস্থাৰ লগত জড়িত হৈ পৰে। এই সংস্থাৰ তেওঁ বিভিন্ন সময়ত সঙ্গীত সম্পৰ্কে দিয়া সাৰগৰ্ভ ভাষণে বোম্বাইৰ বিদগ্ধ সমাজক আকৰ্ষিত কৰে। ইয়াৰ পিছতে যেতিয়াতে সঙ্গীতৰ ওপৰত অধিক তথ্য সংগ্ৰহৰ নিমিত্তে দক্ষিণ ভাৰতলৈ গৈ কৰ্ণাটকী সঙ্গীত সম্বন্ধে সবিশেষ গৱেষণা কৰে আৰু পণ্ডিত ব্যঙ্কটমখীৰ ৭২ (বাসত্তৰ) টি ঠাটৰ পৰা মূল ১০টা ঠাট হিন্দুস্থানী সঙ্গীতৰ উৎসৰূপে প্ৰচলন কৰে। ইয়াৰ পিছত উত্তৰ-পূব ভাৰত পৰিভ্ৰমণ কৰোঁতে বিভিন্ন সঙ্গীতৰ বিভিন্ন গুণী ব্যক্তিৰ সংস্পৰ্শলৈ আহে, আৰু সেইসকলৰ লগত হোৱা আলাপ-আলোচনা আৰু তথ্য লিপিবদ্ধ কৰি মাৰাঠী ভাষাত " হিন্দুস্থানী সঙ্গীত পদ্ধতি " নামেৰে চাৰিটা খণ্ডত গ্ৰন্থ এখন প্ৰকাশ কৰে। ইয়াৰ উপৰি বিভিন্ন ৰাগ-ৰাগিনীক বিলাৱল প্ৰভৃতি দহটা ঠাটৰ অন্তৰ্ভুক্ত কৰি 'লক্ষণ সঙ্গীতম্' আৰু 'অভিনৱ ৰাগ-মঞ্জৰী' নামেৰে দুখন গ্ৰন্থ লিখে। তেওঁৰ ৰচিত বিভিন্ন গ্ৰন্থসমূহ হ'ল ; হিন্দুস্থানী সঙ্গীত পদ্ধতি (৪ খণ্ড), শ্ৰীমল্লক, সঙ্গীতম, অভিনৱ ৰাগ মঞ্জৰী, ক্ৰমিক পুস্তক মালিকা (৬ খণ্ড) ইত্যাদি। এই গ্ৰন্থসমূহত সন্নিৱিষ্ট ৩০০ টি গীত তেওঁৰ নিজা ৰচনা, আৰু বাকী প্ৰায় ১০০০ টি গীত বিভিন্ন উৎসৰ পৰা তেওঁৰ দ্বাৰা সংগৃহীত।

ভাটখাণ্ডেৰ দ্বাৰা উদ্ভূত আৰু প্ৰচলিত দহটি মূল ঠাট হ'ল — বিলাৱল, কল্যাণ, খাম্বাজ, ভৈৰৱ, পূৰ্বী, মাৰোৱা, কাফী, আশাৱৰী, ভৈৰৱী আৰু তোড়ী। বাকী সকলো ৰাগ এই দহটি ঠাটৰ পৰাই উদ্ভূত।

'ৰাগ' সম্বন্ধে শাৰ্ঙ্গদেৱৰ 'সঙ্গীত ৰত্নাকৰ'ত কোৱা হৈছে —

'যোহয়ং ধ্বনিবিশেষস্তু স্বৰবৰ্ণ বিভূষিত :।
ৰঞ্জকো জনচিত্তানাং স ৰাগং কথিতো বুধৈ : ॥"

অৰ্থাৎ যি স্বৰবৰ্ণ বিভূষিত ধ্বনিবিশিষ্ট ৰচনাই জনচিত্ত আকৰ্ষণ কৰে, সেয়েই ৰাগ।

ভাৰতীয় ৰাগ সঙ্গীতৰ থাই মূৰ্তি দুটা :— উত্তৰ ভাৰতীয়, আৰু কৰ্ণাটকী বা দক্ষিণ ভাৰতীয়। এই আলোচনাত উত্তৰ ভাৰতীয় ৰাগ সঙ্গীতৰ ওপৰতহে প্ৰাধান্য দিয়া হৈছে।

প্ৰাচীন কালত ছয় ৰাগ আৰু ছত্ৰিশ ৰাগিনী মানি লৈ বাকী আন সকলো ৰাগকে এই ৰাগসমূহৰ পুত্ৰ-পুত্ৰী বুলি মানি লোৱা হৈছিল।

এই ছয় ৰাগ হৈছে—ভৈৰৱ, মালকোশ, হিন্দোল, দীপক, শ্ৰী আৰু মেঘ। এই ছয় ৰাগক পুৰুষ-প্ৰধান ৰাগ বুলি ধৰা হৈছে।

'ভৈৰৱো মালকোশশ্চ হিন্দোলো দীপকস্তথা।
শ্ৰীৰাগো মেঘৰাগশ্চ ষড়েতে পুৰুষাঃ স্মৃতাঃ ॥'

'সঙ্গীত দৰ্পণ'ৰ মতে এই ছয় ৰাগৰ উদ্ভৱ হৈছে শিৱ আৰু শক্তিৰ সংযোগৰ ফলত। ইয়াৰে পঞ্চৰাগ মহাদেৱৰ শিৰৰ আৰু ষষ্ঠটি ৰাগ পাৰ্বতীৰ মুখোদ্ভৱ বুলি কোৱা হৈছে। এই সমূহ ৰাগ-ৰাগিনীৰ সৃষ্টিৰ মূলতত্ত্বৰ অনুসন্ধানৰ ফলত দেখা যায় যে ঋতুপযোগী স্বৰবিন্যাসৰ প্ৰয়োজনবশতঃ ছয়টি ভিন্ন ঋতুৰ বাবে ছয়টি ভিন্ন ৰাগ সৃষ্টি কৰা হয়। পিছত নতুন স্বৰবিন্যাসৰ ব্যৱহাৰৰ প্ৰতি স্পৃহা, সামাজিক প্ৰয়োজন আদিৰ বাবে এই ছয় ৰাগৰ উপৰি সৃষ্টি হ'ল ছত্ৰিশ ৰাগিনী আৰু অন্যান্য উপৰাগ-ৰাগিনীৰ। অৱশ্যে বৰ্তমান কালত সেই মতৰ পৰিবৰ্তন কৰি অধিক বিজ্ঞানসম্মত ঠাট-ৰাগ পদ্ধতিৰ প্ৰচলন কৰা



হৈছে। ইয়াৰ ভিতৰত ভাটখাণ্ডে প্ৰৱৰ্তিত পদ্ধতিয়েই অধিকতৰ বিজ্ঞানসম্মত।

এই ৰাগ ৰচনাৰ ক্ষেত্ৰত কেতবোৰ আৱশ্যক নিয়ম-কানুন আছে। হিন্দুস্থানী সঙ্গীত পদ্ধতিত মানি লোৱা বাৰটি স্বৰৰ ( সা ৰে ৰে গা গা মা মা পা ধা ধা নি নি ) অন্ততঃ পাঁচটা স্বৰ একোটা ৰাগ ৰচনাত ব্যৱহৃত হ'ব লাগে। কোনো ৰাগতে ষড়জ (সা) স্বৰটি বৰ্জিত হ'ব নোৱাৰে আৰু পঞ্চম (পা) আৰু মধ্যম (মা) একেলগে বৰ্জিত হ'ব নোৱাৰে। প্ৰত্যেক ৰাগৰে বাদী বা মুখ্য আৰু সম্বাদী বা সহযোগী স্বৰ থাকিব লাগে আৰু পৰিৱেশনৰ কালত গায়কে এই দুটা স্বৰৰ ওপৰত অন্য স্বৰৰ তুলনাত অধিক গুৰুত্ব আৰোপ কৰিব লাগে। একে স্বৰৰ দুটা ৰূপ যেনে— শুদ্ধ ৰে আৰু কোমল ৰে, শুদ্ধ গা আৰু কোমল গা একেলগে ব্যৱহৃত হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে ৰাগ কেদাৰত যদিও শুদ্ধ আৰু তীব্ৰ উভয় মধ্যম ব্যৱহৃত হয়, তথাপি পৰিৱেশনৰ ক্ষেত্ৰত গান্ধাৰ, পঞ্চম বা ধৈৱতে উভয় মধ্যমকে পৃথক কৰি ৰাখে। কিন্তু দুই এক ৰাগৰ ক্ষেত্ৰত যেনে—বসন্ত, ললিত আদিৰ ক্ষেত্ৰত এই নিয়মৰ ব্যতিক্ৰম ঘটা দেখা যায়। এই ৰাগসমূহ থাইকৈ তিনিটা ভিন্ন জাতিত বিভক্ত। সেয়া হৈছে সম্পূৰ্ণ, ঔড়ৱ আৰু ষাড়ৱ। প্ৰত্যেক ৰাগৰ ক্ষেত্ৰত আৰোহণ, অৱৰোহণ, পকড় আৰু গোৱাৰ সময় নিৰ্দিষ্ট কৰা থাকে। যেনে-প্ৰাতঃকালীন ৰাগ ভৈৰৱী, মধ্যাহ্ন কালীন ৰাগ বৃন্দাবনী সাৰং ইত্যাদি। দিনৰ বিভিন্ন সময় অনুসৰি যিদৰে ভিন ভিন ৰাগ গোৱা হয়, ঠিক সেইদৰে বিশেষ বিশেষ ঋতু অনুসৰি ভিন ভিন ৰাগ গোৱা হয়। উদাহৰণ স্বৰূপে বৰ্ষাকালীন ৰাগ 'মেঘ,' হেমন্তকালীন ৰাগ 'মালকোষ' ইত্যাদি। কিন্তু বৰ্তমান সময়ত ঋতু অনুযায়ী ৰাগ পৰিৱেশন কৰা নহয়। কেৱল দিন—ৰাতিৰ সময়ৰ নিৰ্দেশানুযায়ী গোৱা হয়। যদিও সময়ৰ নিৰ্দেশানুযায়ী ৰাগ পৰিৱেশন কৰিলে অধিক মনোগ্ৰাহী হয়, তথাপি সঙ্গীত সন্মিলন বা ৰঙ্গমঞ্চত ইয়াৰ ব্যতিক্ৰম ঘটাও দেখিবলৈ পোৱা যায়।

এই ৰাগ সঙ্গীতৰ প্ৰত্যেক বিভাগতেই যেনে — ধ্ৰুপদ, ধামাৰ, খেয়াল, ভজন বা গজল এই সকলোতে ৰাগৰ ৰূপ একেই থাকে। বৰ্তমান সময়ত ৰাগ সঙ্গীতৰ এক অভাৱনীয় প্ৰসাৰ ঘটিছে আৰু ইয়াৰ বাবে সাম্প্ৰতিক কালত আমি হয়তো গণতন্ত্ৰৰ কথাকে পোন প্ৰথমে কব লাগিব। প্ৰাচীন কালত যেইজন মান মুষ্টিমেয় লোকৰ হাতত বা ৰাজকীয় পৃষ্ঠপোষকতাৰ মাজত আৱদ্ধ হৈ থকা ৰাগ সঙ্গীত বৰ্তমান বিস্তাৰিত হৈ সৰ্বসাধাৰণৰ মাজত জনপ্ৰিয় হোৱা কথাই ৰাগ সঙ্গীতৰ ক্ষেত্ৰত হোৱা পুনৰ্জাগৰণকেই (Ranaissance ) দেখুৱাই দিয়ে।

+ — +

**প্ৰসঙ্গ-পঞ্জী—**

সঙ্গীত দৰ্শিকা :- ননী গোপাল বন্দ্যোপাধ্যায়। সঙ্গীতেৰ ইতিহাস ও শম্ভুনাথ ঘোষ।

Weekend Review Vol VI. No. 35

# কৃষ্ণকান্ত সন্দিকৈৰ শিক্ষা আৰু সাহিত্য জীৱনত এভূমুকি

শ্ৰীবৰ্ণা গোস্বামী
স্নাতক ২য় বাৰ্ষিক

সাহিত্য সমাজৰ প্ৰতিবিম্ব। সাহিত্য অবিহনে কোনো সুস্থিৰ, সবল সমাজ গঢ় লব নোৱাৰে। বাস্তৱ জীৱনৰ প্ৰতি খোজে খোজে সাহিত্যৰ প্ৰভাৱ অৱশ্যম্ভাৱী। এই সাহিত্যৰ প্ৰতি জন সাধকেই আমাৰ অতিকৈ প্ৰিয় আৰু আন্তৰিক শ্ৰদ্ধাৰ পাত্ৰ। ভাৰতীয় আন আন প্ৰাদেশিক সাহিত্যৰ তুলনাত অসমীয়া সাহিত্য পিছ পৰি ৰলেও অসমীয়া সাহিত্যিকৰ অদম্য চেষ্টাই এই সাহিত্যৰ সৃষ্টি আৰু উন্নতিৰ পথত আগবঢ়াই নিয়াত অৰিহনা যোগাইছে। অসমীয়া সাহিত্যিকসকলৰ ভিতৰত ভাৰত তথা পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যিকসকলৰ ভিতৰত এজন "কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া এগৰাকী খ্যাতনামা সাহিত্যিক, যাৰ লিখনিয়ে পৃথিৱীৰ সাহিত্য ভঁৰালে প্ৰশস্ত কৰি তুলিছে।

এইজনা বিদগ্ধ পণ্ডিতৰ জন্ম হয় ১৮৯৮ চনৰ জুলাই মাহত ২০ তাৰিখে। সৰুতে তেখেতে প্ৰাইমাৰী স্কুলত নপঢ়াকৈ হাইস্কুলত নাম লগায়। সন্দিকৈদেৱে যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯১৩ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। সন্দিকৈ ডাঙৰীয়াৰ দেউতাকৰ নাম আছিল দানবীৰ ৰাধাকান্ত সন্দিকৈ আৰু মাকৰ নাম আছিল ৺নাৰায়ণী সন্দিকৈ।

সন্দিকৈদেৱে পঢ়ি থকা কালত কোনো অসমীয়া কিতাপ পাঠ্য হিচাবে পঢ়া নহৈছিল। কিন্তু সন্দিকৈদেৱে স্কুলীয়া অৱস্থাতে প্ৰায়বোৰ অসমীয়া কিতাপ পঢ়ি লয়। স্কুলত পঢ়ি থকা সময়তে তেখেতে সংস্কৃত সাহিত্য গভীৰ ভাৱে অধ্যয়ন কৰে। যোৰহাটৰ পৰা প্ৰৱেশিকা পাছ কৰি সন্দিকৈদেৱে কটন কলেজত নাম লগায়। কিন্তু ডঃ সূৰ্য্য কুমাৰ ভূঞাৰ উপদেশ অনুসৰি তেখেত কলিকতাৰ সংস্কৃত কলেজলৈ বি, এ পঢ়িবলৈ যায়। সংস্কৃত কলেজৰ পৰাই ১৯১৭ চনত সংস্কৃতত ১ম শ্ৰেণীৰ অনাৰ্চ লৈ বি-এ পাছ কৰে। ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতৰ বৈদিক শাখাত এম,এ পাছ কৰে। ১৯২° চনত সন্দিকৈদেৱে বিলাতলৈ যায়। তাত তেওঁ বৃটিছ মিউজিয়ামত অধ্যয়ন কৰিবলৈ লয় আৰু তাত শিকিবলৈ লয়। ইংলণ্ডৰ অক্সফৰ্ডত সন্দিকৈ ডাঙৰীয়া



তিনি বছৰ থাকি প্ৰায় চাৰি বছৰ কাল ফ্ৰান্স আৰু জাৰ্মানীত কটায়। এই চাৰি বছৰ কাল তেখেতে বিভিন্ন লাইব্ৰেৰী, মিউজিয়ামত অধ্যয়ন কৰি কটায়। সেই কালৰ পৰাই সন্দিকৈ ডাঙৰীয়াৰ অধ্যয়নত প্ৰবল বাগ জন্মে আৰু সেয়ে কালত জীৱন জোৰা ব্ৰত হৈ পৰে। তেওঁ কোনো বিষয়ত ডিগ্ৰী লোৱাতকৈ লাইব্ৰেৰীৰ অধ্যয়নতহে বেছি গুৰুত্ব দিছিল। বিদেশত থাকোতেই তেখেতে জাৰ্মান, ইটালিয়ান আৰু ৰুচীয়ান এই তিনিওটা ভাষা ভালকৈ শিকে।

সন্দিকৈ ডাঙৰীয়াই আই-এ পঢ়োতেই কেইবাটাও প্ৰবন্ধ লিখিছিল আৰু এই প্ৰবন্ধসমূহ 'বাঁহী'ত প্ৰকাশিত হৈছিল। তেখেতে সংস্কৃত "অমৰ কোষ"ৰ বিষয়ে "অমৰ প্ৰকাশ" নামৰ এটি দীঘলীয়া প্ৰবন্ধ লিখিছিল আৰু এই প্ৰবন্ধটো বাঁহীৰ কেইবাটাও সংখ্যাত প্ৰকাশ পাইছিল। ইউৰোপত থকা সময় হোৱাত তেখেতে কেইবাটাও প্ৰবন্ধ লিখি সাহিত্য জগতলৈ আগবঢ়ায়। ইউৰোপৰ পৰা ঘুৰি আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হৈ থাকোতে ১৯৪৯ চনত সন্দিকৈদেৱে Classial Sanskrit asa Vehicle of Indian Culture বোলা প্ৰবন্ধ এটি লিখে। এই প্ৰবন্ধত তেখেতে বৈদিক সংস্কৃতৰ পৰবৰ্ত্তী লৌকিক সংস্কৃত ভাষাৰ প্ৰথম স্তৰত যিবিলাক সাহিত্যৰ উদ্ভৱ হৈছিল তাৰ চমু আভাস দাঙি ধৰিছে।

সন্দিকৈদেৱে কেইবাখনো অসমীয়া আৰু ইংৰাজী গ্ৰন্থৰ পাতনি বা পৰিচয় লিখিছে। তাৰ ভিতৰত কাশীৰ "ভাৰতীয় জ্ঞানপীঠে" প্ৰকাশ কৰা 'জীৱন্ধৰ চম্পু" নামৰ জৈন সংস্কৃত গ্ৰন্থৰ ইংৰাজী পাতনি, আনন্দ ৰাম বৰুৱাৰ "ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ ঠাই" নামৰ পুথিৰ পাতনি, পদ্মশ্ৰী নলিনী বালা দেৱীৰ "সন্ধ্যাৰ সুৰ"ৰ পাতনি আদি উল্লেখযোগ্য লিখনী। ইয়াৰ উপৰিও ৺অতুল চন্দ্ৰ হাজৰিকাদেৱৰ 'শকুন্তলা' অনুবাদৰ পাতনিও সন্দিকৈৰ এক উল্লেখযোগ্য লিখনী সন্দিকৈদেৱে নিজেও এই ভূমিকাখন বৰ ভাল পাইছিল।

সাহিত্য সাধনা সম্পৰ্কে পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ প্ৰথম উদ্দেশ্য আছিল ইউৰোপীয় সাহিত্য সম্পৰ্কে বিস্তৃত আলোচনা অসমীয়া ভাষাত কৰা। কিন্তু সেই সময়ত অসমীয়া লিখি নাম কৰিবলৈ যোৱা বৰ আচৰিত কথা আছিল। গতিকে তেখেতে সংস্কৃত সাহিত্যত মৌলিক গৱেষণা আৰম্ভ কৰিলে। তেখেতে শ্ৰীহৰ্ষৰ সংস্কৃত মহাকাব্য "নৈষধ চৰিতৰ' ওপৰতে প্ৰথম গৱেষণা আৰম্ভ কৰে। এই মহাকাব্যখন প্ৰধানতে 'নল-দময়ন্তী'ৰ কাহিনীৰ ভিত্তিত ৰচিত।

'নৈষধ চৰিত" লিখি-১৯২৭ চনৰ পৰা ১৯৩৪ চনৰ ভিতৰত। প্ৰায় সাত বছৰ কাল তেখেতে এই কিতাপখনিৰ ওপৰত এনানি গৱেষণা চলায়। "নৈষধ চৰিত' সংস্কৃত মহাকাব্যসমূহৰ ভিতৰত আটাইতকৈ কঠিন মহাকাব্য। সেয়েহে আধুনিক কালত এই কাব্যখনক অৱহেলা কৰা হয়। এই মহাকাব্যখনৰ একমাত্ৰ পাণ্ডিত্যপূৰ্ণ ইংৰাজী অনুবাদ কৰিছে অধ্যাপক সন্দিকৈদেৱে। তেখেতে এই মহাকাব্যখন কেৱল যে ভাৰতীয়ৰ বাবেই বোধগম্য কৰিলে তেনে নহয়, পাশ্চাত্য জগতৰ কাৰণেও তাক বোধগম্য কৰিলে।

কৃষ্ণকান্ত সন্দিকৈদেৱৰ যিটো লাইব্ৰেৰী আছিল সেয়া ভাৰতৰ ভিতৰতে এটা ডাঙৰ ব্যক্তিগত লাইব্ৰেৰী আৰু তাত ভালেমান অতি দুষ্প্ৰাপ্য আৰু

মূল্যৱান গ্ৰন্থ আছে। ইয়াৰ বেছিভাগ কিতাপেই ভাষা সাহিত্য সম্পৰ্কীয়। পৃথিৱীৰ ১১টা ভাষাৰ কিতাপ এই পুথিভঁৰালত আছে। এই পুথিভঁৰালটো গুৱাহাটী বিশ্ববিদ্যালয়লৈ দান দিয়া হৈছে।

কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ দ্বিতীয় কীৰ্তিস্তম্ভ হ'ল "যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি" নামৰ গৱেষণাপূৰ্ণ সমালোচনামূলক গ্ৰন্থখন। এই গ্ৰন্থখন তেখেতে ইংৰাজীত লিখা বাবে পৃথিৱীৰ বিভিন্ন ঠাইত ই আদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

তেখেতৰ তৃতীয় উল্লেখনীয় কিতাপ হ'ল প্ৰবৰ সেন ৰচিত "সেতুবন্ধ" কিতাপৰ ইংৰাজী অনুবাদ। এইখন তেখেতৰ তৃতীয় কীৰ্তিস্তম্ভ। জীৱনৰ এটা দীঘলীয়া কালৰ পৰিশ্ৰমৰ ফলত সন্দিকৈ ডাঙৰীয়াই তেওঁৰ জীৱনৰ তৃতীয় সাহিত্যিক কীৰ্তিস্তম্ভ গঢ়ে। আৰ্থিক লাভালাভলৈ নাচাই এককালীন দান স্বৰূপে "প্ৰাকৃত টেক্স চচাইটিলৈ" এই অমূল্য গ্ৰন্থখনি তেখেতে আগবঢ়ায়।

সন্দিকৈদেৱে বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিলৈ আৰ্থিক অনুদান আগবঢ়াইছে তাৰ দ্বাৰা অসমৰ সাংস্কৃতিক জীৱনত অসমে এটা বিশেষ পদক্ষেপ আগবঢ়োৱাত সহায় কৰিছে। তেখেতে জীৱন জোৰা সাধনাৰে অশেষ কষ্ট স্বীকাৰ কৰি ৰচনা কৰা অতি মূল্যবান গ্ৰন্থ তিনিখন দান দিয়াটো তেওঁৰ আচৰিত মহানুভৱতাৰ পৰিচায়ক। জীৱন জুৰি সংগ্ৰহ কৰা নিজৰ পুথিভঁৰালৰ সমুদায় গ্ৰন্থ দান কৰাটো ডাঙৰ মহানুভৱতা, কিন্তু গ্ৰন্থ কেইখনৰ স্বত্ব দানেই হ'ল সন্দিকৈৰ শ্ৰেষ্ঠ আৰু অভিনৱ দান।

কৃষ্ণকান্ত সন্দিকৈ সুদীৰ্ঘ ন বছৰ কাল অৰ্থাৎ ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈ অসমৰ প্ৰথম বিশ্ববিদ্যালয় 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ' ১ম উপাচাৰ্য ৰূপে বিশেষ পাৰদৰ্শিতাৰে কাৰ্য সমাপন কৰি অৱসৰ গ্ৰহণ কৰে। সন্দিকৈৰ নিচিনা পণ্ডিতৰ ব্যক্তিত্বই বিশ্ববিদ্যালয়ৰ সকলো কাৰ্যাৱলী সুচাৰুৰূপে পৰিচালনা কৰাত বিশেষ সহায়ক হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটো ইতিমধ্যে তেখেতৰ নামেৰে নামাকৰণ কৰা হৈছে।

১৯৬৭ চনত ভাৰত চৰকাৰে সন্দিকৈদেৱক "পদ্মভূষণ" উপাধিৰে বিভূষিত কৰিছিল। ১৯৬৮ চনত "ডেকান কলেজে" মহাৰাষ্ট্ৰ চৰকাৰৰ সম্মতি লৈ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক "ফেলোশ্বিপ"ৰ বাবে নিৰ্বাচন কৰে। তেখেতে পোৱা আটাইবোৰ সন্মানৰ ভিতৰত এই উপাধি পাই আটাইতকৈ বেছি সুখী হৈছিল।

ব্যক্তিগত জীৱন সুগভীৰ, চৰিত্ৰ যাৰ সুনিৰ্মল, আদৰ্শ যাৰ জ্ঞান সাধনা, জ্ঞান-লিপ্সা যাৰ অপৰিসীম, যিজন পণ্ডিতৰ সমালোচনা স্পষ্ট, পাৰ্থিৱ খ্যাতিৰ প্ৰতি যিজন অনাসক্ত, সেইজন অসাধাৰণ গৱেষক ব্যক্তি কৃষ্ণকান্ত সন্দিকৈদেৱৰ। ১৯৮২ চনৰ ৭ জুন তাৰিখে ১০-৪০ মিনিটত এইগৰাকী মহান ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে।

এইজন মহামান্য ব্যক্তিৰ নামত প্ৰখ্যাত মহিলা কবি নলিনী বালা দেৱীয়ে তেখেতৰ "অলকানন্দা" উছৰ্গা কৰিছে।

তাত যথাৰ্থতে কৰিছে কৈছে—

"মহীয়ান মানৱীৰ পিতৃৰ সন্তান!
নোহোৱা মাথোন তুমি অসম গৌৰৱ
ভাৰত গৌৰৱ তুমি বিশ্ব জ্ঞান মন্দিৰত।"



# বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা আৰু তেওঁৰ কবিতা

শ্ৰীবীতা হাজৰিকা
স্নাতক ২য় বাৰ্ষিক

কবি যতীন্দ্ৰ নাথ দুৱৰা অসমৰ এজন আগশাৰীৰ কবি আছিল। এওঁৰ হাততেই ৰোমাণ্টিক কবিতাৰ সাংগীতিক গুণ আৰু কোমলতাই মধুৰতম ৰূপ লয়। বিশেষকৈ 'বাঁহী' আলোচনীৰ যুগত তেওঁৰ কবিতাই পঢ়োতাৰ অন্তৰত খলকনি তুলিছিল। দুৱৰাই অধ্যয়ন আৰু অধ্যৱসায়ৰ দ্বাৰা অসমীয়া কবিতাত বনন্যাসৰ পৰিধি বিস্তৃত কৰিলে।

যতীন্দ্ৰনাথ দুৱৰা, বিখ্যাত দুৱৰা কাকতিৰ বংশৰ শিৱসাগৰৰ শ্যামসুন্দৰ দুৱৰাৰ চতুৰ্থ পুত্ৰ। তেখেতৰ জন্ম হয় ১৮৯২ চনৰ ৪ মাৰ্চত। তেখেতৰ শিক্ষাজীৱন আৰম্ভ হয় শিৱসাগৰ প্ৰাইমাৰী স্কুলত। ১৯০৯ চনত শিৱসাগৰ চৰকাৰী উচ্চ বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰবেশিকা পৰীক্ষা পাছ কৰি উচ্চ শিক্ষাৰ বাবে তেওঁ কলিকতাৰ স্কটিছ চাৰ্চ কলেজত পঢ়িবলৈ যায় আৰু তাতে পৰাই ১৯১৩ চনত বি, এ উপাধি লাভ কৰি অসমলৈ ঘূৰি আহে। তাৰ পিছত তেওঁ ১৯১৪ চনৰ পৰা ১৯২১ চনলৈকে ডিব্ৰুগড় জৰ্জ ইন্সটিটিউচনত শিক্ষকতা কৰে। আৰু তাৰ পিছত স্কটিছচাৰ্চ কলেজিয়েট স্কুলত শিক্ষকতা কৰে। ১৯৩০ চনৰ পৰা ১৯৪৭ চনলৈ কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ অধ্যাপনা কৰে। ১৯৪৮ চনৰ পৰা ডিব্ৰুগড় কানৈ কলেজত অসমীয়া বিভাগৰ মুখ্য অধ্যাপক হয়। ১৯৫১ চনত উক্ত দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৫৫ চনত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ তেওঁ সভাপতিত্ব কৰিছিল।

দুৱৰাৰ কবিতাত বিদেশী কবি সকলৰ প্ৰভাৱ বহল ভাৱে পৰিছিল। ইংলেণ্ডৰ প্ৰাক্-ৰোমাণ্টিক কবি গ্ৰে, ৰোমাণ্টিক শ্বেলী, নব্য-ৰোমাণ্টিক টেনিছন, জাৰ্মান কবি হেইনৰিখ হাইনে, কথা কবিতাৰ ৰুছ কবি টুৰ্গেনিভ আৰু পাৰস্যৰ মহাকবি ওমৰ খায়াম আৰু হাফেজ সকলোৰে প্ৰতিভাৰ জেউতি তেওঁৰ মনোমুকুৰত প্ৰতিফলিত হৈ তেওঁৰ বীণত নিজস্ব বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰিছে। তেওঁৰ কবিতা পুথি কেইখন হৈছে — 'ওমৰ তীৰ্থ,' 'আপোন সুৰ,' 'মিলনৰ সুৰ,' 'বনফুল' আৰু 'কথা-কবিতা'। এই পুথিকেইখনৰ ভিতৰত "ওমৰ তীৰ্থ" খন পাৰস্যৰ কবি ওমৰ খায়ামৰ ৰুবায়তবোৰৰ প্ৰাঞ্জল ভাঙনি। ভাঙনি হলেও এই কবিতা সমূহে তেওঁৰ কলমত ইমান সুন্দৰকৈ প্ৰকাশ লাভ কৰিছে যে সেইবোৰ তেওঁৰ নিজা সৃষ্টি যেনেই লাগে।

দুৱৰাৰ কবিতাবিলাকত প্ৰায়ে একোটা "হা-হুমুনিয়াহৰ" ভাব প্ৰকাশ পায়। কিন্তু, কিয় আৰু কোনখিনিত সেইকথা ধৰা টান। তেওঁ কল্পনাৰ আৰু বাস্তৱৰ জগতখন একে নোহোৱা দেখি প্ৰায়েই অশান্তিবোধ কৰিছিল। তেওঁৰ এই অশান্তিবোধেই তেওঁৰ প্ৰাণত বেদনা দিছিল আৰু সেয়ে তেওঁৰ কাব্যও বেদনাসিক্ত হৈ পৰিছিল। তেওঁ "কীটছৰ" দৰে বিশ্বাস কৰিছিল, এই সংসাৰত কোনো মানুহ প্ৰকৃততে সুখী নহয়, কিন্তু সুখী হবলৈ বিচৰাটোৱেই সুখদায়ক। দুৱৰাৰ "ওমৰ তীৰ্থ" খন পঢ়িলে বহুতেই কয় যে তেওঁ "সুৰা" আৰু "পিয়লা"ক প্ৰাধান্য দিছিল। কিন্তু কবিয়ে যে তাক উপমা হিচাবেহে ব্যৱহাৰ কৰিছিল তাক ধৰিব পৰা যায় যেতিয়া দুৱৰা কবিৰ মুখত, নিজৰ মাত কথাত, খায়ামৰ কবিতাৰ নিজৰ খেয়ালী সুৰ দিবলৈ ধৰে, তেতিয়া তেওঁৰ মুখত, কোনো প্ৰকাৰ সুৰাৰ গোন্ধ পোৱা নাছিল। তেওঁ গুৱাহাটীত অৱগাহন কৰি তাৰ পৱিত্ৰ জল কমণ্ডলুত লৈ ঘূৰিছিল, সি প্ৰকৃততে গঙ্গাজলৰ শুচিতাকে বুজাইছিল। কাব্যৰস পিপাসীসকলে সেয়ে নিষ্ঠাৰেই পান কৰি আহিছে। ওমৰ খৈয়াম নিৰাশবাদী আছিল। তেওঁ বিশ্বাস কৰিছিল বৰ্ত্তমানেই সকলো। মানুহৰ জীৱনত অতীত আৰু ভৱিষ্যতৰ একো মূল্য নাই। এই নিৰাশাবাদ দুৱৰাৰ অনুবাদ পুথি "ওমৰ-তীৰ্থতো কিছু পৰিমাণে পৰিছে—

ধৰা প্ৰিয়তম, প্ৰাণৰ পিয়লা

জীৱন মদিৰা ভৰাই দিয়া,

অতীত ভৱিষ্যৎ শোক-দুখ-ভয়

আজিৰ ভাৱনা উটাই নিয়া।

আজিয়েই দিয়া, কালিলই কিয়

কোনে জানে মোৰ কালি কি হব,

হাজাৰ হাজাৰ বছৰ বিয়পা

হয়তো অতীতে সামৰি থব।

ইয়াৰ পৰা দেখা যায় যে ওমৰৰ ৰুবাইত মালাৰ অসমীয়া অনুবাদৰ গুৰিতে আছিল ঐকান্তিকতা। ওমৰৰ কবিতাৰ অকল লালিত্যই নহয়, ওমৰৰ জীৱনৰ দৰ্শনেও দুৱৰাৰ মনত পৰোক্ষ ভাৱে বেখাপাত কৰিছিল। ওমৰৰ দৰ্শনত মানৱ জীৱনৰ যি কাৰুণ্য ফুটি উঠিছে সেই কাৰুণ্যকে নিজৰ জীৱন—ভঙ্গীৰ জগত বাজিতা খুৱাই দুৱৰাই গ্ৰহণ কৰিছিল যেন লাগে।

আকাৰ-মুখাৰ বাট-একোকে নমনি

সমুখত স্মৃতিৰ আধাৰ

কতনা প্ৰেমৰ ছবি লয় গই ভাতে

তোলে এটি সংৰক্ষণ স্পন্দন।

ড: বাণীকান্ত কাকতিয়ে এই প্ৰসঙ্গতে কৈছিল যে—"দুৱৰাৰ ভাঙনি বুকুৰ তপত তেজেৰে উম দিয়া।" সেয়েহে তেওঁৰ অনুবাদ কবিতাবিলাকত নিজস্ব অনুভূতিৰ প্ৰভাৱ বেছি।

দুৱৰাৰ "আপোন সুৰ" এখন উৎকৃষ্ট কাব্য পুথি। ইয়াৰ অন্তৰ্গত কবিতাৰ প্ৰতিটো ছন্দতেই ফুটি উঠে কোমলতা আৰু প্ৰাচুৰ্য্যতাৰ ধ্বনি। তেওঁৰ কবিতাত ভাষাৰ জটিলতা, শব্দৰ দুৰ্বোধ্যতা, অৰ্থৰ অস্পষ্টতা নাই। তেওঁৰ কবিতাৰ ভাষা শিশুৰ দৰে সৰল, স্বভাৱ সুন্দৰী ৰমণীৰ দৰে নিৰলংকাৰ। দুৱৰাৰ সৰহভাগ কবিতাতেই ব্যক্তিগত জীৱনৰ হা-হুমুনিয়াহ প্ৰকাশ হৈছে। তেওঁ নিজেই জীৱন নদীত নাও মেলি অকলে বঠা ধৰি নদীখন পাৰ হ'ব বিচাৰিছে। কিন্তু তেওঁৰ এই অনন্ত যাত্ৰাত বাৰে বাৰে বিফলতা আৰু বেদনাই জৰ্জৰিত কৰিছে। নাও, নাৱৰীয়া আৰু সাগৰ দুৱৰাৰ কবিতাৰ সাধাৰণ প্ৰতীক। এইজনা কবিয়ে অকলে, অকলশৰে নিজৰ গান গাই নিজে শুনি নিজে কেতিয়াবা তল গৈ অনন্ত প্ৰেমৰ, অনন্ত মিলনৰ অনন্ত শান্তি সোণোৱালী দেশক বিচাৰি অনন্তকালৰ সোঁতত জীৱনৰ নাওখনি মেলি উটুৱাই গৈ আছে। ই এটি অতি সুন্দৰ, অতি মধুৰ অথচ মহৎ কল্পনা, এটি অবিস্মৰণীয় মানসচিত্ৰ। কেতিয়াবা নিশাদেৱীয়ে কলীয়া-চুলি মেলি জগতক আবৰি ধৰিলে, আন্ধাৰ নামিলে, কোনোবা দেৱীয়ে যদি তেওঁক পুতো কৰি নিশাটো তেওঁৰ বহাত কটাবলৈ মাতে; কবিয়ে এই বুলি সমিধান দিয়ে—

"মানুহৰ ভালপোৱা? আছে যদি থক

নাই তাত মোৰ প্ৰয়োজন,

জগতক ভাল পাওঁ জগতকে বুৰো

সকলোটি মোৰ প্ৰিয়জন।

ধন-সোণ দেৱী মোক একোকে নালাগে

যি আছে তাতেই সুখীয়া;

আহিছিলো শুদাহাতে যাওঁ শুদাহাতে

ধন বস্তু যাওঁ দুখিনীয়া।'

(নাৱৰীয়া - ক)

দুৱৰাৰ কিছুমান কবিতাত পলায়নবাদী মনোভাব আৰু দুখৰ নৈৰাশ্যবাদ প্ৰকাশ পাইছে। কিন্তু সেই যুক্তিৰেই দুৱৰাক পলায়নবাদী বা নৈৰাশ্যবাদী বুলিলে তেওঁৰ প্ৰতি অন্যায় কৰা হ'ব। নিৰাশাৰ কলীয়া ডাৱৰৰ মাজতো তেওঁ আশাৰ জেউতি দেখে, আন্ধাৰতো পোহৰৰ সন্ধান পায়, বিচ্ছেদতো মিলনৰ সুৰ শুনে। জীৱনৰ নাও বাই গৈ থাকোঁতেই তুপৰ আহ্বান, সংসাৰৰ কৰ্ত্তব্যৰ চিন্তা-ভাৱনাই তেওঁৰ মন অধিকাৰ নকৰাকৈ থকা নাই। সেয়েহে তেওঁ গাইছে—

"জগতৰ আহ্বান কাণত পৰিছে শুনা

কাচি-পাখি সকলোৱে দিহাদিহি যোৱা,

কবি তেজে উঠি অহা মুখত বাহঁটি লই

নতুন সুৰেৰে তুমি জগত জগোৱা।"

(নাৱৰীয়া—খ)

দুৱৰা কবিয়ে মানুহৰ মাজত মৰম-চেনেহ আৰু ভালপোৱা বিচাৰি গৈ পালে মাথোন মানুহৰ অনাদৰ, অৱহেলা। এই অনাদৰ অৱহেলাই কবিৰ ফুলকুমলীয়া হিয়াখন ভাঙিচিঙি চূৰমাৰ কৰি দিলে। জেতুকা পাতৰ দৰে তেওঁৰ হিয়াৰ দুখ-বেদনা আৰু হতাশাই ৰাঙলী কৰি পেলালে। সেইবাবে তেওঁ মানুহৰ ওপৰত থকা আস্থা হেৰুৱাই পেলাইছে। এতিয়া আৰু তেওঁৰ মানুহৰ ভাল পোৱাত কোনো বিশ্বাস নাই।

"তুমি মোক ভালপোৱা শুনিলেও হাঁহি উঠে

হ'ব পাৰে ইও এটি সপোনৰ দেখা,

সপোনৰ শেষ হ'লে মোহজাল আঁতৰিলে

দুনাই এনুৱা ভাৱে দিয়া জানো দেখা।"

(শুণ্য পৰিভ্ৰ)

কবিয়ে জীৱনত পোৱা অনাদৰ, অৱহেলা গোটেইখিনি গোটাই লৈ জীৱনৰ কুসুম-কাননৰ বাৰীৰ কোজে আৰু পাহৰণি লৈৰ পাৰত পঁজা এটি সাজি লৈ, তোমাক ৰাতি বাঁহী দিন লৈ জীৱন গীতি শুনাবলৈ বাঞ্ছা কৰে।

কবিৰ 'আপোন-সুৰ' দখাচলতে আমাৰ সকলোৰে অতি আদৰৰ, অতি হেঁপাহৰ 'আপোন-সুৰ'। ৰবীন্দ্ৰ নাথৰ ভাষাত কবলৈ গলে—'আপোন-সুৰে আমাৰ প্ৰাণত সুৰৰ ঢৌ তুলাই দিয়ে— সেই কুইকুৱাৰ

ফিৰিঙতি চাৰিওফালে বিয়পাই দিয়ে, অন্তৰৰ অন্ধকাৰ, বিষাদৰ কলা-ছাঁ, হতাশাৰ আবেগ সকলো নিমিষতে পুৰি পেলায়। সেই সুৰৰ লহৰীয়ে কোনো এখন সপোন পুৰীলৈ আমাক আগুৱাই লৈ যায়।

'মিলনৰ সুৰ' দুৰ্গাৰ আন এখনি কবিতা পুথি। 'মিলনৰ সুৰ' কবিতাটি 'সুফীবাদৰ' সংকেত লিখা। তেওঁৰ সুফীবাদৰ চানেকি কিছুমান কবিতাত ফুটি উঠিছে—

কলে কাণে কাণে একাৰ বাটত
আছিলো তোমাৰ কাষত বহি,
পাছে পাছে মই ফুৰিছো সদায়
কায়াৰ লগতে ছায়াটি হই।
ভুলতেই তুমি উভতি নেচালা
মিছাতে দুবলৈ মেলিলা হাত,
মোক আঁতৰাই নিজৰ দোষতে
নিজৰ শৰীৰ কৰিলা পাত।

"সুফীবাদ" আৰু হিন্দুৰ দৰ্শন শাস্ত্ৰৰ চমু আভাস দি কৈছিল—"আমিহে নুবুজো, পৰমেশ্বৰ সদায় আমাৰ লগতে থাকে। যোৱাৰ "প্ৰাণ প্ৰিয়তম, পৰম সুহৃদ"— এই বাণীটি দুৰ্গাই যেন তেওঁৰ হৃদয়ত অতি সুন্দৰকৈ অনুভৱ কৰিছিল। দুৰ্গা এজন কবিয়েই নহয়, তেওঁ যেন নিজেই এটা প্ৰকৃত কবিতা।" এইবাবেই "মিলনৰ সুৰ" পুথিখনিৰ ভূমিকাত, অধ্যক্ষ পণ্ডিত যোগীৰাজ বসুয়ে লিখিছিল—"যেখেত অসীম-সসীমৰ মিলনৰ পূজাত ৰহিছে, মই সেই পূজাৰ ঘণ্টাবাদক মাত্ৰ।"

দুৰ্গাৰ "বনফুল" ১৯৫২ চনত প্ৰকাশ পায় আৰু ই সাহিত্য একাডেমীৰ বঁটা পায়। দুৰ্গাৰ বনফুল সঁচাকৈয়ে যেন ইন্দ্ৰ-সভাৰ এপাহি ফুলহে। এই বনফুল প্ৰকাশৰ পিছৰ পৰাই দুৰ্গাক "বনফুলৰ কবি" বোলা হ'য়। অন্যান্য কবিৰ দৰে এই গৱাকী কবিৰ মনত সমাজৰ বিভিন্ন ক্ৰিয়া-প্ৰক্ৰিয়াই একো প্ৰতিক্ৰিয়া নকৰে। আমাৰ কবিয়ে সেহে মনে-প্ৰাণে থাকিবলৈ বাছি লয় নিৰলাক। তেওঁৰ একমাত্ৰ সাধনা হ'ল সৌন্দৰ্য। তেওঁ জোন-বেলি, তৰা, ফুল এইবোৰক লৈ "ৰচে" তেওঁ জীৱনৰ কুসুম-কানন। কবিয়ে নিজেই স্বীকাৰ কৰিছে তেওঁৰ দৰে মানুহৰ আজিৰ জীৱনত অসাৰ্থকতা— তেওঁ নিজেই এপাহি বনফুলহে। সেয়েহে তেওঁ বনফুলৰ আৱৰ্তণতেই লিখিছে——

"কোনোৱে দুখতে চায়
কোনোৱে বা ছুই যায়
জেনেহ কণিকা বুলি
কৰো মই ভুল,
সপোন আঁতৰি গলে
পিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।

দুৰ্গাৰ কবিতাৰ বিষয়ে কবলৈ গৈ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই "বনফুল"ৰ পাতনিত কৈছিল- "দুৰ্গা মুখ্যতে প্ৰেমৰ কবি।" অসমীয়া সাহিত্যত কিয় যিই কোনো সাহিত্যতে প্ৰেমৰ কবিতাবোৰ ভুকিয়াই ললে সচীন দুৰ্গাৰ প্ৰেমৰ কবিতাখিনিয়ে আগশাৰীত ঠাই লব। নাপাই বুলি জানিও পাবলৈ এনে আকুলতা, ঐহিক মিলনৰ অভাৱতে মিলন মাধুৰীৰ এনে ব্যাকুলতা। অতৃপ্তিৰ মাজতো এনে ঐকান্তিকতা যিই কোনো প্ৰেম গীতাৰ অতীব বৰণীয় সম্পদ।

দুৰ্গাৰ বনফুল আজিও কাব্যামোদীসকলৰ মাজত আদৰণীয় হৈয়ে আছে আৰু এই বনফুল পাহে এধাৰি মালা হৈ আজিও সাহিত্যিকসকলৰ ডিঙিত শোভা বৰ্দ্ধন কৰিছে।

দুৰ্গাৰ আন এক অৱদান হ'ল অসমীয়া সাহিত্যত কথা-কবিতাৰ প্ৰচলন। তেওঁৰ "কথা-কবিতা" (১৯৩৩ চনত) ৰুচ সাহিত্যিক টুৰ্গেনিভৰ 'Poems in Prose' অনুকৰণত ৰচনা কৰা অসমীয়া ভাষাত নেহেৰুৱা নোপোজা কবিতাৰ পুথি। তেওঁৰ আনবোৰ কবিতাত যেনেকৈ নৈৰাশ্য, আত্মকেন্দ্ৰিকতা প্ৰকাশ হৈছে, কথা-কবিতাৰ ক্ষেত্ৰতো এইবোৰ ভাবাবেগ কম বেছি পৰিমাণে প্ৰকাশ হৈছে। ইয়াত কবিৰ ইন্দ্ৰিয়-নুৰাগি স্বপ্নময় ভাবাবেগত পৰিণত হৈছে। এনে ৰোমাণ্টিক স্বপ্নময়তাই দুৰ্গাৰ কথা-কবিতাৰ ঘাই বৈশিষ্ট্য।

এক প্ৰকাৰ সন্ধানী দৃষ্টিৰ ফলতেই কথা কবিতাৰ জন্ম। কাব্যৰ ইতিহাসে কাব্য মুক্তি আৰু বৈচিত্ৰ্যৰ ইতিহাস। এনেবোৰ কাৰণতে এদিন টুৰ্গেনিভৰ 'Poems in Prose' নাইবা হুইটমেনৰ 'Leaves of Grass'ৰ সৃষ্টি হৈছিল। পৰৱৰ্তী কালত অসমীয়া গদ্য কবিতাৰ পৰীক্ষা চলিছিল আৰু এতিয়াও চলি আছে। আধুনিক গদ্য কবিতাৰ চৰিত্ৰৰ লগত দুৰ্গাৰ কথা-কবিতাৰ চৰিত্ৰৰ পাৰ্থক্য থাকিলেও দুৰ্গাক এই ক্ষেত্ৰত আগৰণুৱা বুলি ধৰিব পাৰি।

আজিৰ মুক্ত স্পন্দিত গদ্যৰ যুগত কথা কবিতাৰ মৰ্ম গ্ৰহণ সহজ, কিন্তু দুৰ্গাৰ যুগত ই তেনে সহজ নাছিল। দুৰ্গাৰ ৰচনাত টুৰ্গেনিভৰ আতৰুৱা বহু আছিল। দুৰ্গাৰ কথা-কবিতাৰ কাব্যধৰ্মিতাই দুৰ্গাক আকৃষ্ট কৰিছিল। কথা-কবিতাৰ ভাবৰ দৃশ্যাত্মক মূৰ্ত বৰ্ণনা, ই এনে এক প্ৰকাৰ চিত্ৰাত্মক বৰ্ণনা যত এটি কোমল ভাবুক মনৰ ভাবাবেগ ৰঞ্জিত হৈছে। ছন্দ বা ছন্দ স্পন্দৰ অভাব ইয়াত পূৰণ কৰিছে আবেগৰ মাজত লুকাই থকা আবেগৰ গুণ-গুণনিয়ে। এই গুণ-গুণনি পাঠকে মনৰ কাণেৰে শুনে। এই বাবে ইয়াক কবিতা আখ্যা দিব পাৰি। "সোণ বৰণীয়া দেশ" আৰু "শিল্পী" এই দুটা কবিতা দুৰ্গাৰ কবি জীৱনৰ প্ৰতিভূ। 'সোণ বৰণীয়া দেশ'ত তেওঁ দেখুৱাব খুজিছে পৃথিৱীৰ প্ৰেম ক্ষণিক, প্ৰকৃত প্ৰেম অপাৰ্থিৱ অথবা অনন্ত, অজেয়—মৃত্যু-স্পৰ্শৰ পৰা মুক্ত।

"শিল্পী" কবিতাত শিল্পীৰ সৌন্দৰ্য স্পৃহা পৃথিৱীত পূৰণ হোৱা নাই, সমাজৰ চৰণ-চাৰণো উপেক্ষা কৰি নীৰৱ সাধনাৰে গঢ়া সৌন্দৰ্য প্ৰতিমাৰ প্ৰাণ প্ৰতিষ্ঠাত শিল্পী বিফল হ'ল, উতাল খুজিছে মাজত শিল্পীয়ে অনুভৱ কৰিলে প্ৰতিমাই যেন তেওঁক সংকেত দিছে অনন্তৰ পিনে যাবলৈ। বিফলতা আৰু হাহাকাৰৰ মাজত শিল্পীয়ে মৃত্যুবৰণ কৰিছে। ইয়াৰ অৰ্থ প্ৰেম যিদৰে অনন্ত, সৌন্দৰ্যও অনন্ত। কথা-কবিতাৰ পাতনিত ডঃ কাকতিয়ে দুৰ্গা কবিৰ স্বৰূপ বখানি কৈছে— "শিল্পী বোলা কবিতাটোক দুৰ্গাৰ কাব্য-জীৱনৰ মূলসূত্ৰ, কী-কাৰোস্থি বুলিব পাৰি। আজীৱন সৌন্দৰ্য সাধনাই তেওঁৰ জীৱনৰ লক্ষ্য। আৰু এনেদৰে সৌন্দৰ্যৰ নীৰৱ সাধনাতে তেওঁৰ জীৱন ঢালি দিছে। শিল্পীয়ে সময়ৰ চিন-চাবেঁও মন নকৰি নিজৰ অন্তৰৰ সেউজীয়া ভাব সজীৱ কৰি ৰখ পাৰিছে। তেওঁৰ একোটেকে চুমুকপ নাই—সময়েও যেন তেওঁৰ কাষত হাৰ মানিলে।"

দুৰ্গাই বিশ্বাস কৰে যে মৃত্যু অনন্ত, অসীম নীৰৱতা। ইয়াৰ মূলতে আছে অপাৰ্থিৱ জগতৰ সন্ধানৰ ইচ্ছা। পৃথিৱীৰ প্ৰেমৰ প্ৰতি তেওঁৰ অনাস্থাৰ

কাৰণ হ'ল, ই ক্ষণিক, তদুপৰি মানুহৰ অকৃতজ্ঞতাৰে পৃথিৱীৰ প্ৰেম কলুষিত (কেতেকী)। তেওঁৰ মতে পৃথিৱীৰ সংজ্ঞা হ'ল—"যত মানুহ ওপজে, বুঢ়া হয় আৰু মৰে, যত ভাল পায় আৰু পাইবে।" এনে এখন পৃথিৱীত অপাৰ্থিৱ প্ৰেমৰ অন্বেষণহে সম্ভৱ।

দুৰ্গাৰ কথা-কবিতাই গদ্যক ৰোমাণ্টিকতাৰ স্তৰলৈ উত্তীৰ্ণ কৰিলে। আৰু পিছৰ চাৰ কবিলৈ দুৰ্গাই এটা নতুন অৱদান আগবঢ়াই থৈ গল।

দুৰ্গাৰ কবিতা সোণোৱালী দেশৰ পিনে অবিৰত যাত্ৰাৰ কাহিনী। তেওঁৰ প্ৰায়ভাগ কবিতাতে মৃত্যুৰ সিপাৰে থকা সোণোৱালী দেশৰ স্বপ্ন প্ৰকাশ পাইছে। যদিও তেওঁৰ কিছুমান কবিতাত নিৰাশাবাদ প্ৰকাশ পাইছে তথাপি তেওঁৰ কবিতাৰ মূল সুৰ নিৰাশাবাদ নহয়। তেওঁৰ কবিতাত একালে যেনেকৈ নিৰাশাবাদ প্ৰকাশ পাইছে, আনকালে তেনেকৈ আশাবাদ প্ৰকাশ পাইছে। আৰু তেওঁৰ কবিতাত অসীম আৰু সসীমৰ মাজত সমন্বয় দেখা যায়। দুৰ্গা চিৰকুমাৰ আছিল। চিৰকুমাৰ দুৰ্গাৰ চকুত আহৰহ সুন্দৰে খেলা কৰিছিল। সেয়েহে দুৰ্গাৰ ব্যক্তিগত জীৱনটো এটা যেন সাঁথৰ, এটা যেন কবিতা। "মোৰ এই হিয়াখনি যেতুকা পাতৰ দৰে", বুলি কৈ শূণ্য পৰিচয় দিছিল। এই কবিজনৰ বুকু যেন সদায়ে শূণ্য হৈয়ে ৰল। সেয়ে তেওঁৰ কবিতা পুথিকেইখনত প্ৰকাশ পোৱা কৰুণ সুৰে পাঠকৰ হৃদয় ছুই যায়। তেওঁৰ কবিতা পুথি কেইখনে একো একোপাহ ফুল হৈ অসমীয়া কাব্য সাহিত্যৰ কাননত আজিও গোন্ধ বলাই আছে। সেয়ে তেওঁৰ কাব্যপুথি কেইখনৰ ক্ষেত্ৰত পৰ্যবৰ চলিহাৰ ভাষাৰে কব পাৰি যে—তেওঁৰ "বনফুল" কাব্য কাননৰ পাৰিজাত ফুল। তেওঁৰ "আপোনা সুৰ" প্ৰতিজন বিশ্বহীৰে মিলনৰ সুৰ, আটাইৰ আপোন সুৰ "মিলনৰ সুৰ"। দুৰ্গাৰ অমৰ-তীৰ্থ জগতৰে পূত কামাক্ষেত্ৰ। যিজন গীতি-কবি সেইজনেই "কথা কবিও"। মুঠতে দুৰ্গাৰ জীৱনটোৱেই যেন বিভিন্ন ছন্দত গথা এটা মনোৰম কবিতা। ●

★ বি: দ্ৰ:—এই প্ৰবন্ধটি যুগুত কৰোতে "দুৰ্গাৰ কাব্য প্ৰতিভা" (ৰংপুৰ সাহিত্য সভা) পুথিখনৰ সহায় লোৱা হৈছে।



# "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট"

কবিতাৰাণী দাস।
স্নাতক, ২য় বাৰ্ষিক

প্ৰাক্-শংকৰী যুগৰ অসমত সংগীত-নৃত্যকলাৰ বিশেষ পৰিচয় আছিল। বিশেষকৈ ওজাপালি, বিয়াহৰ গীত, দেওধনী নৃত্য, পুতলানাচ আদিৰ প্ৰচলন অসমত সেই যুগৰ পৰাই আছিল। মহাপুৰুষ শংকৰদেৱে নিজে এক সংগীত মুখৰ পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হৈছিল। শংকৰদেৱৰ বংশানুক্ৰমিক ভাৱেই এক শিল্পীসুলভ মনৰ অধিকাৰী হৈছিল। তেখাই 'বুক্মিণী—হৰণ' কাব্যত 'বংশতে প্ৰখ্যাত, গন্ধৰ্ব সাক্ষাত, জগতে বখানে যাক' বুলি পিতাক কুসুম্বৰ ভূঞাৰ গুণ বখানিছিল। ডেকাগিৰি শংকৰে গুৰুগৃহত থাকি সংস্কৃত কাব্য আৰু নাট্যৰ ওপৰত লাভ কৰা জ্ঞান লগতে বাৰবছৰৰ তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতাৰ মুৰ্চ্ছীয়া পৰিণতি স্বৰূপে তেখাৰ মনলৈ এক পবিত্ৰ দায়িত্বৰ ভাৰ আহিছিল। এই কাৰ্য্যিক পংকিলতাত ডুবি থকা অসমক উদ্ধাৰ কৰি পোহৰৰ পথ দেখুৱাৰ দায়িত্ব তথা অসমীয়া বৃহত্তৰ জাতিগঠনৰ দায়িত্ব।

পঞ্চদশ শতিকাৰ অসমখনক সামাজিক অন্যায়, ধৰ্মীয় কুসংস্কাৰ তথা ৰাজনৈতিক অস্থিৰতাই দুৰ্বল কৰি তুলিছিল। ধৰ্মৰ নামত চলা ব্যভিচাৰবোৰে শংকৰদেৱৰ পবিত্ৰ মনত দাৰুণ আঘাত হানিছিল। গুৰুজনাই সৰ্বভাৰতীয় নৱবৈষ্ণৱ আন্দোলনৰ ঘনিষ্ঠ সম্পৰ্কলৈ আহি বুজিছিল যে একমাত্ৰ এই নৱবৈষ্ণৱ আন্দোলনেহে অসমীয়া সমাজ-ব্যৱস্থা, ধৰ্ম কিম্বা ৰাজনৈতিক অস্থিৰতাত সুস্থিৰ নিৰ্দেশনা অসমীয়া জাতিক দিব পাৰিব। নৱবৈষ্ণৱ আন্দোলনৰ প্ৰবাহ অসমৰ মাজেৰে বোৱাই নিয়াৰ পবিত্ৰ দায়িত্ব কান্ধ পাতি ললে মহাপুৰুষ শংকৰদেৱে নিজেই। তেখাই একশৰণ নামধৰ্ম প্ৰচাৰৰ জৰিয়তে জনসাধাৰণক প্ৰকৃত ধৰ্মৰ, ন্যায়, গণতন্ত্ৰ তথা স্বাধীনতাৰ সোৱাদ দিলে।

ওপৰত উল্লেখ কৰা যি নৃত্য-গীতৰ পৰিৱেশ তেখাই লাভ কৰিছিল। সেই পৰিৱেশে তেখাৰ প্ৰচাৰিত ধৰ্মত "আকৰ্ষণী শক্তি" সংযোগ কৰিলে। নৱ-প্ৰৱৰ্তিত ধৰ্মপ্ৰচাৰৰ সফল হাতিয়াৰৰূপে শ্ৰীমন্ত শংকৰে বাচি ললে নৃত্য—গীত-সংলাপৰ সমাহাৰেৰে অংকীয়া

এক অনুষ্ঠান। এই অনুষ্ঠান ভাওনা। ইয়াৰ এককাষৰণো আছিল। সকলো মানুহৰে নৃত্য-গীতৰ প্ৰতি এক বিশেষ ধৰণৰ অনুৰাগ থাকে। এই অনুৰাগৰ বাবেই জনসাধাৰণক সহজে একেখন থলীতে একেসময়ত সমবেত কৰাব পৰা যায়। শংকৰদেৱে জনসাধাৰণৰ মনোৰঞ্জনৰ লগে লগে এই জনসমাৱেশৰ থলীবোৰত ভক্তিধৰ্ম প্ৰচাৰ কৰাৰ কাম আৰম্ভ কৰিছিল। গীত-নৃত্য-কাহিনী-সংলাপেৰে তেখেতে পৰম-পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ গুণ প্ৰকাশ কৰি একমাত্ৰ কৃষ্ণইহে "জাতিৰ গতি" বুলি জনসাধাৰণৰ মনত বিশ্বাস জন্মাইছিল। অন্য দেৱ-দেৱীৰ পূজা-সেৱাৰ অসাৰত্ব আৰু শ্ৰীকৃষ্ণৰ নাম-কীৰ্তনৰ সুফল 'নাট' ৰচনা কৰি 'ভাওনা' কৰি দেখুৱাইছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰাচীন ওজাপালি আৰু সংগীতৰ লগত সংস্কৃত নাট্য-পদ্ধতিৰ সংমিশ্ৰণ ঘটুৱাই এক নতুন শ্ৰেণীৰ নতুন মৌলিক 'নাট' আৰু অভিনয়ৰ সৃষ্টি কৰিছিল। সংস্কৃত সাহিত্যৰ অগাধ পণ্ডিত শ্ৰীমন্ত শংকৰদেৱৰ সংস্কৃত নাটকৰ ওপৰত যথেষ্ট জ্ঞান আছিল। কিন্তু তেখেতৰ সৃষ্ট 'নাট' বা 'অংক'ৰ লগত সংস্কৃত নাট্যৰ কোনো মিল নাছিল। অসমীয়া 'অংক' বা 'নাট' মহাপুৰুষ শংকৰদেৱৰ সৃজনীমূলক প্ৰতিভাৰ মৌলিক ৰচনা। সংস্কৃত প্ৰকৰণ, উৎসৃষ্টিকাঙ্ক, আদি ৰূপকৰ লগত তেখেতৰ সৃষ্ট 'অংক'ৰ কোনো সম্বন্ধ নাছিল। অৱশ্যে শংকৰী নাটক শংকৰদেৱে নিজে 'নাট', 'নাটক', 'যাত্ৰা' বুলিছিল। তেখেতৰ পিছৰ কালৰ চৰিতকাৰসকলেহে 'অংক' শব্দটো ব্যৱহাৰ কৰিছে। সংস্কৃত ৰূপক "উৎসৃষ্টিকাঙ্ক" শব্দৰ পৰা পিছৰ চৰিত-সাহিত্যৰ যুগত 'অংক' শব্দটোৰ উদ্ভৱ হোৱা বুলি পণ্ডিতসকলে ভাবে। 'নাট' শব্দটোক 'অংক'ৰ বিকল্পৰূপে কোৱা হয়। ড° মহেশ্বৰ নেওগদেৱৰ মতে – "অংকীয়া নাট আখ্যা ভ্ৰমাত্মক। অসমীয়া ব্ৰজবুলিত লিখিত বিশেষ এক শ্ৰেণীৰ বা ধৰণৰ নাটৰ ক্ষেত্ৰতো শংকৰদেৱৰ পিছৰ কালৰ পৰা 'অংকীয়া নাট' আখ্যা প্ৰচলিত হৈ আহিছে।" এইক্ষেত্ৰত গুৰু দুজনাৰ ব্যৱহৃত 'অংক'ক এইবোৰ অংকৰ পৰা পৃথক বুজাবলৈ "গুৰু অংকীয়া নাট" শব্দ ব্যৱহৃত হৈছে পিছৰ কালত।

গুৰুগৃহত ছাত্ৰাৱস্থাত লাভ কৰা কাব্য আৰু নাট্যজ্ঞান লগতে বাৰ বছৰৰ তীৰ্থ-ভ্ৰমণৰ অভিজ্ঞতাৰে তেখেতে পোন প্ৰথমবাৰৰ বাবে 'চিহ্ন' নামেৰে এখন 'নাট' বা 'অংক' লিখি ভাওনা কৰে। কথিত আছে গুৰুজনাই 'চিহ্ন' অৰ্থাৎ 'সাত বৈকুণ্ঠৰ চিহ্ন' অংকখনিত নিজহাতেৰে তুলাপাতত হেংগুল হাইতালেৰে সাত-বৈকুণ্ঠৰ পট আঁকিছিল। আনকেইখন অংকৰ দৰেই চিহ্নযাত্ৰাত শ্লোক, গীত, ভটিমা, নাট, নৃত্য আদি আছিল বুলি চৰিতকাৰে কয়। কিন্তু এই নাটত ভাৱৰীয়াৰ বচন কথা সম্পৰ্কত 'চৰিত পুথিত' উল্লেখ পোৱা নাযায়। সি যি হওঁক কথিত আছে 'চিহ্নযাত্ৰা' একেৰাহে সাতদিন সাত ৰাতি ধৰি অভিনীত হৈছিল যদিও দৰ্শকে হেনো এদিন-এৰাতি বুলিহে ভুল কৰিছিল। এই নাটত গুৰুজনাই নিজেই গায়ন-বায়নৰ লগত খোল-তাল সংগত কৰাৰ উপৰিও অভিনয় কৰিছিল। "চিহ্নযাত্ৰাই অসমীয়া সংগীত আৰু নাট্যকলাৰ এক অভূতপূৰ্ব অধ্যায় আৰু ভাৰতীয় সংগীত আৰু নাট্য সাহিত্যৰ বুৰঞ্জীৰ এখিলা নতুন পাত মুকলি কৰি দিলে।" পৰিতাপৰ কথা 'চিহ্নযাত্ৰা' কালৰ বুকুত



নিঃশেষ হৈ গ'ল। বৰ্তমান গুৰুজনা প্ৰণীত ছখন নাট পোহৰলৈ আহিছে। নাটকেইখন হ'ল—(১) পত্নী প্ৰসাদ, (২) কালীয় দমন, (৩) ৰুক্মিণী হৰণ, (৪) কেলি গোপাল (৫) পাৰিজাত হৰণ আৰু (৬) শ্ৰীৰাম বিজয়।

অংকীয়া নাটে চাৰিটা অংগৰ সন্নিৱেশত পূৰ্ণাংগ ৰূপ লাভ কৰিছে। অংগ চাৰিটা হ'ল—গীত, শ্লোক, ভটিমা, কথা আৰু নাট বা নাচ।

গুৰুজনাৰ অংকীয়া নাটত গীতে বিশেষ প্ৰাধান্য লাভ কৰি আছে। এই গীতবোৰ লয়যুক্ত আৰু গভীৰ তত্ত্বমূলক। গীতৰ প্ৰাধান্যলৈ লক্ষ্য কৰি অংকীয়া নাটক গীতি-নাট্য বুলিবৰো থল আছে। অংকীয়া নাটৰ গীতবোৰ দুই ভাগত বিভক্ত। এবিধ ৰাগভিত্তিক গীত আৰু আনবিধ সাধাৰণ পয়াৰ। সাধাৰণতে অংকীয়া নাটৰ প্ৰৱেশৰ গীতবোৰ সিকৰা ৰাগত গোৱা হয় আৰু গীতাংশবো আৰম্ভ হয় ইয়াতেই। ইয়াৰ পিছত চৰিত্ৰসমূহৰ সংলাপৰ মাজে মাজে মনৰ আবেগ-অনুভূতি আদি প্ৰকাশ কৰিবলৈ আৰু চাল-চলন বুজাবলৈ খোল-তালৰ সংগতত—গীত (পয়াৰ) গোৱা হয়। পয়াৰবোৰ প্ৰধানতঃ কৰুণ ৰসৰ। দুখ-অনুভূতি প্ৰকাশ তথা বিলাপৰ বাবেই যেন নাটত পয়াৰ সন্নিৱেশ ঘটুওৱা হৈছিল এনে লাগে।

অংকীয়া নাটৰ শ্লোকবিলাকক তিনি ভাগত ভগোৱা হৈছে। নান্দী শ্লোক, বিষয় প্ৰৱেশ শ্লোক আৰু মোখনিৰ শ্লোক। শংকৰদেৱৰ অংকীয়া নাটৰ নান্দী শ্লোকত সংস্কৃত নাটৰ নান্দী শ্লোকৰ লক্ষণ আছে। অংকীয়া নাটৰ নান্দী শ্লোকত পৰমপুৰুষ শ্ৰীৰাম বা শ্ৰীকৃষ্ণক স্তুতি কৰা হয়। তাৰ পিছত বিষয় শ্লোক গাই নাটৰ কথাবস্তুৰ আভাস দৰ্শকক দিয়া হয়। অংকীয়া নাটৰ শ্লোকবোৰৰ জৰিয়তে নাটকৰ এটা বিশেষ অৱস্থা প্ৰকট কৰি দেখুওৱা হৈছে।

শংকৰী নাটত তিনি শ্ৰেণীৰ ভটিমা আছে। সেইবোৰ যথাক্ৰমে মঙ্গলাচৰণমূলক ভটিমা, মুক্তি-মংগল ভটিমা, আৰু ভাৱৰীয়াৰ মুখৰ ভটিমা। মঙ্গলাচৰণমূলক ভটিমা নান্দীৰ দৰে শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ স্তুতিবাচক ভটিমা। শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ প্ৰশস্তি গাই এই ভটিমাত সৰ্বলোকৰেই মঙ্গল কামনা কৰা হয়। শ্ৰীকৃষ্ণৰ দশাৱতাৰৰ বৰ্ণনাৰে নাট্যাভিনয়ৰ শ্ৰোতা-দৰ্শকৰ মুক্তি কামনা কৰি সূত্ৰধাৰ আৰু গায়ন-বায়নে মিলিত হৈ মুক্তিমংগল ভটিমা গায়। ভটিমাসমূহ সাধাৰণতে সুৰ লগাই গোৱা হয়।

অংকীয়া নাটৰ কথাক দুভাগত ভগাব পাৰি সূত্ৰধাৰৰ কথা আৰু ভাৱৰীয়াৰ বচন। অংকীয়া নাটৰ কথাৰ ভাষা ব্ৰজবুলি। অসমীয়া আৰু ব্ৰজাৱলী ভাষাৰ সংমিশ্ৰণ ঘটোৱাই গুৰুজনাই এক নতুন ভাষাৰ সৃষ্টি কৰিছিল আৰু এইভাষাই ব্ৰজবুলি ৰূপে পৰিচিত। খলুৱা অসমীয়া ভাষাৰ পৰিবৰ্তে গুৰুজনাই অংকীয়া নাটৰ চৰিত্ৰসমূহৰ মুখত ব্ৰজবুলি ভাষাৰ বচন দিছিল। প্ৰধানতঃ সৰ্বসাধাৰণ দৰ্শক ৰাইজৰ পৰা নাটকৰ চৰিত্ৰসমূহৰ বিশিষ্টতা ৰক্ষা কৰিবলৈ তথা নাটৰ মূল নায়ক শ্ৰীকৃষ্ণ বা শ্ৰীৰাম যে সৰ্বসাধাৰণৰ দৰে সাধাৰণ চৰিত্ৰ নহয়, এক ঐশ্বৰিক চৰিত্ৰহে; তাক বোধগম্য কৰাবলৈ এনে ব্যৱস্থা কৰা হৈছিল যেন অনুমান হয়। অংকীয়া নাটৰ কথা বা বচন সাধাৰণতে ছন্দোময়, লয়যুক্ত আৰু কাব্যিক গোন্ধযুক্ত। অংকীয়া নাটত 'নাচ'

লিপিবদ্ধ নহলেও এই নাটত নাচৰ প্ৰাধান্য যথেষ্ট বেছি। নাচৰ জৰিয়তে প্ৰবেশ, প্ৰস্থান অংকীয়া নাটৰ বিশিষ্ট বৈশিষ্ট্য। নাচৰ ভিতৰত সূত্ৰধাৰৰ ৰৰভঙ্গি, ময়ুৰভঙ্গি, কৃষ্ণৰ মঙ্গলৰ নাচ, নটুৱাৰ চালিনাচ, ভাৱৰীয়াৰ প্ৰৱেশৰ নাচ, ৰণৰ নাচ এই — বোৰ অংকীয়া নাটৰ বিশিষ্ট অংগ।

নাট্যাৰম্ভৰ আগতে নাট্যশালাৰ বিঘিনি দূৰ কৰিবৰ বাবে ইষ্টদেৱতাক প্ৰণাম কৰাৰ উদ্দেশ্যে অংকীয়া নাটত এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াকে "ধেমালি" বোলে। 'ধেমালি' শব্দটো সংস্কৃত নাটকৰ "পূৰ্বৰংগ"ৰ ৰূপান্তৰ। ভাৰতৰ আদি নাট্যকাৰ ভৰতমুনিৰ মতে ৰংগদেৱতা প্ৰণামৰ পিছতহে নাট্যাৰম্ভ কৰা উচিত। নাটবস্তু অৰ্থাৎ কাহিনী দৰ্শকৰ আগত উত্থাপন কৰাৰ আগতে নাট্যশালাৰ বিঘিনি গুচাবলৈ কুশীলৱ অৰ্থাৎ সূত্ৰধাৰকে মুখ্য কৰি ভাৱৰীয়া সকলে যিহৰ অনুষ্ঠান কৰে সেয়ে পূৰ্বৰংগ। ভৰতমুনিৰ মতে পূৰ্বৰংগৰ অংগ উনৈশ খন। যদিও সংস্কৃত নাটৰ পূৰ্বৰংগৰ অসমীয়া ৰূপান্তৰ ধেমালি, তথাপি অসমীয়া 'ধেমালি' আৰু সংস্কৃত 'পূৰ্বৰংগ' বিভাগ একে নহয়। আনহাতে অংকীয়া নাটৰ ধেমালিত সূত্ৰধাৰ উপস্থিত নাথাকে। গায়ন-বায়ন মিলি ধেমালিৰ গীত গায় আৰু বাদ্য বজায়। অসমীয়া ধেমালিৰ অংগবোৰৰ কিছুমান হ'ল-নাট-ধেমালি, সৰু ধেমালি, দেৱ ধেমালি, মৃদংগ ধেমালি, ঘোষা ধেমালি ইত্যাদি। "প্ৰথমে ন-ধেমালি তাৰ পাছত নাট ধেমালি, ৰাগ ধেমালি আদি বাজনা বজাই অৱশেষত ঘোষাধেমালি গাই বাজনা শেষ কৰে। ধেমালি শেষ হলেই প্ৰৱেশৰ বেলা উপস্থিত হয়।

অংকীয়া নাটত সৰ্বপ্ৰথমে সূত্ৰধাৰ প্ৰৱেশ কৰে। গায়ন-বায়নৰ বাজনাৰ তালত সূত্ৰধাৰে নৃত্য কৰে। সূত্ৰধাৰৰ নৃত্য সত্ৰীয়া সংস্কৃতিৰ উত্তম কলা তথা ভাৰতীয় ধ্ৰুপদী নৃত্যসমূহৰ ভিতৰত অন্যতম বিশিষ্ট নৃত্যকলা। সূত্ৰধাৰে নান্দীশ্লোক পাঠ কৰি ইষ্টদেৱতাক প্ৰণাম জনাই নাট-শালাৰ বিঘিনি নাশ কামনা কৰে। তাৰ পিছত বিষয় প্ৰবেশ শ্লোক পাঠ কৰি নাটৰ কথাবস্তুৰ ইংগিত দৰ্শকক দিয়ে। দুয়োটা শ্লোকতে পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণ বা শ্ৰীৰামক 'ওঁ শ্ৰীকৃষ্ণায় নমো নমঃ' বুলি স্তুতি কৰে। নাটৰ কাহিনী কোৱা শেষ হলে সূত্ৰধাৰে গায়ন-বায়নৰ মাজলৈ গৈ নেতৃত্ব লয়। সূত্ৰধাৰ নাটৰ গুৰিৰ পৰা শেষলৈকে দোহাৰত উপস্থিত থাকে। সূত্ৰধাৰে ভাৱৰীয়াৰ গীত-নাচ-কথাৰ সম্পাদনা কৰে। 'সূত্ৰধাৰক কেন্দ্ৰ কৰি অংকীয়া নাটৰ কাহিনী ক্ৰম আদিৰ পৰা অন্তলৈকে চক্ৰাৱৰ দৰে ঘূৰে।" সূত্ৰধাৰে দৰ্শক আৰু ভাৱৰীয়াৰ মধ্যৱৰ্তী পুৰুষ হিচাপে নাটৰ ঘটনাক্ৰম দৰ্শকক বুজাই যায়। সূত্ৰধাৰৰ নিৰ্দেশতেই গায়ন বায়নে বাজনা বজায়, অভিনেতা-অভিনেত্ৰীয়ে নাচে, বিলাপ কৰে, বচন কয়, যুদ্ধ কৰে। সূত্ৰধাৰ চৰিত্ৰটো শংকৰদেৱৰ মৌলিক সৃষ্টি নহয়। সংস্কৃত নাটকৰ সূত্ৰধাৰ চৰিত্ৰটোৰ আহি'ত শংকৰদেৱে অংকীয়া নাটৰ সূত্ৰধাৰ চৰিত্ৰটো সৃষ্টি কৰে। কিন্তু সংস্কৃত নাটৰ সূত্ৰধাৰ আৰু অংকীয়া নাটৰ সূত্ৰধাৰৰ মাজত কাৰ্যতঃ পাৰ্থক্য আছে। সংস্কৃত নাটৰ সূত্ৰধাৰে প্ৰবেশ কৰি নান্দী শ্লোক পাঠ কৰাৰ অন্তত নাটৰ কথা বস্তুৰ ইংগিত দৰ্শকক দিয়াৰ পাছতেই সংস্কৃত নাটৰ সূত্ৰধাৰে প্ৰস্থান কৰে। কিন্তু অংকীয়া নাটৰ সূত্ৰধাৰ নাট-অভিনয়ৰ আৰম্ভণিৰ পৰা শেষলৈকে উপস্থিত থাকে। সূত্ৰধাৰ চৰিত্ৰ



অংকীয় নাটৰ এটা অপৰিহাৰ্য চৰিত্ৰ। সূত্ৰধাৰৰ হস্তক্ষেপতেই অংকীয়া নাটে সৰ্বাংগ ৰূপত দৰ্শকৰ আগত ধৰা দিয়ে।

সূত্ৰধাৰ প্ৰৱেশৰ পিছতে অংকীয়া নাটত ভগৱান শ্ৰীকৃষ্ণ বা শ্ৰীৰামে প্ৰৱেশ কৰে আৰু গায়ন-বায়নৰ বাজনাৰ তালত নৃত্য কৰে। শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ প্ৰৱেশৰ অন্তত অংকীয়া নাটৰ অন্যান্য অভিনেতা-অভিনেত্ৰীয়ে প্ৰৱেশ কৰে। সকলো অভিনেতা-অভিনেত্ৰীকে গায়ন-বায়নে বাজনা বজাই নচুৱায়। নাচৰ জৰিয়তে প্ৰৱেশ অংকীয়া নাটৰ এক বিশিষ্ট বৈশিষ্ট্য। অভিনেতা-অভিনেত্ৰীৰ প্ৰৱেশৰ পাছতে অভিনয় আৰম্ভ হয়। ইয়াত আধুনিক মঞ্চৰ ব্যৱস্থা নাই। সাধাৰণতে নামঘৰ নাইবা সভাথলীত অংকীয়া নাটৰ ভাওনা অনুষ্ঠিত হয়। দৰ্শকৰ মাজৰ মুকলি ঠাই অংকীয়া নাটৰ অভিনয় থলী। আধুনিক মঞ্চত অভিনেতা বা অভিনেত্ৰী পৰ্যায়ক্ৰমে অভিনয়ৰ সাময়িক বিৰতিৰ সময়খিনিত মঞ্চৰ ভিতৰলৈ প্ৰস্থান কৰে আৰু দৰ্শকৰ দৃষ্টিৰ আঁৰত থাকে। কিন্তু অংকীয়া নাটৰ অভিনেতা অভিনেত্ৰী সূত্ৰধাৰে নিৰ্দেশ কৰা নিৰ্দিষ্ট স্থানত আদিৰ পৰা অন্তলৈ দৰ্শকৰ সন্মুখত থাকে। সূত্ৰধাৰৰ ইংগিত পালেই অংকীয়া নাটৰ অভিনেতা-অভিনেত্ৰীয়ে বচন কয়, নাচে, গীত গায় বা বিলাপ কৰে। অংকীয়া নাট এক অংকযুক্ত। আধুনিক নাটৰ দৰে ইয়াৰ অংক বিভাজন নাথাকে। সূত্ৰধাৰ চৰিত্ৰ আৰু গায়ন-বায়নে অংকীয়া নাটত 'অংক' বিভাজনৰ প্ৰয়োজনীয়তা নাশ কৰিছে। আধুনিক নাটত দুটা অংকৰ মাজত কিছু-সময় বিৰতি থাকে। এই বিৰতিয়ে নাটৰ ঘটনাক্ৰমৰ পৰিৱৰ্তন সাধে। কিন্তু অংকীয়া নাটত এই বিৰতিৰ ঠাই সূত্ৰধাৰৰ কথা আৰু গীতৰ লগতে গায়ন-বায়নে সংগত কৰা বাজনাই অধিকাৰ কৰি আছে। সূত্ৰধাৰৰ কথা আৰু গায়ন-বায়নৰ বাদ্য-গীতে নাটৰ ঘটনাক্ৰমৰ পৰিৱৰ্তন আনি দিয়ে। সূত্ৰধাৰৰ কথাই দুটা সম্পূৰ্ণ বেলেগ দৃশ্যৰ ঘটনাক গাঠি পেলায়। নাট্যাভিনয়ৰ শেষত সূত্ৰধাৰ আৰু গায়ন-বায়নে কল্যাণ গীত গাই নাটৰ সামৰণি মাৰে।

গুৰুজনাই তেখেতৰ ছখন নাটৰ কাহিনীভাগ মাথোঁ ৰামায়ণ, হৰিবংশ আৰু ভাগৱত দশম স্কন্ধৰ পৰা লৈছিল। কিন্তু তেখেতৰ নাটকেইখনি মূলৰ অবিকল ৰূপ নাইবা অনুবাদ নহয়। মহান কলাকাৰ শংকৰদেৱে তেখেতৰ সৃজনীশীল শিল্পমনেৰে কেয়োখনি নাটতে কাহিনীভাগ নিজৰ কলা-কৌশলেৰে সজাইছে। কোনো কোনো ক্ষেত্ৰত তেখেতে মূলৰ পৰা আঁতৰি গৈ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত এক নতুন পথ গ্ৰহণ কৰিছিল। 'পত্নী-প্ৰসাদ', 'কালীয়-দমন', 'কেলি-গোপাল' আৰু 'পাৰিজাত-হৰণ'ৰ কাহিনীভাগৰ অৱলম্বন দশম স্কন্ধ ভাগৱত। 'ৰুক্মিণী-হৰণ' নাটৰ মূল মাথোঁ হৰিবংশৰ, কিন্তু ভাগৱতৰ দশম স্কন্ধৰ পৰাও তেখেতে 'ৰুক্মিণী-হৰণ'ৰ কাহিনী-ভাগৰ কিছু লৈছিল। 'ৰামবিজয়' নাটৰ কথাবস্তু বালকাণ্ড ৰামায়ণৰ পৰা লোৱা হৈছে। এই নাটৰ ওপৰত হনুমন্ত্ৰী কাব্যৰ কিঞ্চিৎ ছিটিকণি পৰিছে।

অংকীয়া নাটবোৰ মাথোঁ ভক্তি ৰস প্ৰধান। একান্ত শৰণ ভক্তিৰ জৰিয়তে নিগুৰ্ণ কৃষ্ণৰ গুণানুকীৰ্তন কৰি কেনেকৈ মুক্তি লাভ সম্ভৱ তাক প্ৰতিপাদ্য কৰাটোৱেই আছিল ভক্তি আন্দোলনৰ মূল উদ্দেশ্য। ভক্তিৰসৰ শ্ৰেষ্ঠতা দি অংকীয়া নাট ৰচিত হলেও লৌকিক পদ একাকিত অংকীয়া নাটত সাতবিধ ৰসৰ অৱস্থাৰ কথা কোৱা হৈছে। সেই কেইবিধ হ'ল

যথাক্ৰমে ১) গায়ন-বায়ন, ২) সূত্ৰ-নাট্য, ৩) শ্লোক, ৪) গীত, ৫) ব্ৰজাবলী, ৬) মুখা আৰু ৭) কৃষ্ণনাম।

লৌকিক পদফাঁক হ'ল—

"সপ্তৰসে নাটক ৰচনা কৰয়
শুনিয়ো সপ্তবিধ ৰসৰ অন্বয়
গায়ন-বায়ন সৱে সভা জয় কৰে
সূত্ৰ-নাট্য গণে ৰসিকৰ মন হৰে
পণ্ডিতে বুজিবে শ্লোক কৰিলো ৰচন
গীত-অৰ্থ বুজিবেক যৌজ্ঞ সভ্যগণ
ব্ৰজাবলী ভাষাক বুজিবে গ্ৰাম্য লোক
ছোঁ-মুখ দেখিবেক অজ্ঞ মূঢ় লোক
শুদ্ধে-অশুদ্ধে তথাপিতো কৃষ্ণনাম
এই সপ্ত ৰস নাটকৰ অনুপম।"

———

বিঃ দ্ৰঃ — প্ৰৱন্ধটো যুগুত কৰাৰ ক্ষেত্ৰত ড° মহেশ্বৰ নেওগদেৱৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ" গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।



# অসমীয়া জাতিলৈ ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ অৱদান-

ৰেখা বৰা
১১ শ শ্ৰেণী

কুৰি শতিকাৰ আগ ভাগত জন্ম গ্ৰহণ কৰা যি কেইজনা ক্ষণ জন্মা পুৰুষে অসমৰ সাংস্কৃতিক জীৱনত নৱ-জাগৰণৰ সূচনা কৰিছিল আৰু অসমৰ পুনৰ জীৱনৰ বাবে যুৱ-শক্তিক উদ্দীপিত কৰিব পাৰিছিল, জ্যোতি প্ৰসাদ আছিল সেই সকলৰ উজ্জ্বল জ্যোতিষ্কৰ মাজৰ পূৰ্ণতি তথা স্বৰূপ। জ্যোতি প্ৰসাদে গ্ৰহণ কৰা অগ্ৰণী ভূমিকাৰ কথা বাদ দি আমি আমাৰ সাংস্কৃতিক পৰম্পৰাৰ কথা চিন্তাৱেই নোৱাৰো। যোতিয়াই আৰু য'তেই তেওঁক সোঁৱৰো তাতেই আমাৰ যুৱ দেহ থাকে, অনুপ্ৰেৰণাত অন্তৰ শক্তিমন্ত হৈ পৰে।

জ্যোতি প্ৰসাদ এক মহান ব্যক্তিত্বৰ অধিকাৰী আছিল। পণ্ডিত নাট্যৰ নতুন-ভাণ্ডৰ, জনাজাত নাইবা একেবাৰে সাধাৰণ কৰ্মী পৰ্যান্ত সকলোৰে লগত মধুৰ, সৰল, বিনয়ী ব্যৱহাৰ তেওঁ কৰিছিল। একেবাৰে সাধাৰণ বেশভূষাত সাধাৰণ মানুহৰ চাল-চলনেৰে তৎক্ষণাত আকৰ্ষণ কৰিব পৰা এক অভিনৱ ব্যক্তিত্ব—য'ত মুখৰ কথা, মনৰ চিন্তা, হৃদয়ৰ অনুভূতিৰ লগত কৰা কাম-বনৰ এক নিবিড় সমন্বয় থকা এক অখণ্ড ব্যক্তি-সত্তাৰ অধিকাৰী হিচাপে তেওঁৰ সান্নিধ্যলৈ অহা যিকোনো একেজনৰ পবিত্ৰ নোহোৱাকৈ নাথাকে।

জ্যোতি প্ৰসাদৰ জীৱন-দৰ্শন, শিল্প-সাধনা আৰু তেওঁৰ বাস্তৱ-জীৱন, যবুৱা-জীৱন যাত্ৰাৰ লগত সততা আৰু নিষ্ঠাৰ সমন্বয় সাধনাৰ মাজেদি তেওঁৰ ব্যক্তিত্বক এক অভাৱনীয় মহত্ব দান কৰিছে—যাৰ বাবে তেওঁৰ জীৱনৰ বিশেষকৈ অন্তিম কালছোৱাত তেওঁৰ আত্মীয় পৰিয়ালৰ মাজত অথবা অসমৰ সমসাময়িক বুদ্ধিজীৱী মহলত তেওঁৰ চিন্তা-ভাৱনা কাৰ্যকলাপ বোধগম্য নহ'ল। বৰঞ্চ সেই কালছোৱাত জ্যোতি প্ৰসাদ সেই সকলৰ মাজত প্ৰায় অপ্ৰিয় আৰু সমালোচনাৰ পাত্ৰ।

তেওঁ আছিল সফল সুৰকাৰ, নাট্যকাৰ, গীতিকাৰ, স্থাপতিবিদ, নৃত্যবিদ, কথাছবিৰ বিভিন্ন দিশৰ প্ৰতিভাৰ কৌশলি, শিক্ষক আৰু বীৰৰ জীৱত প্ৰতিমূৰ্তি — যি আছিল স্ৰষ্টা আৰু দ্ৰষ্টা আৰু যিজন লোক আছিল আমাৰ জাতীয় জীৱনৰ প্ৰতিটো অঙ্গলৈ নৱ-প্ৰাণৰ জোৱাৰ আনি দিব পৰা প্ৰেৰণাৰ উৎস।

১৯০৩ চনৰ জুনত তেজপুৰৰ থা মাহবাৰী চাহবাগিচাত তেওঁ জন্ম লাভ কৰিছিল। তেওঁৰ দেউতাকৰ নাম পৰমানন্দ আগৰৱালা আৰু মাকৰ নাম কিৰণময়ী আছিল। নৱৰংগ আগৰৱালা নামৰ এজন ব্যৱসায়ী ৰাজস্থানৰ পৰা অসমলৈ আহি অসমীয়া

ছোৱালী বিয়া কৰাই জাতে-পাতে অসমীয়া হৈ পৰে। তেওঁৰ পৰাই জন্ম হ'ল হৰিবিলাস, ধানুৰাম আৰু কালীনাথ আগৰৱালা। এই হৰিবিলাসৰ পুত্ৰ পৰমানন্দ আৰু পৰমানন্দৰে সু-পুত্ৰ আমাৰ 'জ্যোতি'। এই পৰিয়ালটোৰ পৰাই অসম মাতৃয়ে আৰু দুটি সু-পুত্ৰ পাইছিল— এজন চন্দ্ৰকুমাৰ আগৰৱালা আৰু আনজন আনন্দচন্দ্ৰ আগৰৱালা। তেওঁলোক দুয়োজনে অসমীয়া ভাষাজননীক বিভিন্ন পাদ্য-অৰ্ঘ্যৰে সেৱা জনাইছিল। তেওঁলোকৰ বাবেই পোহৰত অসমীয়া ভাষা-সাহিত্য উজ্জ্বল হৈ উঠিছিল।

জ্যোতিৰ স্কুলীয়া জীৱন ডিব্ৰুগড় আৰু তেজপুৰত শেষ হয়, জ্যোতিয়ে সাত বছৰ বয়সতে তেজপুৰ হাইস্কুলত পঢ়িছিল। কিন্তু দেউতাকে তাত তেওঁৰ পঢ়া-শুনা ভাল নহ'ব যেন দেখি ডিব্ৰুগড়ত থকা বৰদেউতাক চন্দ্ৰকুমাৰ আগৰৱালা আৰু খুৰাক আনন্দচন্দ্ৰ আগৰৱালাৰ ওচৰলৈ পঠিয়াই দিয়ে। তাৰ পিছত জ্যোতিয়ে কলিকতাত দুবছৰ কলেজীয়া শিক্ষা লৈ গুৱাহাটীলৈ উভটি আহে আৰু বৰদেউতাক চন্দ্ৰকুমাৰ আগৰৱালাৰ নিউপ্ৰেছত কিছুদিন কাম কৰিছিল। ১৯২৬ চনত তেওঁ বিলাতলৈ উচ্চশিক্ষাৰ বাবে যায়, কিন্তু সঙ্গীতৰ প্ৰতিহে তেওঁৰ গভীৰ ধাপ আছিল। সেয়ে এম, এ পঢ়া বাদ দি সঙ্গীতৰ অধ্যয়নত লাগে। তেওঁ লণ্ডন আৰু বাৰ্লিনত কথাছবি শিল্পৰ বিষয়ে অধ্যয়ন কৰে। কথাছবিৰ প্ৰযোজনা আৰু পৰিচালনাৰ বিষয়েও জ্ঞান লাভ কৰে। ইয়াৰ পাছত তেওঁ ইউৰোপৰ নানা ঠাইত ভ্ৰমণ কৰি অসমলৈ উভটি আহে। বহুদিন বিদেশত থাকিলেও জ্যোতি প্ৰসাদ নিভাঁজ অসমীয়া হৈয়ে থাকিল।

জ্যোতি প্ৰসাদে অসমীয়া জাতিৰ প্ৰতি বহুতো অৱদান দি থৈ গৈছে। তাৰ ভিতৰত তলত উল্লেখ কৰা কেইটাই যথেষ্ট বুলি কব পাৰি—

[ক] ভাষা-সাহিত্য ঃ জ্যোতি প্ৰসাদ আগৰৱালাৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি তেখেতৰ ভাষা ব্যৱহৃত হোৱা সাহিত্যৰ বিষয়ে বিভাগ কেইটা নিৰ্দ্দিষ্ট কৰি লব লাগিব। 'জ্যোতি প্ৰসাদ ৰচনাৱলী'ৰ (১৯৮১) সম্পাদনা সমিতিয়ে প্ৰধানকৈ তেখেতৰ ৰচনা সমূহক ১) নাটক ২) গল্প আৰু উপন্যাস, ৩) প্ৰবন্ধ ৪) গীত ৫) কবিতা ৬) শিশু সাহিত্য আৰু ৭) জীৱনী – এই সাতটা ভাগত ভগাইছে। আমি প্ৰত্যেক বিভাগৰ সাহিত্যত ব্যৱহৃত ভাষাৰ বিষয়ে আলোচনাৰ আভাস এটি দিবলৈ যত্ন কৰা উচিত।

সাহিত্যিকে মনত অনুভৱ কৰা বাক্য কিছুমান পাঠকক কবলৈ সাহিত্য লিখে। সাহিত্য লিখোতে কিন্তু কেৱল কোৱাতেই নহয়, কোৱা কথাখিনিৰে সাহিত্যিকজনে ভবাৰ দৰে পাঠকক ভবাবলৈ, তেওঁ উপলব্ধি কৰাৰ দৰে উপলব্ধি কৰাবলৈ, তেওঁ অনুভৱ কৰাৰ দৰে অনুভৱ কৰিবলৈ চেষ্টা কৰে। এই চেষ্টাত সাহিত্যিকৰ একমাত্ৰ সঁজুলি হৈছে ভাষা। ভাষা মানে হৈছে কিছুমান উক্তি, যিবোৰ কিছুমান সাৰ্থক শব্দৰ সাৰ্থক ক্ৰমাৱস্থান। গতিকে সাহিত্যিক এজনৰ ভাষা বিশ্লেষণ কৰোঁতে এই সাৰ্থক শব্দবোৰ বিবেচনা কৰি চাব লাগিব। তাৰ পিছতেই উক্তিবোৰ বিশ্লেষণ কৰিব লাগিব দুটা দিশৰ পৰা। প্ৰথমটো হ'ল, উক্তিবোৰত থকা শব্দৰ ক্ৰমৰ ফলত প্ৰকাশ পোৱা ব্যাকৰণ গত অৰ্থ আৰু ব্যঞ্জিত অৰ্থ।

উক্তিত শব্দবোৰ ব্যৱহৃত হয় অৰ্থবোৰ কঢ়িয়াই নি পাঠকৰ মানসিক প্ৰতিক্ৰিয়া ঘটাবৰ বাবে।



গতিকে শব্দবোৰ যিমানেই পাঠকৰ পৰিচিত হয়, সহজবোধ্য হয়, সিমানেই পাঠকৰ ওপৰত সহজে প্ৰতিক্ৰিয়া ঘটাব পাৰে, স্বাভাৱিকতে তৎসম শব্দতকৈ তদ্ভৱ শব্দই পাঠকক বেছিকৈ প্ৰতিক্ৰিয়া ঘটাব পাৰে। অকল সেয়েই নহয়, তদ্ভৱ শব্দই বেছি সংখ্যক পাঠকৰ অন্তৰ চুই যাব পাৰে, সেই কাৰণেই জ্যোতি প্ৰসাদৰ ভাষাত তদ্ভৱ শব্দৰ আধিক্য দেখিবলৈ পোৱা যায়।

নাটকীয় ভাষাত জ্যোতি প্ৰসাদে শতকৰা ৮৪ ভাগ, গল্প আৰু উপন্যাসৰ ভাষাত ৯৪ ভাগ, প্ৰবন্ধৰ ভাষাত শতকৰা ৬০ ভাগ, গীতৰ ভাষাত শতকৰা ৭৮ ভাগ, কবিতাৰ ভাষাত শতকৰা ৫০ ভাগ, শিশু সাহিত্যত শতকৰা ৯২ ভাগ তদ্ভৱ শব্দৰ ব্যৱহাৰ কৰিছিল। জ্যোতি প্ৰসাদৰ ভাষাত ব্যৱহৃত তদ্ভৱ শব্দৰ সামূহিক গড় শতকৰা ৭৬ ভাগ গল্প আৰু উপন্যাসৰ ভাষাতেই জ্যোতি প্ৰসাদে আটাইতকৈ বেছি পৰিমাণে তদ্ভৱ শব্দ ব্যৱহাৰ কৰিছিল। আনহাতে কবিতাৰ ভাষাত তদ্ভৱ শব্দৰ ব্যৱহাৰ তুলনামূলক ভাৱে কম পৰিমাণে কৰিছিল।

যদিও তথ্যসৰ্বস্ব, অৰ্থসৰ্বস্ব আৰু যুক্তিসৰ্বস্ব, তথাপি মানুহৰ অন্তৰ চুই যোৱা ভাষা ইমান নিয়মবদ্ধ হলে নচলিব। ব্যাকৰণে চুটিকৈ নোপোৱা কিছুমান কাৰণত ভাষাই এনে একোটা গঢ় লয় যি গঢ়টোৰ সমৰ্থন কৰিব নোৱাৰি।

ভাষাৰ এনেকুৱা নিজস্ব প্ৰকাশভঙ্গী আছে যিবোৰে লেখকক পাঠকৰ ওচৰ চপাই আনিব পাৰে, বিশ্বাস ভাজন কৰিব পাৰে আৰু লগতে তেওঁৰ বক্তব্যৰ উপযুক্ত প্ৰতিক্ৰিয়া কৰে। জ্যোতি প্ৰসাদৰ ভাষাত এই নিজস্ব ৰূপ বাস্তৱ হোৱা দেখা যায়। চকু চৰহা, মুখবাম, গীত-বাজ, মুখখোলা, খেলাপাত, মগ্রহথা, জেউতি চৰা আদি জতুৱা ঠাঁচ প্ৰয়োগে তেখেতৰ ভাষা হৃদয়গ্ৰাহী কৰি তুলিছে। ভাষাই যদিও কেৱল শব্দৰ সহায়েৰে অৰ্থ প্ৰকাশ কৰে, তথাপি শব্দ যোজনাৰ কৌশলৰ ফলত শব্দাতীত অৰ্থবো সৃষ্টি কৰিব পাৰে। অলঙ্কাৰ শাস্ত্ৰত ইয়াক ব্যঞ্জনা বুলি কোৱা হয়। শব্দৰ আভিধানিক অৰ্থ বা অভিধানিক অৰ্থৰ লগত সম্পৰ্ক নথকা যদি কোনো অৰ্থ প্ৰকাশ কৰে, সেই অৰ্থকে ব্যঞ্জনা বোলা হয়। সাহিত্যিক ভাষাৰ প্ৰধান উপজীব্য হৈছে ব্যঞ্জনা। জ্যোতি প্ৰসাদক ভাষা ব্যঞ্জনাৰে সমৃদ্ধ বুলিব পাৰি। ব্যঞ্জনাৰ সহায়ত অতি কম শব্দৰে অতি বেছি শব্দ মনত বক্তাকৈ প্ৰকাশ কৰিব পাৰি। আমি সকলোৱে জানো যে—প্ৰিয়জনক চুমা খোৱা আৰু সেই চুমা খোৱাৰ লগত মৰণৰ কোনো সম্পৰ্ক নাই। আনহাতে নৈ বা নিজৰাৰ পানী বৰ্তে যি চুৰলীয়া পাক পানীয়ে লয়, সেই পকনীয়াৰ পানীখিনি পাক লৈ লৈ নদয় ভাগলৈ যায়। আকৌ চুমা খোৱা কাৰ্য্য সদায় হৃদয়ৰ সমস্ত আবেগ ঢালি কৰা হয়। প্ৰত্যেকে হৃদয়ৰ সমস্ত আবেগ ঢালি আনন্দৰে সেৱালিয়ে নিজৰাৰ পানীয়াত পৰি মৰিল বুলি কলে যি অৰ্থ প্ৰকাশ হলহেঁতেন, সেই অৰ্থ সাধাৰণতে সকলোৱে কোৱা ভাষা হলহেঁতেন, কিন্তু সেই ভাষাত বক্তাৰ আবেগখিনি প্ৰকাশ নাপালেহেঁতেন। সেৱালিয়ে আত্মহত্যা কৰাৰ পিছত সুন্দৰৰ মুখত যি বাক্যটি দিছে, সেই বাক্য ব্যঞ্জনাৰে অভিবিত্ত হোৱাত আমি আশা কৰাতকৈও বেছি অৰ্থ প্ৰকাশিত হৈছে। সুন্দৰে কৈছে, "মোৰ কাৰণে— অ' মোৰ কাৰণে তই হাঁহি মুখে চাকনৈয়াক চুমা

খালি।

ভাষাৰ উদ্দেশ্য যদি প্ৰণালীবদ্ধ যথেষ্ট ধ্বনি উচ্চাৰণৰে সেই ভাষা-ভাষী সমাজৰ লোকসকলৰ মনত প্ৰতিক্ৰিয়া সৃষ্টি কৰাটোৱেই হয়, তেন্তে আমি একে আষাৰে কব পাৰো যে জ্যোতি প্ৰসাদৰ ভাষাই সেই কাৰ্য্য সাধনত কৃতকাৰ্য্য হৈছে। অকল কৃতকাৰ্য্য হোৱাই নহয়, কোনো লোকে যদি নিজৰ বক্তব্য পাঠকসকলৰ মন ছুই যোৱাকৈ প্ৰকাশ কৰিব খোজে, তেনেলোকৰ বাবে আদৰ্শ স্বৰূপ হৈ আছে।

(খ) কলা-সংস্কৃতি : এক বিমূৰ্ত্ত সৌন্দৰ্য্য দৃষ্টি জ্যোতি প্ৰসাদৰ কলা-সংস্কৃতি-তত্ত্বৰ পৰিচালিকা শক্তি। সেয়ে তেওঁৰ কলা-সাংস্কৃতিক চিন্তাধাৰা কান্তি চেতনাৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাজনীতিৰ পৰা আঁতৰলৈকে সংস্কৃতি দৃষ্টিৰ প্ৰতিফলন দেখিবলৈ পোৱা ভাববাদী দৃষ্টি-ভঙ্গীৰ পৰিপ্ৰেক্ষিতত তেওঁৰ জীৱন দৰ্শন হৈছে সুন্দৰৰ আৰাধনা আৰু এই সুন্দৰ মানৱ জীৱনৰ যোৰ বাস্তৱ আৰু বাস্তৱৰ, দৃশ্যবস্তুৰ দোষ ত্ৰুটী, অভাৱ দুৰ্বলতা-নিৰোধি কৰিয়েই উদ্ভাসিত হয়। এই সুন্দৰৰ আৰাধনাকে তেওঁ জীৱনৰ ধৰ্ম বুলি মনে-প্ৰাণে বিশ্বাস আৰু গ্ৰহণ কৰিছে। কিন্তু এই সুন্দৰে যি বস্তু সত্তাক আশ্ৰয় কৰি তাৰ সকলো ঐশ্বৰ্য্য আলোক বিকীৰণ কৰে সেই বস্তু সত্তা ৰূপ সত্তা হোৱাৰ প্ৰথম চৰ্ত্ত হৈছে সামাজিক প্ৰয়োজনীয়তা। সেয়ে সামাজিক প্ৰয়োজন নাথাকিলে কোনো কলা সম্পদ স্বীকৃত হব নোৱাৰে ; গতিকে সমাজ বিবৰ্ত্তনৰ পটভূমিত কলা সম্পদৰ মূল্য উদ্ঘাটন কৰিব লাগিব। জ্যোতি প্ৰসাদে সমাজ বিবৰ্ত্তনৰ লগত সঙ্গতি ৰাখি কলা-সংস্কৃতি বিচাৰ কৰি কালিকালৰ এনে এক সভ্যতাৰ কল্পনা কৰিছে, যাক তেওঁৰ গতি উপলব্ধি আৰু কাল্পনিক বিলাস বুলি অভিহিত কৰিব পাৰি।

সুন্দৰৰ উপলব্ধি মনৰ কাম, দ্ৰষ্টা আৰু স্ৰষ্টাৰ নিজৰ নিজৰ অন্তৰ ইয়াৰ মাপকাঠি। বস্তুৰ কৰ্ম বা ৰূপৰ মাজেদি তাক প্ৰকাশ কৰিব লাগে। সৌন্দৰ্য্যৰ অভিব্যক্তি ঘটিলে একোটা কৰ্মৰ বস্তুসত্তা ৰূপসত্তা বা কলাসম্পদ হয়। "আদিম মানুহে পৃথিৱীত থিয় হৈয়ে আৰম্ভ কৰিলে তাৰ সৌন্দৰ্য্যৰ। পুজ সি তাৰ মুখ ধুনীয়া কৰিবলৈ সানিলে ৰং। তাৰ চিকাৰৰ অস্ত্ৰ ধনু-কাড়ত আঁকিলে কৰণে চৰাইক বিচিত্ৰ পাখি"। আদিম মানুহৰ কলা সৃষ্টিৰ প্ৰক্ৰিয়াত কিছুমান অলৌকিক বিশ্বাস থাকিলেও, সেইবোৰৰ সামাজিক প্ৰয়োজনৰ লগে লগে জ্যোতি প্ৰসাদে প্ৰধানকৈ নিজৰ কান্তি চেতনাৰ দৃষ্টিৰে এই প্ৰক্ৰিয়াক সৌন্দৰ্য্য সৃষ্টিৰ মূল প্ৰেৰণা হিচাপে দেখিবলৈ পাইছে। বাস্তৱ ক্ষেত্ৰতো জ্যোতি প্ৰসাদে সঙ্গীত-নৃত্য আদি ৰচনা কাৰ্য্যত নতুন ধ্যান-ধাৰণাৰে নিজৰ অতীত ঐতিহ্যৰে সুৰ, ছন্দ, ভংগী আদিক ৰূপান্তৰ কৰিছিল অথবা বৰ্জন গ্ৰহণৰ নীতিৰে কলা-সম্পদৰ নৱৰূপ দিছিল।

জ্যোতি প্ৰসাদেও কলা-সম্পদৰ এই দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিচাৰ কৰি চাই দেখা পাইছে যে সমাজৰ ৰুচি বোধে অতীতৰ গতানুগতিক কলা-সম্পদক আকোঁৱালি ধৰি নাথাকে, কালৰ পৰিবৰ্ত্তনৰ লগে লগে তাক নতুনকৈ বিচাৰ কৰি চাব খোজে। ৰুচিৰ কোনো মাপকাঠি নাই আৰু এইটোও সত্য যে সকলো মানুহেই নিজৰ শিল্পীৰূপ উপলব্ধি কৰি স্ৰষ্টা শিল্পীৰ লগত একে শাৰীতে থিয় নহয়। গতিকে কলা-সম্পদৰ সামাজিক স্বীকৃতিৰ বাবে ইয়াৰ বিষয়, কৰ্ম আৰু আঙ্গিকো গ্ৰহণযোগ্য হব লাগিব। গতিকে কালৰ পৰিবৰ্ত্তনৰ লগে লগে এইবোৰকো পৰিবৰ্ত্তন নৱৰূপ দিব লাগিব। জ্যোতিৰ ধাৰণাত সাংস্কৃতি ৰূপান্তৰোদ স্থায়ী হয় আচলতে ৰূপান্তৰ হয় আচৰেহে, শিল্পৰ অন্তৰ্নিহিত গুণাৱলীৰ নহয়।

জ্যোতি প্ৰসাদৰ মতে "সাংস্কৃতিৰ নীহাৰিকাৰ ৰূপৰ" জন্ম হয় মানুহৰ সৌন্দৰ্য হেপাহৰ পৰা। সৌন্দৰ্য হেপাহ মনৰ বৃত্তি আৰু ই মনকেই উৎকৰ্ষ ঘটায়। সেয়ে মনৰ উৎকৰ্ষণেই সাংস্কৃতি। মনৰ উৎকৰ্ষণ মানে এটা উৎকৰ্ষৰ পৰা, শুৱন পৰা আন এটালৈ, আৰু তাৰ পৰা আন এটালৈ হোৱা পৰিবৰ্ত্তন।

সংস্কৃতিৰ নৱৰূপ প্ৰসঙ্গত জ্যোতি প্ৰসাদে জাতীয়তাবাদৰ পৃষ্ঠপোষকতা কৰিছে। কিন্তু এই জাতীয়তাবাদ উগ্ৰ অন্ধ জাতীয়তাবাদ নহয়, আন্তৰ্জাতিকতাবাদলৈ উত্তৰণৰ মূল ভেটি। বৰ্ত্তমান সময়ত বিজ্ঞানৰ প্ৰগতিৰ লগে লগে সাহিত্য, চিত্ৰ, বৈজ্ঞানিক গৱেষণা আদি সকলোতে আন্তৰ্জাতিক সমন্ধ অপৰিহাৰ্য হৈ পৰিছে।

জ্যোতি প্ৰসাদৰ শিল্পী সভ্যতাৰ ধাৰণা তেওঁৰ অতি উপলব্ধিৰে। কিয়নো চৰম স্তৰ এটাৰ কল্পনা মধুৰ হলেও অবাস্তৱ আৰু ইতিহাস বিৰুদ্ধ কথা। সামাজিক প্ৰগতিৰ যি কথা ইতিহাসে সামৰি লৈছে, তাৰ পৰা দেখা যায় যে যুগে যুগে সমাজৰ পৰিবৰ্ত্তন হৈ আছে আৰু যি কোনো স্থৱিৰ অৱস্থাই সমাজক গ্ৰাস কৰি পেলাব। জ্যোতি প্ৰসাদৰ এই ধৰণৰ উপলব্ধি সম্ভৱ সকলো তেওঁ সুন্দৰক প্ৰতিষ্ঠা কৰাৰ ধাৰণাতে জন্ম হৈছে। সেয়ে তেওঁ বিশ্ব-সংস্কৃতিৰ পথাৰে পথাৰে বলি-চুকুৱা বুটলি আহি ভাৰতীয় ঐতিহ্যৰ আধ্যাত্মিক চেতনাৰ সাৰ্থকতা বিচাৰি পাইছে আৰু "দেৱম্ ভূত্বা দেৱেন যজেৎ" দেৱতা হৈহে দেৱতা পূজা কৰিব লাগে—এনে আদৰ্শহৰে সুন্দৰৰ আৰু শিল্পীৰ ধাৰণা কৰিছে।

[গ] নাট্য সাহিত্য :— স্বাধীনতা আন্দোলনে ভাৰতবাসীক এক নতুন পথৰ ইংগিত দিলে। সেইটো হৈছে সামগ্ৰিক সংহতি আৰু আত্মবোধ। সকলোৱেই উপলব্ধি কৰিলে যে জটিল পৰিমণ্ডলত সামগ্ৰিক জীৱনবোধৰ সমাজ আৰু শুদ্ধ ৰূপায়ণ হলেহে যিকোনো শিল্প কৰ্মই জনমানসত নিজৰ চিহ্ন পকৈ অংকিত কৰিব পাৰিব। নাটকৰ ক্ষেত্ৰতো বৈচিত্ৰৰ প্ৰয়োজন। নাটক কেৱল বুদ্ধিদীপ্ত হলেই নচলিব। ইয়াৰ কাহিনী, উপস্থাপন ৰীতি, অভিনয় ধাৰা, উত্তেজনা তথা কৌতুহল, চৰম অৱস্থা আৰু পৰিণতি সুনিপুণ সূত্ৰেৰে সংগ্ৰহিত হৈ জনতাৰ দৰবাৰত থিয় হলেহে সক্ষম হব লাগিব। বলিষ্ঠ জীৱনাদৰ্শৰ জনক জ্যোতিপ্ৰসাদ আগৰৱালা।

দ্বিতীয় মহাযুদ্ধৰ আৰু বিয়াল্লিশৰ আন্দোলনে জ্যোতিপ্ৰসাদক নতুন মনোভাৱেৰে নাট লিখিবলৈ অনুপ্ৰেৰণা যোগালে। পূৰ্ববৰ্তী ভাবোদ্দীপক ছত্ৰছায়া পৰিহাৰ কৰি প্ৰথম বাস্তৱমুখী ক নাটক ৰচনা কৰিছিল। সুপৰিচিত জীৱনৰ অন্তৰংগ সমাজ চেতনাক লৈ ৰচিত 'লভিতা' নাটকখন জ্যোতি প্ৰসাদৰ কালজয়ী সাহিত্য। "লভিতা" ঠিক পৰিচিত ধৰণৰ ৰাজনৈতিক প্ৰচাৰাক্ৰান্ত নাটক নহয়, ইয়াৰ আংগিক নৈপুণ্য উপস্থাপন পদ্ধতি সম্পূৰ্ণ বেলেগ। বিয়াল্লিশৰ কালৰ পৰা নাটকখন অনুপ্ৰাণিত, কিন্তু অত্যাচাৰী ইংৰাজ শোষকৰ বিৰুদ্ধে এটা গণ-বিক্ষোভ সৃষ্টি কৰাই জ্যোতিপ্ৰসাদৰ এক-

মাত্ৰ উদ্দেশ্য নাছিল এই নাটখন তেওঁ ৰচনা কৰিছিল নিশ্চিতভাৱে সমাজতান্ত্ৰিক আদৰ্শৰে—য'ত বহুজনৰ সমস্যাই অগ্ৰভাগ পাইছিল। স্বাধীনতাৰ মাজেদি জনসাধাৰণেও নতুন জীৱনবোধ বিচাৰিছিল। লভিতা নাটকৰ উদ্দেশ্য সুদূৰপ্ৰসাৰী। ইয়াৰ মাজেদি প্ৰসাৰিত হৈছে নতুন ভাবধাৰা। জ্যোতিপ্ৰসাদৰ লভিতাই আজিৰ নাট্যকাৰসকলকো অনুপ্ৰাণিত কৰিলে। সাধাৰণ মানুহৰ মাজতো যে মানৱতাবোধ প্ৰবল, সেই চিন্তা প্ৰক্ৰিয়াই পৰৱৰ্তী নাট্যকাৰসকলৰ নৱ-নাট্যিক ৰূপকল্পত বিস্তাৰ কৰিলে।

জীৱনৰ সৰ্বোত্তম প্ৰবাহক গীতৰ সংযোগে মানুহক যে সক্ৰিয় কৰি তোলে, সেই কথা জ্যোতি প্ৰসাদৰ জনা আছিল। তেওঁৰ প্ৰায় বিলাক নাটকতে মনৰ নিভৃততম ভাব-ছন্দ গীতৰ মাজেদি ব্যক্ত হৈছে। প্ৰকৃততে জ্যোতি প্ৰসাদ অসমীয়া আধুনিক নাট্য-আন্দোলনৰ প্ৰধান পুৰুষ ৰূপে সৰ্বজন স্বীকৃতি লাভ কৰিলে। তেওঁৰ পৰিপুষ্ট চিন্তা-শক্তি, পৰিণত নাটকবোধ, সুগঠিত ভাষা প্ৰয়োগ অন্তৰ্নিহিত মানসিক ভাবানুভূতি হৈ পৰিল সমকালীন নাট্যকাৰসকলৰ গ্ৰহণীয় দৃষ্টিভংগী; ফণী শৰ্মা আৰু বিষ্ণু ৰাভাৰ জীৱন ৰথত জ্যোতিপ্ৰসাদৰ ধাৰা অবিচ্ছিন্ন ভাৱে স্বৰ্ণীভূত হয়।

জ্যোতি প্ৰসাদে তেওঁৰ প্ৰথমখন নাট "শোণিত-কুঁৱৰী" ৰচনা কৰিছিল। সেই সময়ত তেওঁৰ বয়স চৈধ্যৰ পৰা-ওঠৰ। নাটখনৰ নাম তেতিয়া আছিল দানৱ-নন্দিনী, অৰ্থাৎ বাণাসুৰৰ জীয়াৰী। জ্যোতি প্ৰসাদে যে কেৱল তেওঁৰ নাটখনৰ নাম সলনি কৰি "শোণিত কুমাৰী"ৰ পৰা শোণিত কুঁৱৰী কৰিছিল এনে নহয়, তেওঁ আনকি নাটখনৰ গীতবোৰৰ সুৰৰ সলনি কৰি সিবোৰত অসমীয়া পুৰণি থলুৱা গীতৰ সুৰাৰোপ কৰিছিল। "গছে গছে পাতি দিলে ফুলৰে শৰাই" আদি কথাৰে যি গীতটো থলুৱা অসমীয়া সুৰেৰে কৰা প্ৰথম গীত, আৰু যিটো গীতে আধুনিক গীতত এক নতুন ধাৰাৰ সূচনা কৰি অসমীয়া সংগীত জগতত এক বিপ্লৱৰ সৃষ্টি কৰিছিল—সেই গীতটো আছিল জ্যোতিপ্ৰসাদৰে অৱদান।

জ্যোতিপ্ৰসাদে প্ৰথমতে পৰীক্ষামূলক ভাৱে গীতবোৰ বৰগীত, বনগীত, বিহুগীত, বিয়ানাম, আইনাম আদিৰ সুৰ মিলাই, যিটো সুৰ তেওঁ ভাল পাইছিল, সেইটো সুৰেৰে সংশ্লিষ্ট গীতটোৰ সুৰ-সংযোগ কৰিছিল। জ্যোতি প্ৰসাদৰ শোণিত কুঁৱৰী নাটখনৰ সময়ে সময়ে সাল-সলনি কৰা হৈছিল আৰু একেবাৰে হাত পকা গীতবোৰো সলনি কৰা হৈছিল। শেষত ১৯২৫ চনত তেজপুৰৰ বাণ ৰঙ্গমঞ্চত নাটখন মঞ্চস্থ কৰোতে ই প্ৰতিজন শিল্পীৰ আৰু অসমীয়াৰ মন মুহি নিছিল। ১৯৫৪ চনত অনুষ্ঠিত সৰ্বভাৰতীয় সংগীত নাটক একাডেমী প্ৰতিযোগিতাত গীত-ধৰ্মী নাটৰ ভিতৰত এই নাটখনে অন্যতম শ্ৰেষ্ঠ নাটৰ সন্মানো লাভ কৰিছিল।

জ্যোতি প্ৰসাদৰ দ্বিতীয় নাট "কাৰেঙৰ লিগিৰী" অসমীয়া নাট্য-জগতৰ এক শ্ৰেষ্ঠ কীৰ্তি। ভাৰত-ত্যাগ আন্দোলনৰ পটভূমিত ৰচনা কৰা জ্যোতি প্ৰসাদৰ শেহতীয়া নাট "লভিতা" হ'ল অসমীয়া জীৱন আৰু বিগত মহাযুদ্ধৰ ঘটনাবহুল সময়ছোৱাৰ এক নিৰ্ভৰযোগ্য চিত্ৰায়ণ। অসমী আইৰ প্ৰিয় সন্তান জ্যোতি প্ৰসাদে এইদৰে একাধাৰে মহৎ নাট্যকাৰ আৰু সংগীতজ্ঞ ৰূপে মানুহৰ অন্তৰত



চিৰস্মৰণীয় ৰূপে নিজকে সু-প্ৰতিষ্ঠিত কৰি থৈ যায়।

**[খ] বোলছবি আৰু জাতি গঠন :—**

ভাৰতত বোলছবিৰ প্ৰথম প্ৰচলন হয় ১৯২৮ চনত আৰু ইয়াৰ মাত্ৰ ছয় বছৰ মানৰ পিছতে অৰ্থাৎ ১৯৩৫ চনত জ্যোতি প্ৰসাদে প্ৰথম অসমীয়া পূৰ্ণদৈৰ্ঘ্যৰ ছবি "জয়মতী" সৃষ্টি কৰিছিল। তেওঁ হ'ল অসমীয়া কথাছবিৰ জনক।

ভাৰতীয় চলচ্চিত্ৰ জগতত জ্যোতি প্ৰসাদৰ "জয়মতী" এক অনন্য অৱদান। তেওঁৰ দ্বিতীয় ছবি "ইন্দ্ৰমালতী," অসমীয়া কথাছবি শিল্পলৈ তেওঁৰ বহুমূলীয়া দান। জ্যোতি প্ৰসাদে তেওঁৰ ভোলাগুৰি বাগিছাত কথাছবিৰ বাবে 'ষ্টুডিঅ' খুলি লৈছিল। সেইদিনত এনে কাম কৰাটো দুঃসাহস বুলি কব লাগিব। "জয়মতী" আৰু "ইন্দ্ৰমালতী" উলিয়াওতে তেওঁ নানা কষ্ট আৰু আৰ্থিক অনাটন ভোগ কৰিব লগা হৈছিল। "জয়মতী" উলিওৱাৰ সময়তে তেওঁ পিতৃ আৰু মাতৃক হেৰুৱাব লগীয়া হয়। তথাপিও এই অসুবিধাবোৰে তেওঁৰ উদ্দেশ্য সাধনত বাধা দিব পৰা নাছিল। সকলো কষ্ট উপেক্ষা কৰি তেওঁ নিজ উদ্দেশ্যত একাগ্ৰচিত্তীয়াকৈ লাগি আছিল। জ্যোতি প্ৰসাদৰ আদৰ্শই পিছত বহুকেইজনক কথাছবি উলিওৱাত উৎসাহ-অনুপ্ৰেৰণা যোগাইছিল। তেওঁ 'আমাৰ গাওঁ' নামৰ আন এখন কথাছবি উলিয়াবলৈ যত্ন কৰিছিল। কিন্তু মৃত্যুৱে সেই হাবিয়াস পূৰ্ণ নকৰিলে। "জয়মতী" কথাছবিখনৰ দৃশ্যসজ্জা আৰু বচন-ভংগী যাতে নিখুঁত হয় তাৰ বাবে জ্যোতি প্ৰসাদে অতীত অসমীয়া সমাজৰ লগে লগে সেই সময়ৰ স্থাপত্য আৰু বচন-ভংগীৰ অনুধাৱন কৰিছিল—কঠোৰ অধ্যৱসায়েৰে। শিল্প জীৱনৰ প্ৰতি দায়বদ্ধ জ্যোতিপ্ৰসাদে "জয়মতী" আৰ্থিক ক্ষতি সত্বেও পৰৱৰ্তী ছবি ইন্দ্ৰমালতীৰ ক্ষেত্ৰতো কোনো প্ৰসঙ্গতে আপোচ নকৰিলে বা দৰ্শকৰ মনোৰঞ্জনৰ বাবে চলচ্চিত্ৰ চিন্তা বা সৃজনশীল দৃষ্টিভংগীক বিসৰ্জন নিদিলে। জ্যোতি প্ৰসাদৰ চলচ্চিত্ৰ সৃষ্টি আৰু চিন্তাৰ সাৰ্বজনীনতাই আন্তৰ্জাতিক চেতনাৰ পৰিচয় বহন কৰে। জ্যোতিপ্ৰসাদৰ শিল্প-চিন্তা মহান।

'জয়মতী' কথাছবিয়ে সাফল্য লাভ কৰিলে। কিন্তু আৰ্থিক দিশত তেওঁক তেনেই দুখলা কৰিলে। তথাপি তেওঁ নিৰাশ নহৈ অসমৰ দ্বিতীয় কথাছবি "ইন্দ্ৰমালতী" ৰাইজৰ আগলৈ উলিয়াই জ্যোতিয়ে তেওঁৰ দ্বিতীয় উপহাৰ ৰাইজক দিলে।

অসমৰ ভৌগোলিক সীমাৰ মাজত বসবাস কৰা খিলঞ্জীয়া আজিৰ অসমৰ সমূহ জনগণৰ গাঁথনিৰ স্বৰূপটো অনুধাৱন কৰিলেই বুজিব পাৰি যে আদিৰে পৰা বসবাস কৰা জনগোষ্ঠীৰে লগতে উত্তৰ-পূব-দক্ষিণ-পশ্চিমৰ পৰা অহা নানা জাতি-উপজাতি মিলি যে পাহাড়ী, ভৈয়ামী নানা সম্প্ৰদায়ৰ, নানা ধৰ্মৰ সমন্বয়ৰ মাজেৰে এক বৈশিষ্ট্যপূৰ্ণ সাংস্কৃতিক ৰূপ লৈছে। একোটা সময়ত একোখন দেশৰ একোটা জাতিৰ ওপৰত বাহিৰা প্ৰভাৱ পৰেহি। বাহিৰা প্ৰভাৱৰ হেঁচাত কেতিয়াবা সেই জাতিৰ নিজত্ব বা অস্তিত্ব হেৰাই যায়। নানা জাতি-উপজাতিৰ বিষয়-বস্তুৰ সমন্বয়ৰ যোগেদি একোটা জাতিৰ সাংস্কৃতিক মান বঢ়াব পাৰি। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ মতে মানৱ সাংস্কৃতিৰ দুটা ভাগ। এটা হৈছে অন্তৰৰ ভাগ আৰু আনটো হৈছে বাহিৰ ভাগ। অন্তৰৰ ভাগ

প্ৰকাশ হয় আধ্যাত্মিক উপলব্ধিত, মানসিক উৎকৰ্ষণত। বাহিঃ সংস্কৃতি প্ৰকাশ পায় বাস্তৱ জীৱনৰ চিন্তা-কৰ্মৰ যোগেদি।

**আত্মৰতি :—** জ্যোতি প্ৰসাদৰ নশ্বৰ দেহা প্ৰকৃতিৰ লগত মিলি যোৱাৰ আজি প্ৰায় তিনি দশকতকৈও অধিক কাল হৈ গ'ল। তথাপি তেখেতৰ লিখনীসমূহ কালৰ বুকুত বিলীন হৈ যোৱা নাই। যিমানে দিন গৈছে জ্যোতি প্ৰসাদ সম্পৰ্কে সিমানে আমাৰ কৌতূহল ক্ৰমাৎ বাঢ়ি গৈয়ে আছে। কিছুমান আধুনিক গীত বা বোলছবি গীত সময়ত চমকপ্ৰদ যেন অনুমান হলেও পিছত দেখা গৈছে যে সি স্থায়ীত্ব লাভ কৰিব পৰা নাই, কালৰ বুকুত লয় পাইছে। কিন্তু জ্যোতি প্ৰসাদৰ গীত এতিয়াও ম্লান হোৱা নাই।

"... ... এটা আদৰ্শ লৈ মৰাটো সহজ, বাচি থকাটোহে টান। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ সমগ্ৰ জীৱন-দৰ্শনৰ পথ পৰিক্ৰমাৰ আদিৰ পৰা অন্তলৈকে সত্য বুলি প্ৰমাণিত হৈছে। জ্যোতিঃপ্ৰসাদে সতীৰ্থসকলৰ সৈতে আজীৱন কাল সত্যৰ সন্ধানত সংগ্ৰাম অৰণ্যত বনবাস, কাৰাবাস খাটি মৰণ শয্যাত বুকুত যুগজয়ী গীতা শাক্ৰম্বন লৈ শেষ-নিশ্বাস পৰিত্যাগ কৰি মংগলময় জীৱনৰ মধুৰ অথচ সফল এটি অধ্যায়ৰ সামৰণি মাৰিলে।"

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ মৃত্যুত তেখেতৰ প্ৰিয়তম 'বিষ্ণু'— বিষ্ণু প্ৰসাদ ৰাভাই আবেগ বিহ্বল ভাষাৰে কৈ গ'ল — 'আঠ চল্লিছ বছৰ বয়সতে দধীচিৰ দৰে অগ্নিতপ্ত শৰীৰে, হিমালয়ৰ দৰে চিৰ-উন্নত শিৰ, প্ৰশান্ত মহাসাগৰৰ দৰে প্ৰশান্ত হৃদয় যাৰ, সেই অসমৰ চিৰ আপোন কবি, গায়ক, চিত্ৰকৰ, নৰ্তক, অভিনয়, বোলছবি নিৰ্মাতা, সাহিত্যিক, দূৰদ্ৰষ্টা ঋষি জ্যোতি প্ৰসাদ আগৰৱালাই ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে অসমীয়াৰ পৰা, ভাৰতবৰ্ষৰ পৰা, বিশ্বলোকৰ পৰা চিৰবিদায় ললে। অতি কম দিন জীয়াই থাকি অসমীয়া জাতিক কন্দুৱাই জ্যোতি চিৰজ্যোতি ৰূপ লৈ গুচি গ'ল। তেওঁ অসমৰ সংস্কৃতিৰ যৰ নামঘৰত সোণ ৰূপৰ খুঁটি পুতি থৈ যাক অনুভূতিৰ এডাল এনাজৰীৰে বান্ধি থৈ গ'ল।

অসমৰ তথা ভাৰতৰ সংস্কৃতি জগতত জ্যোতি প্ৰসাদৰ নাম চিৰদিনলৈ জিলিকি থাকিব। যিমানেই দিন যায় সিমানেই জ্যোতি প্ৰসাদ আমাৰ চকুৰ আগত জীয়াই উঠিব, জ্যোতি প্ৰসাদ সম্পৰ্কে আমাৰ জানিবলৈ হেঁপাহ বাঢ়িব ; তেখেতৰ সম্পৰ্কে বহুতো চিন্তা-চৰ্চা হব আৰু সেয়া হলেহে জ্যোতি প্ৰসাদ মূৰ্ত হৈ উঠিব। জ্যোতি প্ৰসাদ তেখেতৰ গীতেৰে, সুৰেৰে, সংস্কৃতিৰে, সংহতিৰে আমাৰ দেশৰ নানান জাতি-উপজাতিৰ মাজত ভাস্বৰ হৈ ৰ'ব।

শেষত, মই আকৌ এবাৰ প্ৰাৰ্থনা কৰোঁ, অসম মাতৃয়ে সহস্ৰ জ্যোতিৰ জন্ম দি বিশ্বৰ দৰবাৰত ভাৰতৰ মুকুটমণি অসমক চিৰ জ্যোতিষ্মান কৰক।

———

['জ্যোতি প্ৰসাদ ৰচনাৱলী' (১৯৮১), জ্যোতি প্ৰসাদৰ বহুমূলীয়া অৱদানৰ বিষয়ে আলোচিত প্ৰথিত যশা সাহিত্যিকৰ কেইটামান প্ৰবন্ধৰ সহায়ত প্ৰবন্ধটো যুগুত কৰা হৈছে। ]



# বিষ্ণুপ্ৰসাদ ৰাভা

বনজ্যোতি গায়ন,
১১শ শ্ৰেণী

... ... 'মোৰ জীৱনৰ বোৱঁতী সুঁতি ভটিয়াইছে বয়, উজাই নবয়।'

বাম বজা হব, হিয়া আনন্দ নথকা হব! লিখা হ'ল আধা লিখা, ছবি হ'ল আধা অঁকা, তেওঁ কথাকেই কবলৈ নাপালে। আটাইতকৈ ডাঙৰ কথা, য'ত তেওঁ ভাবিছিল জীৱনটো পূৰ্ণতাৰে মণ্ডিত কৰিব পাৰিব বুলি তাতেই তেওঁ হ'ল শোচনীয় ভাবে ব্যৰ্থ।

বাটে-পথে, উৎসৱে, অনুষ্ঠানে যিজনে অগণন গুণমুগ্ধজনৰ পৰা পাইছিল শ্ৰদ্ধাৰ অকুণ্ঠ অভিনন্দন, যিজনে সৰ্বহাৰা জীৱন্মৃতসকলক উদ্ধাৰ কৰিবৰ বাবে নিজৰ জীৱন উৎসৰ্গ কৰিছিল, সেইজনৰ জীৱন শেষ হ'ল। কল্পনা কৰিছিল অলেখ কিৰা-কিৰি পূৰ্ণ কৰাৰ, কিন্তু জীৱন পাহৰ তলি উদং হৈ গ'ল কাহানিতে! সুৱদি কণ্ঠেৰে সহস্ৰ শ্ৰোতাক সংগীত মুগ্ধ কৰা অপূৰ্ব দক্ষতাৰে নিজক পৰিবেশৰ বেল খেলি পথাৰত হেজাৰ হেজাৰ ক্ৰীড়ামোদী দৰ্শকক আপোন-পাহৰা কৰি তোলা অমায়িক, সদাহাস্যমুখী, নিৰ্বাহ মানুহজন কোন?

এয়াতো কোনো নহয়। এয়া বিষ্ণু! বিষ্ণু ৰাভা আমাৰ।

উনৈশ শ ত্ৰিশ চনত কোচবিহাৰৰ পৰা বহিষ্কৃত কৰাৰ চৰকাৰী আদেশ পাই তেওঁ স্বস্তিৰ নিশ্বাস কাঢ়ি ভাবিছিল যে ভালেই হল। মোৰ মাৰি সংগ্ৰামতহে পেলালে। ইয়াৰ বিৰক্তিকৰ কাৰাজীৱা জীৱনটো পৰিহাৰ কৰাৰ এনে সুবৰ্ণ সুযোগ এনেদৰে হাতত মিলাত তেওঁ মনে মনে বৃটিছ চৰকাৰৰ প্ৰতি কৃতজ্ঞই হ'ল।

দুৰ্যোধন হাতৰ এহাতে ৰাজনীতি আৰু এহাতে সংস্কৃতি ... ... এই দুয়োবিষয়ক তেওঁৰ তত্ত্বত সমানে ওজন কৰিছিল যে কৃষক-বনুৱা আৰু নিম্নমধ্যবিত্তৰ অৰ্থনৈতিক মুক্তি অবিহনে দেশৰ ৰাজনৈতিক স্বাধীনতা অৰ্থহীন। আলৌবাৰ উপলব্ধিছিল, মাৰ্ক্সবাদৰ শিক্ষাই হল এই যে, কোনো সমস্যাৰ বিচাৰ কৰিবলৈ হলে বাস্তৱত বিদ্যমান অৱস্থাৰ পৰা তাৰ বিচাৰ আৰম্ভ কৰিব লাগিব, কোনো বিমূৰ্ত সংজ্ঞাৰ পৰা নহয়। আৰু জানিছিল, কৃষক-বনুৱা নিম্নমধ্যবিত্তৰ শক্তিহে দেশৰ চিৰন্তন শক্তিৰ উৎস।

হ'লে-ৰৰ্ষুণে, যোকাক যোকা সুৰুলি, শানীক



পানী নুবুলি, জোক-চেৰেপাৰ কামোৰ খাই তেজক পানী কৰি যিজনে আজীৱন সংগ্ৰাম কৰিলে সৰ্বহাৰাৰ বাবে আৰু যাৰ অন্তৰ নিগৰি বেদনাৰ পাৰ ভাঙি ওলাই আহিছিল :

"বল ব'ল ব'ল কৃষক শক্তিৰ দল
অ' বনুৱা সমনীয়া আগবাঢ়ি যাওঁ ব'ল।
তোৰ বাহুত আছে লুকাই অসীম শক্তিৰ বল'
কিহৰনো ভয় আছে
অভয় বাণী দেৱতাৰ
শত্ৰু চউ পাশে বয়
ধনী জমিদাৰ
শোহে কলিজাৰ বক্তা তেজ
প্ৰজা দুখীয়াৰ।
ধ্বংস কৰ ধ্বংস কৰ ধনীৰ অহংকাৰ
দয়া-মায়া নকৰিবি
আমাৰ যে দিন হ'ল।
হাল-কোৰ দা - হাতুৰী লৈ
বণলৈ যাওঁ ব'ল।"

তেওঁ আছিল কেন্দু চৰাই। নিতৌ পুৱাতে নিদ্ৰিত জনক জগোৱা, সৰু সৰু নিশকতীয়াবোৰক শক্তিমন্তৰ নৃশংস অত্যাচাৰৰ পৰা ৰক্ষা কৰা। যাৰ গীতত কেৱলমাত্ৰ বিপ্লৱৰ উমাইছে প্ৰকৃত স্থান অধিকাৰ কৰিছিল, যিজনে নোকি মৃত্যু পৰ্যন্ত যুঁজিবলৈহে শিকিলে :

"সেই যে মানুহজন! সুন্দৰ মনত আছে মোৰ
তেওঁক দেখা নদিওৱা
অন্ততঃ দুই শতাব্দী হ'ল।
তেওঁ যোৱা নাছিল অশ্বাৰোহী লৈ নতুবা বথত,
দুৰন্তবোৰ পাৰ হৈছিল—
সম্পূৰ্ণ পদ-ব্ৰজে
হাতত নাছিল কোনো অস্ত্ৰ, চোকা তৰোৱাল,
কান্ধত আছিল মাথো এখন জাল
কোৰ-কুঠাৰ অথবা হাতুৰী।
স্বজাতিৰ স'ঙ্গে তেওঁৰ বিৰোধ নাছিল
সংগ্ৰাম আছিল কেৱল পানী বা মাটিৰ স'তে
শস্যৰ স'তে, যাতে সেই শস্য অন্ন হয়,
বিৰাট বৃক্ষৰ স'তে যাতে সেই বৃক্ষ অগ্নিকাষ্ঠ হয়।

ঊনৈশ শ একত্ৰিশ চনত আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ মতামতৰ বিৰুদ্ধে কাপ তুলি লৈ তেওঁ যেতিয়া অসমৰ জনগণৰ স্বাৰ্থৰ হকে যুঁজ দিছিল তেতিয়া তেওঁৰ বঙালী বন্ধু জনদিয়েকে তেওঁক 'বিভিন্নতিক' বুলি আখ্যা দিছিল, সমালোচনা কৰিছিল। কিন্তু তেওঁলোকে পাহৰি গৈছিল, অথবা সেপাহৰিলেও প্ৰকাশ্যে স্বীকাৰ কৰিবলৈ টান পাইছিল যে, সেই প্ৰচেষ্টা আছিল গণতান্ত্ৰিক, সাম্ৰাজ্যবিৰোধী জাতীয় চেতনা বিকাশৰ এক অপৰিহাৰ্য্য পদক্ষেপ। বংগত সেই চেতনাৰ বিকাশ অনুৰূপ অৱলম্বনৰ জৰিয়তেই হৈছিল। তেওঁ যি কৰিছিল সেইটোও আছিল অসমৰ সেই যুগৰ পৰিপ্ৰেক্ষিতত জনগণৰ এক ঐতিহাসিক দায়িত্বহে।

বড়োসকলৰ বিশাল ঐতিহ্যৰ প্ৰতি সাম্প্ৰতিক কালৰ মানুহৰ মন সচেতন কৰি তোলাৰ অন্তৰালত আছে বিপ্লৱী দলৰ এক অন্যতম কৰণীয় কৰ্তব্য। জনগণৰ অন্তৰত স্বাধিকাৰ চেতনা জগাই তোলা প্ৰতিজন সংগ্ৰামী কৰ্মীৰে প্ৰাথমিক দায়িত্ব। বিপ্লৱৰ সেইবোৰেই হ'ল প্ৰধান হাতিয়াৰ। সমগ্ৰ সংগ্ৰামীসকলে কিছুমান ক্ষেত্ৰত আপোচ কৰাটো আৱশ্যকীয় হৈ পৰে, কিন্তু প্ৰতিটো ক্ষেত্ৰত আপোচৰ



দ্বাৰা এটা দায়িত্ব সম্পাদিত হবই লাগিব। সেই দায়িত্ব হ'ল কৃষক-বনুৱা জন সাধাৰণৰ মনত প্ৰত্যয়ৰ ভাব জগাই তোলা। এয়া আছিল তেওঁৰ ঐতিহাসিক চেতনা আৰু সংগ্ৰামী প্ৰত্যয়ৰ মতবাদ।

যিজনে নেকি কাৰো প্ৰতি নিৰ্দেশ অথবা উপদেশ দিয়াৰ সিদ্ধান্তত উপনীত হোৱা নাছিল, যাৰ প্ৰত্যয় আছিল এখন নিৰ্ভেজাল দলিল মাত্ৰ, যাৰ প্ৰত্যয়ৰ মৃত্যু আছিল সঁচাকৈ বৰ যন্ত্ৰণাদায়ক।

যিজনে জীৱনটোৰ অন্ততঃ এটা অৰ্থ বিচাৰিছিল, যিজনে মঞ্চত গীত গাই ভৰা সভা শ্ৰোতাৰ 'বাহ বাহ' লোৱাতকৈ, অগণন সৰ্বহাৰাক পাঁতেৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ প্ৰেৰণা যোগাব, অন্ততঃ জীৱনটো জীয়াই থকা যেন লাগিব তাকেই তেওঁ বিচাৰিছিল। সংগ্ৰামক বাদ দি জীৱন এটা কটোৱাৰ কথা কল্পনাই কৰিব নোৱাৰিছিল— With me each day that dawns begins a new year :' I have no memories.'

দাৰিদ্ৰ্যই যাৰ জীৱনৰ সহচৰ, অথচ যিজনে অভাৱৰ সতে কোনোদিন সন্মুখীন হোৱা নাছিল, যাৰ বক্তৃতাত নাছিল কোনো শব্দৰ ইন্দ্ৰজাল, নাছিল কোনো বচন-ভংগীৰ চাতুৰী, যিজনে মনে-প্ৰাণে বিশ্বাস কৰিছিল— বক্তা বিপ্লৱী আত্মাৰ গৰাকী নহ'লে কোনেও শিল্পী হ'ব নোৱাৰে। নিজকে যুগ-জীৱৰ যাত্ৰী বুলিহে পৰিচিত কৰিছিল। যিজনে মাথো উচ্চৈস্বৰে গাইছিল—

মোৰ গাঁৱৰ ঘৰবোৰ
হাত বাই নেৰাই নিশ্চিহ্ন কৰি দিব পাৰা
কাঢ়ি নিব পাৰা মোৰ বীণখনি
পুৰি ছাই কৰি দিয়া তাৰ তাঁৰ আৰু অন্তৰৰ
কিন্তু
মোৰ তুমি বুদ্ধ কৰিব নোৱাৰিবা কণ্ঠ
কিয়নো এই মাটিৰ মই ভাল পাওঁ
ইয়াৰ প্ৰত্যহ বৰষুণে
মোৰ কণ্ঠ শুনে

( চালেম জুবান )

'কা খবাতি' কথাছবিৰে চিত্ৰমৰ অভিনয়ৰ বাবে যিজনে বিষ্ণু পণ্ডিত নিৰ্বাৰ প্ৰিয়বোৰ গ্যাউং ফোৰৰ মতামত পাত্ৰ হৈছিল এই বুলিহে— Only a cultured artist could be such a Lovable siem ?

কোন কোন আহিছা আইক পূজিবলৈ আইৰ পূজাৰ বেলি হ'ল ••• ••• এয়া ১৯২৭ চনতে বাভাদেৱেই প্ৰথমে জ্যোতি প্ৰসাদৰ গীত গাইছিল। জ্যোতি আৰু বিষ্ণু ••• দুয়ো আছিল অভিন্ন হৃদয়। জ্যোতি প্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' নাটৰ একমাত্ৰ সংগীত পৰিচালক আৰু 'সুদৰ্শন'ৰ ভাৱত আছিল বাভাদেৱেই। জ্যোতি প্ৰসাদৰ আটাইতকৈ প্ৰাণ ভৰি ভাল পোৱা 'সখীহে কি কম দুখৰে কথা' গীতটোৰ বচক আৰু সুৰকাৰ আছিল তেওঁৱেই।

ঊনৈশশ তেত্ৰিশ চনত। 'জয়মতী'ৰ আৰম্ভ, তাতো তেওঁ আৰু জ্যোতি প্ৰসাদেই।

অসমৰ বাইজে তেওঁক বিচাৰিছিল সাংস্কৃতিক জগতত্বহে। যাৰ সংগী হ'ব গণ-সংগীত, যাৰ কথা গণ-কলা আৰু যাৰ সাহিত্য হ'ব গণ-সাহিত্য।

যাৰ দুখনৰ নিৰ্দেশনাত নাটকত পৰিণত হৈছিল এয়া নাটিকা আছিল 'শংকৰদেৱ' আৰু 'মাধৱদেৱ'।

প্ৰশংসা পালে, শ্ৰদ্ধা-স্নেহ পালে অজস্ৰ জনৰ, বিশ্বাস, অবিচল আন্তৰিকতা দিলে অজস্ৰজনে আৰু যিজনে বুজিছিল, জানিছিল সৰ্বহাৰাৰ মুখত হাঁহি বিৰিঙাব নোৱাৰে সি একোটা শালকাঠৰ এডাৰৰ টুকুৰাই যাৰ পৰশত চিত্ত নৰশাল গুহাৰ শিৱৰ তাণ্ডৱ মূৰ্তিৰে জীৱন্ত হৈ উঠিছিল।

উনৈশ শ আঠাইশ চনত বৃহ নৃত্য পটীয়সী আনা পাভলোভাৰ সংস্পৰ্শলৈ আহে। ... পাভ্লোভাৰ শিক্ষাই তেওঁক শিক্ষা দিলে — "ভাৰতীয় নৃত্যবিদৰ গুৰুৰ প্ৰয়োজন নাই। অজন্তা পুৰণি মন্দিৰ গাত্ৰত ভগ্নাৱশেষত; অলেখ অযুত নৃত্যৰ সমল বিদ্যমান। বুটলি ল'লেই হ'ল।" হয়তো এই শিক্ষাই তেওঁক স্কেচ' অঁকাত অবিহনা যোগালে। ১৯৩৯ চনৰ ১৬ মাৰ্চৰ দিনা ঘোষ থিয়েটাৰৰ উদয়শংকৰে যাৰ 'শিৱ-তাণ্ডৱ' নৃত্য দেখি শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিছিল। এইজনা শিল্পীৰ মহানুভৱতা সচাঁকৈয়ে বিৰল।

বেনাৰস বিশ্ববিদ্যালয়ত জনৈক অসমীয়া ছাত্ৰৰ উদ্যোগত 'বিষ্ণুৰাভা নাইট' পতা হৈছিল। অথচ নাই দৃশ্যপট, নাই সংগতকাৰ। উদ্যোগীসকল হতাশ, সহায়ক সকলো বিমুখ, কিন্তু তেওঁ আছিল নিৰ্বিকাৰ। একেৰাতিয়ে দৃশ্যপট আঁকি সেইদিনা তেওঁ প্ৰাণ ঢালি নাচিছিল শিশুলীলা আৰু শিশু-তাণ্ডৱ। দৰ্শকৰ উত্তাল অভিনন্দনে উদ্যোগীসকলক উল্লাসিত কৰি তুলিছিল, হৈ পৰিছিল শিল্পী সমাজৰ 'মধ্যমণি'। বাটে-পথে; উৎসৱে, অনুষ্ঠানে অগণন গুণমুগ্ধজনে যাক জনাইছিল শ্ৰদ্ধাৰ অকুণ্ঠ অভিনন্দন।

যিজনে শেষ সংগ্ৰামী জীৱনত এক বিফলতাৰ সাত মুখামুখী হ'ল; সেয়া সচাঁকৈ নিৰ্মমতাত অতুলনীয়। যিজনে আনৰ কল্যাণৰ হকে জীৱনৰ সমস্ত সুখ-শান্তি জলাঞ্জলি দি এটা বিৰতিহীন, কষ্টকৰ, সংগ্ৰামী জীৱন আকোঁৱালি লৈছিল, যাৰ কষ্টৰ মোল নুবুজিলে কোনেও, সকলোৱেই ভুল বুজিলে, তাতকৈ নিদাৰুণ বিফলতা আছে নে তেওঁৰ জীৱনত?

যাৰ সমগ্ৰ জীৱনেই হ'ল সাধনা আৰু সংগ্ৰাম। সেই জনাই শেষ মুহূৰ্তত অভ্যাগতসকললৈ ক'দৰ তাপত লেৰেলি যোৱা সেয়া গোলাপ ফুলৰ পাহিৰ মাজৰ সৌন্দৰ্যৰ দৰে দি গ'ল আমাক এটি সৰু হাঁহি, যাৰ যাবলৈ ধৰা বেলিৰ যেন এচেৰেঙা শেষ পোহৰ!

অন্তিম শয়নত অস্ফুট বেদনাৰে যাৰ জীৱনৰ অৱসান ঘটিছিল:

'এয়ে মোৰ শেষ গান।
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান
পাতনিতে বালো যেমালি নান্দী
ভংগী নৃত্যৰ
হাঁহি বিনানিৰে তাওঁ দিলোঁ নানা
বোৱালোঁ অশ্ৰুধাৰ'। *

---

* প্ৰবন্ধটো যুগুতাওঁতে তলত উল্লেখ কৰা গ্ৰন্থৰ সহায় লোৱা হৈছে:
১। ফেৰেংগাদাও——শ্ৰীমেদিনী মোহন চৌধুৰী।
২। বিষ্ণুৰাভা, এতিয়া কিমান ৰাতি——শ্ৰীভিলাক দাস।
৩। সৈনিক শিল্পী বিষ্ণুৰাভা——ডঃ হীৰেণ গোহাঁই।



# সমাজ আৰু সংস্কৃতি

প্ৰণতি কাকতি
স্নাতক প্ৰথম বাৰ্ষিক

সংস্কৃতি হৈছে একপ্ৰকাৰ জীৱন পদ্ধতি— বুৰঞ্জী আৰু সমাজ তত্ত্বৰ তত্ত্বকথাই এইষাৰ কথাকে প্ৰমাণ কৰে। আচলতে সংস্কৃতি হৈছে সামাজিক প্ৰকাশ। কোনো-কোনোৱে সংস্কৃতি আৰু সভ্যতা দুয়োটাকে একেটা বস্তু বুলি কব খোজে। সূক্ষ্ম বুৰঞ্জী জ্ঞানে এইষাৰ কথা সমৰ্থন নকৰে। সংস্কৃতি সভ্যতা নহয়, সভ্যতাও সংস্কৃতি নহয়। সংস্কৃতি সভ্যতাৰ পটভূমিত গঢ় উঠে যদিও উক্ত পৰ্যায়ৰ সংস্কৃতিবিহীন সভ্যতাৰ উদাহৰণো ইতিহাসত নথকা নহয়। সভ্যতাৰ অৰ্থ হৈছে সুশৃঙ্খল সমাজ সংগঠন— এনে এখন সমাজ য'ত সংস্কৃতিয়ে নিৰলে গোখা মেলিব পাৰে।

মানসিক বস্তু-সত্তাৰ আৰু সুকুমাৰ কলা-বস্তুৰ সমষ্টিয়েই হৈছে সাধাৰণতে সংস্কৃতি। 'Broadly speaking, culture may be described as the sum-total of a people's achievements in aesthetics and other patterns of the mind' সমাজিক সচেতনতা হৈছে সংস্কৃতিৰ প্ৰাণ, কাৰণ সংস্কৃতিৰ জন্মস্থলী হৈছে সমাজ। সমাজৰ ভীপ লৈ সংস্কৃতি জীয়াই থাকে। ব্যক্তিৰ কলা-সৃষ্টিৰ স্পৃহা ব্যক্তিগত উদ্যোগ হব পাৰে। সেইবুলি সৃষ্ট কলা-বস্তুৰ যে এক সামাজিক দায়িত্ব আছে, সেইবোৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। সমাজৰ হৃৎপিণ্ডৰ সৈতে কোনো সম্বন্ধ নথকা সৃষ্টি বাঁজা হবলৈ বাধ্য। আচলতে সামাজিক মন আৰু শিল্প-বস্তুৰ দ্বাৰা উদ্ভাসিত কোনো সৃষ্টিৰে কেতিয়াও অসাৰ্থক হব নোৱাৰে। এনে দৃষ্টিৰে নিৰীক্ষণ কৰিলে বিষয়বস্তুৰ শিনৰ পৰা শ্লীল আৰু অশ্লীল, এনে প্ৰশ্ন উঠিব নোৱাৰে। প্ৰশ্ন হৈছে, সৃষ্ট বস্তু সুকুমাৰ কলা-সাধনাৰ শিনৰ পৰা কিমান দূৰ সাৰ্থক হৈছে। শিল্পীয়ে সমাজত আবুদাৰৰ কাম কৰে। সমাজ সৎ আৰু সুন্দৰ কৰাৰ দায়িত্ব কেৱল সমাজ-সেৱকসকলৰ ওপৰতেই নিৰ্ভৰ নকৰে,ই সংস্কৃতিৰ উপাসকসকলৰ ওপৰতো বহুখিনি নিৰ্ভৰ কৰে। যুৰত খা-লাগি গোলি যোৱা, মাখিৰে আবৰি ধৰা কুকুৰ এনে বাস্তৱ জীৱনৰ ক্ষেত্ৰত অদৰ্শ্য বস্তু। আনহাতে, যেতিয়াই ই চিত্ৰশিল্পৰ-ৰং, ৰেখা, ৰূপত সাৰ্থকভাৱে সান্নিহিত হয়, তেতিয়াই মনোৰম কলাবস্তুলৈ ৰূপান্তৰিত হয়। গতিকেই সাৰ্থক কলা-সৃষ্টি, বিষয়-বস্তু যিমানেই কদৰ্য নহওক

লাগিলে, কেতিয়াও সুন্দৰ হব নোৱাৰে।

অতি প্ৰাচীন সমাজত শিল্পী আছিল সমাজৰ, বস্তু-সমাজে শিল্পীক জীপ দি জীয়াই ৰাখিছিল। এনেকৈয়ে সমাজৰ আশা-উদ্দীপনা, অভিজ্ঞতা, শিল্পৰ বুকুত সকলোবোৰ প্ৰতিফলিত হৈছিল। এইদৰেই সমাজৰ বাস্তৱ বং শিল্পবস্তুলৈ ৰূপান্তৰিত হৈছিল। জীপ দি শিল্পীক সমাজে যেনেকৈ জীয়াই ৰাখিছিল, তেনেকৈয়ে শিল্পীয়েও চাৰুকলা সৃষ্টিৰে সমাজক জীয়াই ৰাখিছিল। এনেদৰেই সমাজ আৰু শিল্পীৰ সম্বন্ধ নিগূঢ় হৈছিল, প্ৰাণস্পৰ্শী হৈছিল। দেশে-বিদেশে প্ৰচলিত লোক-সংস্কৃতিৰ স্বৰূপ ফঁহিয়াই চালেই কথাষাৰৰ প্ৰমাণ স্পষ্ট হৈ পৰিব। প্ৰাচীন সমাজৰ প্ৰত্যেকজন কাৰিকৰেই আছিল একোজন শিল্পী-কাৰিকৰ। একোজনৰ শিল্প-সৃষ্টিৰ জৰিয়তে সমাজ একোখনৰ সাংস্কৃতিক সুৰ প্ৰস্ফুটিত হৈছিল। এনেকৈয়ে ই যুগে যুগে বুৰঞ্জীৰ সমল যোগাই আহিছে। প্ৰাচীন শিল্পী লাজতে মুহকই যোৱা কামিনীজাতীয় পদাৰ্থ নাছিল। সামাজিক-চেতনা-সম্পন্ন কোনো শিল্পীয়েই এনে হব নোৱাৰে। তেওঁৰ স্বভাৱ গজদন্ত মিনাৰত বাস কৰা তথাকথিত সুখী অথচ ক্ষুদ্ৰ ব্যক্তিমনৰ প্ৰকৃতিবিৰোধী। তলৰ কথাষাৰ সামাজিক চেতনাসম্পন্ন, সবল, সুস্থমনৰ শিল্পীৰ বিষয়ে প্ৰয়োগ কৰিব নোৱাৰি।

সমাজ-ব্যক্তি স্বৰূপে প্ৰাচীন শিল্পী আছিল সবল, সুস্থ-মনৰ সমাজৰ পৰা আঁতৰি, সমাজক অস্বীকাৰ কৰি, কুটুমবুলীয়া এখন কল্পনাৰ জগত আঁকি তেওঁ আত্মবিস্মৃত হব খোজা নাছিল। সমাজৰ কলাবোধ উদ্ৰেক কৰিবলৈ তেওঁ চেষ্টা কৰিছিল। কাৰণ, প্ৰাচীন শিল্পীৰ সমাজবোধ অধিক থকাৰ উপৰিও জীৱনৰ বাস্তৱতাই তেওঁক সমাজ সচেতন হবলৈ বাধ্য কৰিছিল। যিসকলে আজিও জীৱনৰ লৈতে খুঁজি কলা-শিল্পৰ সেৱা কৰিব লগা হৈছে, সেইসকলৰ কলা-বস্তু জীৱন বোধেৰে যে সমৃদ্ধ, সেই বিষয়ে সন্দেহ নাই। যিসকলৰ জীৱনটো সোণৰবীয়া আলি, সেইসকলৰ কথা সুকীয়া। অবাস্তৱ, অবাস্তৱ কিছুমান সৃষ্টি লৈ থাকিব পৰা শিল্পীসকলৰ আত্মবিভোৰ হৈ থাকিবলৈ সম্পদৰ কেতিয়াও অভাৱ নহয়। সেইসকলৰ প্ৰতি এনে এটা জীৱন অসম্ভৱ নহয়। সেইবুলি এনে ধৰণৰ শিল্পীসকলৰ কিবা সামাজিক মূল্য যে আছে, সেইষাৰ কথা স্বীকাৰ কৰিব নোৱাৰি। আত্মবিলাসীৰ বিলাস আত্মকেন্দ্ৰীক। এঙ্গেল্‌ছ নামৰ এগৰাকী পণ্ডিতে একেষাৰ অতি শুদ্ধ কথা কৈছিল-"অৰ্থনৈতিক পদ্ধতিয়ে সংস্কৃতিৰ চানেকি নিৰ্ণয় কৰে।" এইষাৰ কথা উপলব্ধি কৰিবলৈ সময় দুখ যাব নেলাগে। কৃষিজীৱী সমাজৰ সাংস্কৃতিক চানেকি উদ্যোগজীৱী সমাজৰ সংস্কৃতিৰ লৈতে নিমিলে। কৃষিজীৱী সমাজ সাধাৰণতে অদৃষ্টবাদী হবলৈ বাধ্য কাৰণ কৃষিজীৱী সমাজৰ অৰ্থনৈতিক জীৱন নিৰ্ভৰ কৰে প্ৰকৃতিৰ কৰুণাৰ ওপৰত। প্ৰকৃতিৰ কৰুণাৰ অন্তৰালত অঙ্গে অদৃষ্ট শক্তিৰ হস্তক্ষেপ। ইয়াৰ ওপৰত মানুহৰ কোনো প্ৰভাৱ নাথাকে। বৰ্তমান বৈজ্ঞানিক পদ্ধতি প্ৰয়োগৰ জৰিয়তে বহুখিনি পৰিবৰ্তন সাধিত হৈছে। তথাপিও কৃষিজীৱী মানুহ এতিয়াও প্ৰকৃতিৰ কৰুণাৰ ওপৰত নিৰ্ভৰশীল নহ'লে উপায় নাই।

উদ্যোগজীৱীৰ অৰ্থনীতি যন্ত্ৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে। বৈজ্ঞানিক আৰু কাৰিকৰী জ্ঞানে



মানুহক যন্ত্ৰৰ ক্ষেত্ৰত অভূতপূৰ্ব প্ৰভাৱ দিছে। গতিকেই উদ্যোগজীৱী সমাজ অদৃষ্টবাদী নহলেও কোনো ক্ষতি নাই। কৃষিজীৱী মানুহ প্ৰকৃতিৰ দাস, উদ্যোগজীৱী মানুহ নহয়। যন্ত্ৰ হৈছে তেওঁলোকৰ দাস। এইখিনিয়েই দুয়োটা অৰ্থনৈতিক ব্যৱস্থাৰ মাজত পদ্ধতিয়ে প্ৰদান কৰা পাৰ্থক্য। এই পাৰ্থক্য সাংস্কৃতিক আহিৰ বুকুতো প্ৰতিফলিত হৈছে। সমাজৰ সাংগঠনিক স্বৰূপে সংস্কৃতিৰ স্বৰূপ যে নিৰ্ণয় কৰে, সেইষাৰ কথা এই সাৱধানৰ জৰিয়তে পৰিষ্কাৰ হৈ পৰিছে। সংস্কৃতি যে সমাজখনৰ প্ৰতিচ্ছবি, এইষাৰ কথাৰ প্ৰমাণ সংস্কৃতিৰ বুৰঞ্জীৰ পাতে পাতে আছে।

বৰ্তমান সমাজৰ সংস্কৃতিয়ে কেনে ৰূপ লৈছে? বৰ্তমানৰ সংস্কৃতি বৰ্তমানৰ সমাজ-চানেকিৰ ৰূপ লৈ যে জীয়াই উঠিছে, সেইবিষয়ে সন্দেহ নাই। সেই কাৰণেই, খোৰতে হলেও, বৰ্তমান সমাজত স্বৰূপ বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন বাঢ়িছে। অৰ্থনৈতিক অথবা মানসিক বস্তু সম্ভাৱৰ ক্ষেত্ৰতো বৰ্তমান সমাজত অতিমাত্ৰ জটিলতা বাঢ়িছে। এই জটিলতাৰ মাজে কাৰণ এমুঠি মানুহৰ অৰ্থনৈতিক ক্ষমতা বৃদ্ধি সমহ-অপৰ দৰিদ্ৰ, অভাৱ-অনাটন। দৰিদ্ৰগ্ৰস্ত জন-সাধাৰণ স্বাভাৱিকতে সংস্কৃতি সৃষ্টিৰ বহল স্ৰোত পাৰৰ পৰা বিচ্ছিন্ন হৈ গৈছে। তাৰ পৰিবৰ্তে আৰ্থিক স্বচ্ছলতা-সম্পন্ন এমুঠি মানুহৰ হাতলৈ সংস্কৃতি ৰখাৰ দায়িত্ব হস্তান্তৰিত হৈছে। সংস্কৃতিৰ এই ঠিকাদাৰসকলে সংস্কৃতি খাৱে নে কাপতে পিন্ধে নেজানো। তথাপি এই দায়িত্বই যিহেতু তেওঁলোকক সামাজিক মৰ্য্যাদা প্ৰদান কৰিছে, সেই কাৰণেই তেওঁলোক আগবাঢ়ি আহিছে। সামাজিক স্বীকৃতি কামনা সকলো মানুহৰে অন্তৰৰ সহজাত বাঞ্ছা। অৰ্থ-চিন্তা নোহোৱা অৰ্থবানসকলৰ জীৱনত এইষাৰ কথা অধিক সূক্ষ্মভাৱে প্ৰযোজ্য। এনে পঙ্গু চিন্তাধাৰাৰ সমাজৰ সংস্কৃতি শিল্প নিস্তেজ হবলৈ বাধ্য। য'ত জনসাধাৰণৰ অন্তৰ-স্পন্দন নাই, তেনে শিল্প-কলা নিস্তেজ নহৈ উপায় নাই।

সমাজত সংস্কৃতিৰ উপাসক শিল্পীসকলৰ এক বিশেষ মৰ্য্যাদা থকা উচিত। বৰ্তমান সমাজত এই বস্তুটোৰেই যথেষ্ট অভাৱ। বৰ্তমানৰ প্ৰতিযোগী অৰ্থনীতিয়ে শিল্পী-শ্ৰেণীক সমাজৰ পৰা সম্পূৰ্ণ ৰূপে বিচ্ছিন্ন কৰিছে। ব্যক্তিগত ধনীক সম্প্ৰদায়ৰ খাম-খেয়ালিৰ যোগান ধৰাৰ উদ্দেশ্যেৰে শিল্প-সৃষ্টি কৰিবলৈ শিল্পীসকলক বাধ্য কৰা হৈছে। জীয়াই থাকিবলৈ হ'লে সমূহ সমাজৰ ওপৰত নিৰ্ভৰশীল নহৈ যেতিয়া এমুঠি অৰ্থবান ব্যক্তিৰ ওপৰত নিৰ্ভৰশীল হব লগা হয়, তেতিয়া এনে অৱস্থাপ্ৰাপ্ত হোৱাটো একো অসম্ভৱ কথা নহয়। সেইকাৰণেই বৰ্তমান অসুস্থ সংস্কৃতি-জীৱন সঞ্জীৱিত কৰি তুলিবলৈ হলে, সামাজিক বিপ্লৱৰ প্ৰয়োজন হৈছে— এনে এক বিপ্লৱ যাৰ জৰিয়তে সমাজৰ আমূল পৰিবৰ্তন সম্ভৱ হৈ উঠিব। বৰ্তমান সমাজত কেৱোণ আছে বাবেই সামাজিক চেতনাসম্পন্ন শিল্পীৰ বিশেষভাৱে প্ৰয়োজন বাঢ়িছে। পতনমুখী সামাজিক শিল্প-সংস্কৃতিৰ চানেকি হতাশা আৰু নিৰাশাৰ নিদৰ্শন হোৱাটো তেনেই স্বাভাৱিক। বৰ্তমান সংস্কৃতি ধনতন্ত্ৰবাদী সমাজৰ গৌৰৱ প্ৰচাৰৰ বস্তু হৈ পৰিছে। এনে অৱস্থাৰ সংস্কৃতি দুই-এজন শিল্পীৰ বাবে ব্যক্তিগত খ্যাতিৰ বস্তু হব পাৰে, সেইবুলি এনে সংস্কৃতি সামাজিক মনৰ স্বীকৃতি বুলি পৰিগণিত

হোৱাটো জানো সম্ভৱ ? কমলা দেৱী চট্টোপাধ্যায়ৰ ভাষাতে :—" It is rarely, and more by accident, that money goes hand in hand with love of beauty,''

বাধাপ্ৰাপ্ত সাংস্কৃতিক প্ৰকাশ নিজীৱ বস্তু। সাংস্কৃতিক মানদণ্ডৰ অৱনতিৰ ঘাই কাৰণ হৈছে বাধা। শিল্পী হৈছে উৰণীয়া চৰাইৰ দৰে: কোনো প্ৰতিবন্ধকতে স্বীকাৰ কৰিব নোখোজে। ব্যক্তিগত সৃষ্টি-প্ৰতিভা আৰু সচেতন সমাজ-মন, দুয়োটাৰে সমন্বয়তহে সংস্কৃতিক মানদণ্ডৰ উন্নতি হোৱাটো স্বাভাৱিক আৰু সম্ভৱ। উৎকট প্ৰচাৰৰ জৰিয়তে কেতিয়াও উচ্চ মানদণ্ডৰ সংস্কৃতিক ধাৰাৰ উত্তৰ সাধন হব নোৱাৰে। আমাৰ সংস্কৃতি-জীৱনত সাধাৰণতে আৰু এটা প্ৰশ্নই উথল-মাথলৰ সৃষ্টি কৰা দেখা যায়। প্ৰাচীন সংস্কৃতি জীৱনৰ পথা বিচ্ছিন্ন হৈ বৰ্তমান সমাজৰ জীৱনধাৰাৰ লগত সামঞ্জস্য ৰাখি নতুন সৃষ্টিৰ বাট আমি মুকলি কৰাটো উচিত হবনে, প্ৰাচীন সাংস্কৃতিকে গ্ৰহণ কৰি লৈ পূৰ্বাণ ঐতিহ্যক উপযুক্ত মান-মৰ্যাদা প্ৰদান কৰাটো উচিত হব। অতীতক সম্পূৰ্ণৰূপে পুনৰুদ্ধাৰ কৰি প্ৰাচীন পন্থীসকলে বৰ্তমান জীৱনত ইয়াক প্ৰতিফলিত কৰিবলৈ বিচাৰে।

আমাৰ বৰ্তমান প্ৰয়োজন হৈছে এক সমলয়ী সুৰ-স্পন্দনৰ। অতীতৰ নিজস্ব সমৃদ্ধি আছে, মহিমা-মণ্ডিত ভৱিষ্যতে নতুন সম্ভাৱনাৰ দুৱাৰ মেলি আমাক বিভিন্নাই মাতিছে। অতীত, ভৱিষ্যৎ আৰু বৰ্তমান। এই বৰ্তমান নিজস্ব সুৰ-স্পন্দনেৰে গতি চঞ্চল। তিনিওটাৰ বিচাৰ সম্পন্ন, বিবেকী সমন্বয়েহে আমাৰ জীৱন সমৃদ্ধ কৰিব, যাত্ৰা পথ সমুজ্জ্বল কৰি তুলিব।

---

"সংস্কৃতি হৈছে সামাজিক, আত্মিক, সকলো প্ৰকাৰৰ মুক্তিৰ বেদী। মুক্তিৰ বেদীতহে সংস্কৃতি জাতিকাৰ হোৱাটো সম্ভৱ। আন প্ৰকাৰৰ প্ৰচেষ্টা যিমানেই নহওক লাগিলে, একোৱেই ইয়াক প্ৰাণ দিব নোৱাৰে। প্ৰাণহীন সমাজৰ সংস্কৃতি মৰিশালিৰ দৰেই নিষ্প্ৰাণ।"

—হেম বৰুৱা



# কবিতা ঃ

## দুটা স্বৰবৰ্ণৰ দাম

ইদ্ৰিছ আলি।

মাথোন এটা জীৱনৰ শ্বাস-প্ৰশ্বাসেৰে
দিব খোজোঁ দুটা স্বৰবৰ্ণৰ দাম
যাৰ দাম কোনেও কোনোকালে নোৱাৰিলে দিব

কপালৰ ঘেঁচা ঘামেৰে সোণাৰ খোজোঁ
দুটা স্বৰবৰ্ণৰ দাম মাণিকী মধুৰী গানেৰে
বুকুৰ তেজেৰে যাৰ দাম
কোনেও কোনোকালে নোৱাৰিলে দিব

দুখৰ চকুলোৰে বাচিব খোজোঁ
তোমাৰ ৰূপৰ শিখাৰে মোৰ প্ৰেমৰ কবিতা
দিব খোজোঁ দুটা স্বৰবৰ্ণৰ দাম
জুইৰ জাল পোৱাৰে
যাৰ দাম কোনেও কোনোকালে নোৱাৰিলে দিব

জন্মেৰে আৰু মৃত্যুৰে সেই দিব খোজোঁ
দুঃসহ যন্ত্ৰণাৰে অনুনয় হৈ হিয়াৰে ......
দিব খোজোঁ দুটা স্বৰবৰ্ণৰ দাম
যাৰ দাম কোনেও কোনোকালে নোৱাৰিলে দিব ●

## বসন্তৰ প্ৰতিলিপি

—মণিকুন্তলা ভট্টাচাৰ্য্য
স্নাতক ২য় বাৰ্ষিক

আজি কালি হাত মেলিলেই
কলমটো পাওঁ .....
কোন চুকি পাওঁ ।
চকু মেলিলেই দেখোঁ — ;
কাণ পাতিলে শুনো — ...
বহাগৰ মধুৰতা !
অহ্ ! বহাগে বহাগে
বুকুত অংকই যায়ে মোৰ
প্ৰেমময় দুখৰ গান ।।

## অতৃপ্ত আক্ৰোশ

শ্ৰীকল্পনা দেৱী,
স্নাতক ২য় বাৰ্ষিক

আই, পঙ্গু শিশু জন্ম দিয়া
তোমাৰ মাতৃত্বৰ গৌৰৱ
কিমান মহান ?
সবল, সুঠাম দেহাবোৰে
কলঙ্কত নাও খেলি
আৰু উন্নতি নাহিল ।
কলঙ্কত ডুবুৰিয়াই,
অতৃপ্ত আত্মাই বিচিয়াই ।
আৰু পঙ্গু সন্তানবোৰে
তোমাৰেই বুকুত
কিয় বাৰু
বাৰে বাৰে খুন্দিয়াই ?

## এটি কবিতা

সৌজন্যশ্ৰী ভট্টাচাৰ্য্য,
সদস্যা, পৰিচালনা সমিতি

পৰ্বতৰ জুৰিটি
নাযাবি ভৈয়ামলৈ
ভৈয়ামত ভয়লগা পাপেৰে
পপীয়া হৈ—
কুলু কুলু কৈ
ধীৰে ধীৰে বৈ গৈ
শিলে শিলে খলকনি তুলি বৈ বৈ ।
পাহাৰী বনফুল
কোচতে লৈ
কʼনো যাব তই
বাগৰি ঐ ।
ভৈয়ামৰে নিঠুৰ কোলাত
মৰম বিচাৰি
উবুৰি হৈ—
পৰ্বতৰ জুৰিটি । *

( * ১০ বছৰ বয়সত লিখা )



## বন্ধন

বিউটিমণি শইকীয়া
স্নাতক ২য় বাৰ্ষিক

...... ভাল পাওঁ ...
ভাল পাওঁ মোৰ আইৰ
সেউজীয়া অৰণ্যানি ...
বাৰিষাৰ ক্ৰন্দসী আকাশ,
শৰতৰ সেৱালি সুবাস
ভাল পাওঁ —
জুইতৰ ঝিল্ মিল্ ৰূপোৱালী পানী,
চিনাকি অলেখ পখীৰ মধুৰ কাকলি ।
চেনাইৰ বিহুৰ পেপাৰ মাত
আৰু পৰিশ্ৰমৰ কেঁচা ঘাম মিহলি
চিনাকি মাটিৰ মিঠা নিৰ্যাস ।
এয়া যে কি নিবিড় বন্ধন ।
প্ৰেমৰ বন্ধন
আইৰ সতে আৰু
মোৰ আইক ভাল পোৱা
খাটি খোৱা মানুহৰ সতে ॥

## কবিতা

অঞ্জলি বৰুৱা
একাদশ শ্ৰেণী

কবিতা মোৰ দুখৰ প্ৰশান্তি
আশা মোৰ মিঠা আমেজ
বাস্তৱ বন্ধু ।
এনে দৰে পাৰ কৰি দিওঁ
কবিতা গাই গাই দুখৰ ৰাতি ।
মোৰ কণ্ঠ বিকৃত হʼল
আৰু সৌন্দৰ্য-বোধৰ সপোন ।
কান্দিয়েই জানো দুখ দূৰ হʼব
কেতেকীৰ কান্দোনৰ দৰে,
নিসংগ হিয়া ভগা মাত
সেই পথ শিশুৰ মুখত
উল্লাসৰ হাঁহি,
এয়েতো জীৱন আমাৰ
বাহী ফুলৰ দৰে । *

# জোনাকৰ পিছত

—কবিতা ৰাণী দাস,
স্নাতক ২য় বাৰ্ষিক

সেইদিনা মই তোমাৰ ওচৰলৈ গুচি গৈছিলোঁ।
পুৱাৰ সুবুগ সোণোৱালী ৰ'দত জিকিমিকি কৰা
চোতালখনত তোমাৰ লৈতে থিয় হৈ ওপৰলৈ চাইছিলোঁ।
ভবিৰ পটাত নিয়ৰৰ নৰম পৰশ, চিনাকি
মাটিৰ গোন্ধ, ফাৰিংফুটা জোনাক, জাঁউসীৰ আন্ধাৰ
অৰুণ শইচৰ হাঁহি, অৰণ্যৰ কান্দোন, হৃদয়ৰ আহ্বান
হাতে হাতে হাত ধৰি আমি উপলব্ধি কৰিছিলোঁ।
আমি কান্দিছিলোঁ — পুত্ৰহাৰা জননীৰ লগে
আমি হাঁহিছিলোঁ — কণ কণ শিশুৰ লৈতে
আমি আগবাঢ়িছিলোঁ সেই পথটোৰে—
য'ত ভ্ৰাতৃবধৰ আখৰা নাই, ধৰ্মৰ গোড়ামি, সম্প্ৰদায়ৰ
গোন্ধ, কদৰ্য ৰাজনীতি কিম্বা অৰ্থৰ প্ৰলোভনে
য'ত নোহেৰুৱাইছিল হৃদয়
আমি সেই পথৰেই যাত্ৰী আছিলোঁ!
অৰ্দ্ধনগ্ন পিতাৰ আশীৰ্বাদ লৈ নিঃস্ব জীৱনৰ
আলোকেৰে পথটোক সমুজ্জ্বল কৰিবলৈ
সেইদিনা হৃদয়ত হৃদয় থৈছিলোঁ দুয়ো
হাঁহিবোৰ, চকুলোবোৰ, অভিমানবোৰ মিচি মিচি
উৰ্দ্ধবাহু হৈ মৌলিক অধিকাৰ বিচৰা মিছিলটোত
মিলি গৈছিলোঁ —
সপোনৰ খোৱালি পাহ বিচাৰি বিচাৰি জোনাক ৰাতিৰ
আমাৰ যাত্ৰাবোৰ - এতিয়া কৰুণ সৌৰৰ্ণিণ হ'ল।
ধুমুহাজাকৰ লগতে তুমি গুচি গ'লা
পবিত্ৰতাৰ বিতৃষ্ণাৰ বিকৃত হৃদয়ত দি
এতিয়া চৌদিশে আন্ধাৰ আৰু শীত
দুহাতত বহুতো উত্তৰহীন অংক
আৰু শংকাকুল অৰণ্যানিত মোৰ অৱগাহন + + +



# মোৰ পৃথিৱী আৰু মোৰ অনুভূতি

মীতা শৰ্মা,
প্ৰাক্তন ছাত্ৰী

(১)

কাউৰীজনীৰ মাতত
সেন্দুৰী দুপৰটো
খানবান হ'ল।
নীড়মুখী পক্ষীজাক
সুদূৰত বিলীন হ'ল।
মোৰ পৰ্ণকুটীৰত এতিয়া
অপৰাহ্নৰ ধূসৰ ছাঁয়া
আৰু মনত তোমাৰ
ৰঙাৰ টেঙাৰ ৰঙা জিমহেন
সুখৰ কল্পনা। ●

(২)

অহোৰাত্ৰি—
চাকিগছ জ্বলিয়েই
আছে—
হৃদয়মনো
প্ৰতীক্ষাৰে তোমাৰ। ●

(৩)

তুমি মোৰ দুচকুত মাথো
দেখিলা দীনতাৰ ছবি।
মই তোমাৰ দৃষ্টিৰ
গভীৰত দেখিলোঁ
পূৰ্ণতাৰ ছবি
চিৰন্তন। ●

(৪)

মাটিৰ চাকিগছি
কাহানিবাই নুমাল।
মোৰ পৰ্ণকুটীৰত
এতিয়া প্ৰভাতী অৰুণৰ
তেজ ৰঙা বোল।
আৰু মোৰ
আসন্ন মাতৃত্বৰ
পৰম ক্ষণ। ●

# সংগ্ৰাম

অঞ্জনা গোস্বামী,
প্ৰাক্তন ছাত্ৰী

অৱাস্তিৰ বোকাতো
পোত খায় মোৰ ৰথৰ চকা,
দুখৰ তিমিৰ ৰাশিত
উপলব্ধিও হেৰায় যায়;
হতাশাৰে ভৰা পিছল বাটত
মাথো আশাই খোপনি লয়।

পোৱা হৃদয়ৰ ভেটীৰে
মই আন্ধাৰ ঠেলো,
উষাৰ বেংকোচাত উঠি
কিজানি আহেই সুৰুয।
আশাৰ চাকিটি লৈ
জীৱন কাঁইটত হাত ফুৰাই চাওঁ
কিজানি ফুলিছে গুলাপ। ●

# আহ্বান বৰদৈচিলালৈ

মালবিকা কলিতা
স্নাতক ২য় বাৰ্ষিক

বৰদৈচিলা তুমি জানো নাহা ?
মৌন হৈ ৰলা যে ( হয়তো আমাৰ দুখ দেখি )
তুমি আহা,
আহিবই লাগিব
এইবাৰ নতুন জগত
ৰণচণ্ডী মূৰ্ত্তি ধৰি আহা—
নাশিব লাগিব তুমি শোষণকাৰীহঁতক,
বধিব লাগিব তুমি ঘৰ-বিভীষণহঁতক,
দেশত জ্বলিছে জুই
অত্যাচাৰ, অনাচাৰ
ব্যভিচাৰে উঠিছে দূৰ দাতি
পাৰিবা জানো থাকিব ভাওঁ জুৰি ?
গতিকেই ——
নিঃশেষ কৰিব লাগিব
নির্য্যাতন, দমন, দুৰ্নীতি, শোষণ
গুচাব লাগিব আইৰ দুখৰ বোজা
সেয়ে বৰদৈচিলা ●



# গল্প ঃ

## ব্যতিক্ৰম

শ্ৰীমনিকুন্তলা ভট্টাচাৰ্য্য
স্নাতক ১ম বাৰ্ষিক

কিবা এটা বিচাৰিছোঁ। দুচকুমান আতৰত দেখিছোঁও। হাত মেলি দিও। চুঁকি নাপাওঁ। কিজানি দুয়োটাহাত মেলি দিলেও চুঁকি নাপাম। দুয়োটাহাত যোৰা লগাই মেলি দিলে হয়তো চুঁকি পাম ? কিন্তু ইমপছিবল্। মোৰ দুচকুৰ বৈ থকা ঠাইতে আঁতৰে লিপিটি খাই পৰিছে। আৰু মোৰ উপায় ? উপায়টোও মই ভীষণ সন্তৰ্পণে লৈছোঁ। যেন কোনোবাই শুনিব !

মোৰ কাষৰ চকীখন শূণ্য। এযোপা অদৃশ্য বতাহ আগফুলে পাৰটো যেতিয়া আবোৰা চকীখন মোৰ কাষত বাধা ল'বাৰ দৰে নিঃশব্দে স্থিৰ হৈ আছে। মই নিঃশব্দ প্ৰিয়। সেয়ে মই বিচাৰি থকা বস্তুটো মই নিঃশব্দেই বিচাৰোঁ। বাকবুদ্ধ ভাবে—বুদ্ধত্বা-ভেৰে। মই যে কি ! আৰু ইমান মহুৰ মই ! জনগণৰ ব্যতিক্ৰম। ব্যতিক্ৰম ! শব্দটো মোৰ ভাল লাগে। আপোনচ্ছটীয়াৰ দৰে শব্দটো কেৱল মই মোৰেই কৰি ল'ব খোজোঁ। হয়তো সফল হৈছোঁও।

জন্মৰ পৰাই মোৰ বুকুত নতুন স্বভাৱ কলিয়াইছিল। নিঃশব্দে বিদ্ৰোহী হৈ পৰিছিলোঁ-মই। অমৃতসৰৰ পৰা অসম পাইছিলোঁহি এডাল দীঘল বেণী, বতাহত ওফন্দা চুলিবোৰে আৰু এটা হীৰা খটোৱা নাকফুলি পিন্ধি এজনী সৰল ছোৱালীৰ অনভিপ্ৰেতভাৱে।

অসমত দুচকু মেলেকা হৈ ৰ'লোঁ। অসমত অসম্ভৱ অথচ অসম শান্ত। মোৰ বুকুৰ মমাৰ কলি দুটাৰ এটা পাহি মেলি মধুৰ সন্মোহিনী হৈ পৰিল। বৈপ্লৱিক ভাবধাৰাত অসম অশান্ত। অথচ অসম কিজানি বিশ্বৰ এখনি শান্ত দেশ। একমাত্ৰ শান্ত দেশ। ইমান নিৰ্মল! ইমান শীতল! সঁচাই অ-সম! মই নিৰ্বাক হৈ ৰ'লোঁ। মোৰ দুচকু অসমতে আঁতৰে লিপিটো খাই পৰিল। মই অমৃতসৰৰ পিনে ভয়াৰ্ত চকুৰে চাবলৈ ধৰিলোঁ। কিজানি মোৰ জন্মভূমিখনে মোক অসমৰ পৰা আঁজুৰি লৈ যায়। মোৰ ভয় হ'বলৈ ধৰিলে— মোৰ জন্ম যদিও অমৃতসৰত, মোৰ জন্মদাতা মা কিজানি অসমতে গৰ্ভৱতী হৈছিল। যাৰ বাবে মই হ'লোঁ অ-সম। জনগণৰ ব্যতিক্ৰম। ক্ৰমে ক্ৰমে মোৰ ব্যতিক্ৰম। জনগণৰ ব্যতিক্ৰম। ক্ৰমে ক্ৰমে মোৰ মনত এই ভাৱটো দৃঢ় হ'বলৈ ধৰিলে। আজি সহকৰ্মী অসমীয়া সকলৰ সন্মুখত মই "মোৰ মা অসমতে গৰ্ভৱতী হৈছিল" বুলি ক'বলৈও কুণ্ঠাবোধ নকৰা হ'লোঁ।

মোৰ ২৫ নম্বৰৰ উপন্যাস "গৰ্ভধাৰণ আৰু প্ৰসৱ" খনো অসমৰ পটভূমিতে ৰচনা কৰিলো ডেৰ বছৰ জুৰি। য'ত ব্যাখ্যা কৰিছিলো মোৰ মৃতা মাৰ গৰ্ভধাৰণ আৰু প্ৰসৱৰ ফলত মোৰ ওপৰত পৰা প্ৰভাৱসমূহ আৰু মাৰ্কণ্ডেয় পুৰাণৰ এখিলা পাত, শচীপতিৰ ২য়া-পঞ্চপাণ্ডৱত। উপন্যাসখনে অসমত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিলে। মই অসমবাসীৰ বাবে আকৰ্ষণীয় হৈ পৰিলো। মই সঁচাই তৃপ্তা পৃথিৱীৰ একমাত্ৰ তৃপ্তা লিখিকা। সহকৰ্মী আদিত্যৰ আগত মই মোৰ মনোভাৱ প্ৰকাশ কৰিছিলো। তেওঁক কৈছিলো মই অসমক প্ৰাণতকৈ ভাল পাওঁ। ইমান ভাল পাওঁ যে অসমৰ হকে প্ৰাণত্যাগ কৰিবলৈও মই প্ৰস্তুত। মোৰ কথা আদিত্যই অবাক হৈ শুনিছিল। কৈছিল,

: "তুমি পাৰিবা। আচ্ছা তুমি লাচিতৰ বিষয়ে পঢ়িছা ?"

: "......" ।

: "নাই পঢ়া নিশ্চয়। হয়তো তুমি মোৰ কথাৰ মাজত লাচিতৰ কথাটো বুজি পোৱা নাই। বাৰু কাইলৈ কিতাপ এখন দিম, পঢ়িবা।"

পিছদিনা পঢ়িলো। লাচিতৰ প্ৰত্যয়দীপ্ত সাহসত মই অনুপ্ৰাণিত হৈছিলো। ক্ৰমে আদিত্যৰ বাবে মোৰ বুকুৰ আনপাহ মৰমৰ পাহি মেল খাই উঠিল। আদিত্য মোৰ অন্তৰৰ অঙ্গ। আদিত্য মোৰ সকলো লিখনিৰ অৰ্থ। আদিত্য মোৰ আদৰ্শ। মই যেন সঁচাই আদিত্যৰ প্ৰেমত পৰিলো — একান্ত উপলব্ধিৰে। ... ...

আদিত্যৰ সাহসেৰে অহিংস ৰণাংগনত মই বিদেশীৰ অসমৰ হকে জঁপিয়াই পৰিলো। আদিত্য সঁচাই আদিত্য। ইমান নম্ৰ সাহসী! ইমান জ্ঞানী অগ্নিপিণ্ড!

পঞ্চম দিনা আদিত্য গুলীচালনাত নিহত হ'ল। আৰু মই? মই এটা চকু আৰু সোঁহাত খন হেৰুৱাই ঘূণীয়া হ'লো। ধৰ্মপ্ৰাণা অসমীয়া প্ৰেমিকা জীয়ৰী সকলৰ দৰে মই কান্দিব পৰা নাছিলো। আৰু আজিও পৰা নাই।

মোৰ জন্মৰ প্ৰসৱ বেদনাতে মোৰ মা মৃতা হৈছিল। তাৰ পিছত মোক পালন কৰিবৰ বাবে দেউতাই দ্বিতীয় বিবাহ কৰাইছিল যদিও নববিবাহিতা পত্নীক লৈ কৰ্মস্থলীলৈ গুচি যায়। মই নিঃসংগ বোৱা হৈ পৰি ৰ'লো তৃতীয় মিচনেৰী হস্পিতালত। এটি জন্মৰে পৰা মই কেৱল নৈঃশব্দকে পালো। এটি নিষ্পাপ শিশুৱে জন্মৰে পৰা জন্মদাতাৰ পৰা এষাৰ প্ৰাপ্য মাত নাপালোঁ। মোৰ কিন্তু এইবোৰ ভাবি কেতিয়াও দুখ নালাগে। দেউতাই মাথোন টকাহে পঠাইছিল, আৰু সেই টকাৰেই মই ধৰ্মীয় অনুষ্ঠানটিৰেই পালিতা হ'লো। বুজন হ'লো। ডাঙৰ হ'লো। দায়িত্বশীলা হ'লো।

জীৱনত কোনো ব্যক্তিৰে স'তে মোৰ অন্তৰংগতা গঢ়ি নুঠিল। মই কাকো মোৰ মনোভাৱ জনাব নুখুজিছিলো। মই ভাল পাইছিলো কেৱল নিঃশব্দতা।

অসমৰ কৰ্মক্ষেত্ৰৰ সুবাদত মই আদিত্যৰ প্ৰেমৰ সান্নিধ্য পালো। মই জীৱনত প্ৰথম বাৰৰ বাবে মৰমৰ সোৱাদ পালো। আদিত্যৰ কৌতূহলত মই কথা দিছিলো ক'ম বুলি, কিহৰ বাবে মই ইমান নীৰৱ। নীৰৱ নিঃশব্দতা ভাল পাওঁ। নাই, ক'বলৈ নাপালো। আদিত্য গুচি গ'ল। দুদিন সৰৱতাৰ পিছতে পুনৰ



নীৰৱতা। নিঃশব্দতা! কেৱল নিঃশব্দতা। জীৱনত ঝিঁক ঝিঁক মাজতে হাৰি গলো। নিঃশব্দতাৰেই মই মানুহৰ মমতাৰ ওচৰত ঝিঁক আছিলোঁ জন্মৰ পৰাই। কিন্তু আকাংক্ষিতভাৱে মনটোৰ ওচৰত হাৰি গলোঁ। আদিত্যৰ মমতাৰ সোৱাদ পাইহে মই অনুভৱ কৰিব পাৰিছিলো মমতা কি? ধৰ্মীয় অনুষ্ঠানটিত মোৰ জীৱন বাধ্যবাধকতাৰেহে অতিবাহিত হৈছিল। এতিয়া পুনৰ নৈঃশব্দ। আদিত্যৰ পৰা মমতা শিকিলোঁ কিন্তু তেওঁক তাৰ শিকলিৰে বান্ধি ৰাখিব নোৱাৰিলোঁ। গ'ল। সকলো গ'ল। বৰং জীৱনত পোৱা একাঁজলি মমতা থকাতকৈ লুকাই গ'ল। পুনৰ থকাত।। আজি ব্যৱসায়ী পিতৃৰ পৰা অনুৰোধ ভৰা এখনি চিঠি পাইছোঁ। দেউতাই সম্পত্তিৰ লোভ দেখুৱাই (!) এজন ডাক্তৰলৈ তেওঁৰ পঙ্গু জীয়েকক বিয়া দিয়াৰ সিদ্ধান্ত লৈছে। কিন্তু ইম্পচিবল।

মই এই জীৱনটো নৈঃশব্দৰে পূৰ্ণ হৈ থকাকে বিচাৰো। নীৰৱতা ভঙাৰ সৰৱতা হ'ব পাৰে একমাত্ৰ আদিত্য। মই সৰৱতা বিচাৰো। কিন্তু একমাত্ৰ আদিত্যৰ পৰাহে। আৰু সেই সৰৱতা খিনি উপযাচি আহিছে এজন অচিনাকিৰ পৰা! সেই সৰৱতা খিনি ল'ব খুজিও মই ল'ব নোৱাৰো। কাৰণ তেওঁ আদিত্য নহয়। বিচাৰি থকা বস্তুটো পাইছোঁও, অথচ ল'ব নোৱাৰো। মাত্ৰ দুহাত দূৰ। সেই দুহাত দূৰত্ব অতিক্ৰম কৰিব মই নোৱাৰো। মোৰ দুভাৰি অসমতে আঠাৰে লিপিত থাই ৰ'ল। সদায় আদিত্য বহা বেঞ্চৰ আবাসী চকীখনত নিঃশব্দে তবে বতাহজাক বহি আছে। এখন শূন্য চকীত।

আঃ মই সঁচাই ব্যতিক্ৰম। নিঃশব্দতাপূৰ্ণ মমতাবিহীন একাকী নাৰী। অৰ্দ্ধহাতখনেৰে লিখাৰ অভ্যাস কৰিছোঁ ... ...। কিন্তু হাত নাচেৰ। পুনৰ নিঃশব্দতা!

(১৯৮৫ চনৰ নগাওঁ ছোৱালী কলেজৰ "কলেজ সপ্তাহ"ত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)

# "প্ৰতীক্ষা"

মঞ্জুলা কটকী
স্নাতক ২য় বাৰ্ষিক

কিয় কব নোৱাৰো বাইদেউগৰাকীক সঁচাকৈয়ে মোৰ খুউব ভাল লাগি গৈছিল । সহজ-সৰল, মিচিক-মাচাক হাঁহিৰে সৈতে পৰিপূৰ্ণ মুখখন মোৰ মানস পটত সদায়েই জিলিকি থাকিব । প্ৰায় দুবছৰ মান আগতে কোনোবা এটা মিঠা ৰাতিপুৱাত বাইদেউক আমি পাইছিলো আমাৰ ছাত্ৰীবাসৰ নিৰীক্ষক হিচাবে । হাঁহি মুখে যেতিয়া আহি বাইদেউ আমাৰ লগত চিনাকি হৈছিল তেতিয়াই সেই মিঠা হাঁহিটোৰ মাজতো কিবা এটা লুকাই থকা যেন মোৰ অনুমান হ'ল । সেইহে শান্তিয়া অকলশৰে বহি ইয়াকেই ভাবিছো যে বাইদেউৰ সেই মিঠা হাঁহিটোৰ মাজত এনেকি লুকাই থাকিব পাৰে যাৰ বাবেই হাঁহিটো মাথো বাইদেউ অতিশয় গহীন হব লগা হয় । দিনবোৰ বাগৰি যোৱাৰ লগে লগে বাইদেউ আৰু মোৰ মাজত কথনোৱাৰাটকৈয়ে এটা নিবিড় সম্বন্ধ গঢ়ি উঠিল । বাইদেউৰ প্ৰতিটো কথাই মোক আগত কৰলৈ কুণ্ঠাবোধ নকৰা হ'ল । তথাপিও বাইদেউৱে কথাবোৰ কওঁতে মোৰ এনে লাগে যে বাইদেউৱে মোৰ পৰা কিবা এটা লুকুৱাব বিচাৰিছে । ইয়াৰ পাছতেই মই বাইদেউক সম্পূৰ্ণকৈ জানিবৰ বাবে দৃঢ় প্ৰতিজ্ঞ হলো । কিন্তু এদিন অকস্মাতেই বাইদেউক সম্পূৰ্ণকৈ জনাৰ সুবিধা মোৰ মিলিল । সেই দিনটো আছিল দেওবাৰ । মোৰ লগৰ সকলোবোৰ ছোৱালী চিনেমা চাবলৈ গৈছিল । মোক চিনেমালৈ লগ ধৰা সত্বেও সন্ধ্যা সময়ত মই বা লগৰ ছোৱালীবোৰ নেথাকিলে বাইদেউ মনমাৰি অকলশৰে বহি থাকে বাবেই বাইদেউক অকলশৰে এৰি যোৱাৰ ইচ্ছা মোৰ নহ'ল । সন্ধ্যা বাইদেউ আমন-জিমনকৈ অকলশৰে বহি থকা দেখি মই বাইদেউৰ ওচৰলৈ গৈছিলো । দুই চাৰিটা কথা পতাৰ পাছতেই বাইদেউৱে মোক কৈছিল নীতা তোমাক সদায়ে মোৰ কিছুমান ব্যক্তিগত কথা কম কম বুলি ভাবি নময় সুবিধা আৰু মনটোক প্ৰস্তুত কৰিব নোৱাৰাৰ বাবেই কোৱা নাছিলো । আজি মই তোমাক কথাখিনি কবলৈ বিচাৰিছো তুমি হয়তো আনৰ ব্যক্তিগত কথা শুনি আমনি পাবা । তথাপিও তুমি ধৈৰ্য ধৰি শুনিবই লাগিব যাতে এনিশা বাইদেউৰ দৰেই এটা ভুলৰ বাবেই তোমাৰো জীৱনটো কেতিয়াবা ধ্বংস হৈ নেযায় ।

নীতা প্ৰথমেই মোৰ কাহিনীটো কোৱাৰ আগতে মই তোমাক এটাই অনুৰোধ কৰিছো যে, মানুহজাতি জীৱ শ্ৰেষ্ঠ হলেও কেতিয়াও বিশ্বাস নকৰিবা । মানুহক অতি বেছি বিশ্বাস কৰিবলৈ গলে হয়তো নীতা কেতিয়াবা তোমাৰো জীৱনটো মোৰ দৰে অতিবাহিত কৰিব লগা হব পাৰে । ঘাত-প্ৰতিঘাত আৰু সংঘাতেৰে মানুহৰ জীৱন পৰিপূৰ্ণ । মানুহৰ জীৱনলৈ সংঘাত আহেই । যেনেকৈ আহিছিল মোৰো জীৱনলৈ এটা তাণ্ডৱ সংঘাত । স্নাতকৰ দ্বিতীয় বাৰ্ষিকত পঢ়ি থকা অৱস্থাতেই কোনোবা এটা মধুৰ মুহূৰ্তত চিনাকি হৈছিলো মোৰ কোঠাৰ বান্ধৱী সংগীতাৰ ককায়েক সঙ্গমৰ লগত । এটা দিনৰ মধুৰ মুহূৰ্তৰ চিনাকিটোৱে যে মোৰ জীৱনলৈ চৰম দুৰ্যোগ নমাই আনিব পাৰে সেই কথা কল্পনাই কৰা নাছিলো নীতা ।

দিনবোৰ বাগৰি যোৱাৰ লগে লগেই আগতকৈ সৰলে অহা ধনী পৰিয়ালৰ একমাত্ৰ ল'ৰা সংগমৰ লগত মোৰ অহা-যাহ বাঢ়ি গল । অৱশ্যে সংগীতাই কোনোদিনেই এই আহ-যাহত বাধা দিয়া নাছিল । বি, এ, পাছ কৰি যেতিয়া মই বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰিলো গৈ সিয়ে মোৰ বাবে কাল হ'ল নীতা । বি, এ, পাছ কৰাৰ পাছতেই মা-দেউতাই আৰ্থিক অৱস্থাৰ বাবে পঢ়াবলৈ ইচ্ছা নকৰি বিয়াৰ বাবেহে প্ৰস্তাৱ আগবঢ়াইছিল । যদি সেইদিনা মই মা-দেউতাৰ প্ৰস্তাৱকেই গ্ৰহণ কৰিলোঁহেতেন, তেন্তে আজি মোৰ এই অৱস্থা নহ'লহেতেন । ইয়াৰ মাজতেই বি, এ পাছ কৰি সংগীতাৰ বিয়া হৈ গৈছিল । গতিকে সংগীতা নথকাত আমাৰ আৰু বেছি সুবিধাই হ'ল । সপ্তাহত সংগম তিনি চাৰিদিনকৈ মোৰ ছাত্ৰী বাসলৈ অহা হ'ল । প্ৰথমতে পৰা অহা সংগমক সকলোৱে আগত আনিকি ছাত্ৰী বাসৰ নিৰীক্ষককো মোৰ মামাৰ ল'ৰা বুলিয়েই চিনাকি কৰিছিলো । নাম ভৰ্তি কৰাৰ দিনৰে পৰা দেখি থকাৰ বাবেই সংগমৰ লগত ঘূৰা-ফুৰা কৰিলেও আমাৰ ছাত্ৰীবাসৰ নিৰীক্ষকে একো নোকোৱা হ'ল । লাহে ধীৰে মই সংগমৰ আৰু ওচৰ চাপি গৈছিলো । কিন্তু মই ইয়াৰ মাজতো এদিনলৈ ভবা নাছিলো যে সংগমে মোক কেতিয়াবা বিশ্বাসঘাটকতা কৰিব পাৰে । দিনবোৰ বেছ আনন্দতেই অতিবাহিত কৰিছিলো নীতা । ইয়াৰ মাজতেই দেউতাই কেইবাবাৰো মোলৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়াই চিঠি দিছিল । নীতা, যেতিয়া মই সংগমক দেউতাই দিয়া চিঠিবোৰ দেখুৱাইছিলো তেতিয়া সংগমে কি কৈছিল জানা? নিশা বিয়াৰ পাছত আৰু মানুহৰ পঢ়া নহয়, গতিকে এম, এ টো পাছ কৰি লোৱাই ভাল । দিনবোৰ বাগৰি যোৱাৰ লগে লগে মই এম, এৰ, চূড়ান্ত পৰীক্ষা দিবলৈ সাজু হৈছো । ইয়াৰ মাজতো সংগম অহা যোৱা কৰিয়েই থাকিল । তাৰ পাছত এম, এ পৰীক্ষা শেষ কৰি যেতিয়া মই এদিন সংগমৰ লগত ৰথাহৰি চাবলৈ গৈছিলো তেতিয়া মই সংগমক কৈছিলো সংগম পৰহিলৈ মই ছাত্ৰীবাস এৰি ঘৰলৈ যামগৈ । ঘৰ গোৱাৰ পাছতেই হয়তো মা-দেউতাই মোক বিয়াৰ বাবে জোৰ দিব কাৰণ ময়ে মা-দেউতাৰ একমাত্ৰ ছোৱালী তাৰোপৰি এতিয়া মোৰ পঢ়া-শুনাও শেষ হ'ল গতিকে মই মাইতৰ প্ৰশ্নৰ কি উত্তৰ দিম সংগম । তাৰপাছত সংগমে কিছুপৰ চিন্তা কৰি কলে, নিশা তোমাৰ প্ৰশ্নটো উত্তৰ মই কালিলৈ দিম । কিন্তু মুখেৰে নহয় এখন চিঠিৰে আৰু চিঠিখন তুমি মই অহাৰ পাছতহে পঢ়িবা বুলি আশা কৰিলো ।

যেতিয়া মই ভাবিছিলোঁ ভগ্নাংশৰ চিনধৰূপে সংগমে হয়তো মুখেৰে কবলৈ সংকোচ কৰি চিঠিৰেই মোক বিয়া কৰোৱাৰ বিষয়ে সবিশেষ জনাব। পিছ-দিনা আবেলি সংগম মোৰ ওচৰলৈ আহিছিল আৰু আগৰ চৰ্ত মতেই মোক চিঠিখন দিছিল। কোনোদিনেই সোনকালে যাবলৈ নিদিয়া সংগমক চিঠিখন পঢ়াৰ হেপাহত পিছদিনা ছাত্ৰীবাস এৰি যাবলৈ বাবে নানা কামৰ অজুহাত দেখুৱাই সংগমক গধূলিৰ লগে লগে বিদায় দিছিলো। নীতা তুমি হয়তো ভাবিছা সংগমে চিঠিখনত এনে কি কথা লিখিছিলে যাৰ বাবেই বাইদেউ আজীৱন অবিবাহিত হৈ থকা লগা হ'ল। সংগমক বিদায় দি আহি যেতিয়া মই আগ্ৰহেৰে চিঠিখন পঢ়িছিলো দুশাৰী-মান পঢ়াৰ পাছতেই সংগমৰ অতি চিনাকি আখৰ কেইটা যেন মোৰ বাবে অচিনাকি হৈ পৰিছিল। সংগমে কি লিখিছিল জানা নীতা সংগমে এই-দৰেই লিখিছিল—

মৰমৰ

নিশা,

অতীতক পাহৰি যাবলৈ চেষ্টা কৰিবা। অতীতদিনেই তোমাক মই এটা ডাঙৰ ফাঁকি দি আহিছোঁ নিশা। সংগীতা মোৰ নিজৰ ভনী নাছিল আৰু নিজৰ ভনী নথকাৰ বাবেই নৱম মান শ্ৰেণীত পঢ়ি থকা অৱস্থাতেই এবাৰ মামাইতৰ ঘৰলৈ আহোঁতে মামাইতৰ ওচৰ-চুবুৰীয়া সংগীতাক ভনী পাতি লৈছিলোঁ। সংগীতাই মোক তোমাৰ লগত চিনাকি কৰি দিয়াৰ পাছতেই মই সংগীতাক কৈছিলোঁ সংগীতা মই তোমাৰ যে নিজৰ দাদা নহওঁ সেই কথা কোনোদিনেই যেন এনিশাক নোকোৱা। সংগীতায়ো মোৰ অনুৰোধ ৰক্ষা কৰিছিল। এতিয়া বাৰু আচল কথালৈ আহোঁ। তোমাৰ প্ৰশ্নটোৰ উত্তৰ দিবলৈ মই ভাষাই বিচাৰি পোৱা নাই নিশা। তথাপিও দিবই লাগিব নহয় জানো? মোৰ কলিকতাত দুটা ল'ৰা-ছোৱালীৰে সৈতে এখন সুন্দৰ সংসাৰ আছে। মই তোমাৰ বাবেই গুৱাহাটীত এখন দোকান খুলি লৈছিলোঁ। যাতে মোৰ কলিকতাত থকা পত্নীয়ে বা আনে সন্দেহত গুৱাহাটীত থকা বুলিলে এনেও নকৰে। পত্নীক এখন সুন্দৰ সংসাৰ থকাৰ পাছত যদি মই তোমাক গ্ৰহণ কৰোঁ তেন্তে মোৰ পাপ নহব জানো? তুমি মা-দেউতাৰ একমাত্ৰ ছোৱালী হিচাপে মা-দেউতাৰ মনোকামনা পূৰণ কৰি মা-দেউতাৰ মতেই বিয়া হৈ যোৱা। বিয়াৰ পাছত সকলো পাহৰি যাব পাৰিবা। আজি তোমাৰ পৰা বিদায় লোৱাৰ আগতেই দোকানখন বিক্ৰী কৰি থৈ গৈছিলোঁ। কালিলৈ তুমি হোষ্টেল এৰাৰ আগতেই হয়তো মই কলিকতা পামগৈ! শেষত ক্ষমাৰে

সংগম

মানুহৰ ধৈৰ্য্যৰো এটা সীমা আছে। বান্ধৱী আৰু প্ৰেমিকৰ চৰম বিশ্বাসঘাতকতাৰ পাছত মোৰ আৰু ধৈৰ্য থাকিব পাৰে নে কোৱা নীতা? হয়তোবা ধৈৰ্য ধৰিব পাৰিলোহেঁতেন যদি মই সংগমৰ দৰেই প্ৰেমক খেলাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। পিছদিনা মধুৰ বেদনা বুকুত লৈ কোনোমতে ঘৰ পালোগৈ। ঘৰত কিছুদিন থকাৰ পাছত যেতিয়া মোৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে, পাছ কৰিলো তেতিয়া কেইবাদিনো মাইতে মোৰ ওচৰত বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। অ' তোমাক কবলৈ



পাহৰিছোৱেই নীতা, মাইতৰ বাহিৰে গুৱাহাটীৰ ধনী পৰিয়ালৰ ল'ৰা সংগমৰ লগত মোৰ অবৈধ সম্পৰ্ক আছিল বুলি আমাৰ গাওঁবাসীয়ে গম পাইছিল, কাৰণ আমাৰ ছাত্ৰী-বাসৰ ৰান্ধনিজন আমাৰ গাঁৱৰে আছিল। সি কেতিয়াবা গাঁৱলৈ আহিলে বদনাম খুচৰি ভাল পোৱা গাঁৱৰ মাইতৰ আগত মোৰ আৰু সংগমৰ মাজত থকা সম্পৰ্কৰ কথা বিয়াৰ দৰে জানিছিল সকলোবোৰ কৈছিল। ইয়াৰ পাছত যেতিয়া প্ৰতি-দিনে মাইতে মোক বিয়াৰ বাবে ব্যতিব্যস্ত কৰি তুলিলে তেতিয়া মই এদিন মাইতক স্পষ্ট ভাবেই জনাই দিলো যে তোমালোকে যদি মই জীয়াই থকাটো বিচৰা তেন্তে বিয়া সম্পৰ্কীয় কথাৰে মোৰ ওচৰলৈ আৰু কোনোদিনেই নাহিবা। মাইতে মোক ইমান কষ্ট কৰি পঢ়া-শুনা কৰোৱাৰ পাছত মাইতৰ মনত কষ্ট দিয়া উচিত জানো আছিল নীতা? কিন্তু মাইতক কষ্ট দিয়াৰ বাবে একমাত্ৰ সংগম, সংগীতা আৰু জানো মোৰ অবাধ্য মনটো-কেই অপৰাধী কৰিব নেলাগিব?

এদিন মাইতে মোৰ দুখৰ বাবেই সৰু মামাক মতাই আনিলে। মামাই অকলশৰে মোক কিছু বুজোৱাৰ পাছত মামাক মই কৈছিলো, মামা মই বিয়া হ'ম, যেতিয়াই কিছুমান পুৰুষ ঠগ প্ৰৱঞ্চক নহব, পুৰুষে প্ৰেমক খেলাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ নকৰিব, সমাজে দুখীয়াৰ দোষ দেখাৰ দৰেই ধনী শ্ৰেণীৰ দোষো দেখিব, তেতিয়াই মোৰ বিয়া হব। ইয়াৰ পাছত মামাই আৰু মোক কোনোদিনেই বুজোৱাৰ বৃথা চেষ্টা কৰা নাছিল। যেতিয়াই মোৰ বিয়া নোহোৱাৰ কথাটো গোটেই গাঁৱতে জন-জাত হৈ পৰিল তেতিয়াৰে পৰাই আমাৰে হিংসা



কৰি থকা আমাৰ গাওঁবাসী ৰাইজে আমাৰ ঘৰ খনৰ ওপৰত প্ৰতিশোধ লোৱাৰ সুযোগ পালে। কেইদিনমান পাছতেই সঁচা-মিছা কিছুমান অভিযোগ সন্নিবিষ্ট কৰি মোৰ হৈ এখন মেল পাতিলে। যেতিয়া মোক সংগমৰ লগত বিয়া নোহোৱাৰ কাৰণ সুধি সুধি জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰিলে, তেতিয়া মই খঙত অধৈৰ্য হৈ ক'লো, উপস্থিত গাওঁবাসী ৰাইজ, পত্নীৰ চকুত মুখি দি প্ৰেমক খেলাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি মোৰ জীৱনটো ধ্বংস কৰাৰ বাবে আপোনালোকে ভৰা সংগম নামৰ পুৰুষ জনৰ বেছি পাপ হ'লনে মোক পত্নী হিচাপে গ্ৰহণ কৰা হেতেন পাপ বেছি হ'লহেতেন সেই প্ৰশ্নটোৰ উত্তৰ মই ইয়াত উপস্থিত থকা প্ৰতিজন ব্যক্তিৰ পৰা বিচাৰিছো? যেতিয়া সমাজখনেই নীৰৱ তেতিয়া মই ভাবিছিলো নীতা কিছুমান মিছা অভিযোগ গোটাই যেই মেল পাতিব পাৰিলে কিন্তু মোৰ প্ৰশ্নটোৰ উত্তৰ সমাজখনে দিব নোৱাৰিলে কিয়? অৱশেষে সমাজে উত্তৰটো দিব নোৱাৰাৰ কাৰণ এটাই আছিল নীতা। কাৰণ গাঁৱৰ ৰাইজে বহুত আগতেই জানিছিল যে সংগম ধনী পৰিয়ালৰ ল'ৰা। সেয়ে হয়তো সংগমৰ বিৰুদ্ধে মত প্ৰকাশ কৰাৰ সংসাহস কোনেও দেখুৱাব নোৱাৰিলে। ইয়াৰ পাছত আৰু গাঁৱত থকাৰ ইচ্ছা মোৰ নোহোৱা হ'ল। সেইহে চাকৰি বিচাৰিব লাগিলো। বহুত কষ্ট দিয়াৰ পাছত ভগৱানে হয়তো এইবাৰ চকু মেলি চালে। মই ভাগ্য ক্ৰমে তোমালোকৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকাৰ চাকৰি-টো পাই গলো। ইয়াৰ পাছত যেতিয়া ছাত্ৰীবাস নিৰি-ক্ষকৰ সান্নিধ্যত মোৰ জীৱনত পৰিল তেতিয়া মই

ভাবিছিলো তোমালোকৰ মাজত থাকি মই হয়তো মোৰ মৰহা অতীতটোক কিছুপৰিমাণে হলেও পাহৰি যাব পাৰিম। কিন্তু মোৰ ধাৰণা একেবাৰেই ভুল হ'ল নীতা। কিয় জানো তোমালোকক দেখিলেই অতীতৰ স্মৃতিবোৰে আহি মোক খুউব আমনি দিয়ে। যেতিয়া অজানিতেই তোমাৰ লগত মোৰ বন্ধুত্বৰ ভাব গঢ়ি উঠিল তেতিয়া এদিন স্থিৰ কৰিলো যে মই মোৰ সকলো কাহিনী নীতাক কম এই কাৰণেই যে তাইযো জীৱনলৈ মোৰ নিচিনাকৈ কোনোবা ঠগ প্ৰবঞ্চকৰ প্ৰতীক সংগম-সংগীতা আহি জীৱনটো ধ্বংস কৰি নেপেলায়। তাৰ পাছত চকু পানী মচি বাইদেউয়ে পুনৰ কলে কি ভাবি নীতা মায়ে সবুতে মোৰ নামটো এনিশা ৰাখিলে কব নোৱাৰো। এটা নিশাৰ ভুলৰ বাবেই (সংগমৰ লগত চিনাকি হোৱা নিশাটো) মোৰ জীৱনটো ধ্বংস হৈ গ'ল। বাইদেউৱে কথাবোৰ কৈথাকোতেই ভাত খোৱাৰ ঘণ্টা বাজিল। মই ভাত খাবলৈ নগৈ গা বেয়া লাগিছে বুলি কৈ পোনে পোনে গৈ বিচনাত বাগৰ দি এনিশা বাইদেউৱে সকল অন্তৰেৰে কৈ যোৱা কথাবোৰকেই ভাবিছো। যিটো প্ৰশ্নৰ উত্তৰ ন বছৰ ধৰি বাইদেউৱেই পোৱা নাই, মেলত গোটেখোৱা এজনো ৰাখিয়ে দিব নোৱাৰিলে সেই প্ৰশ্নটোৰ উত্তৰকেই বিছনাত পৰি পৰি ভাবিছো। হয়তো বিদ্যুত গলনকৈ হলেও সমাজে বাইদেউৰ প্ৰশ্নটোৰ উত্তৰ দিবলৈ সক্ষম হব, যেতিয়াই ধনী শ্ৰেণীৰ বিৰুদ্ধে মাত মতাৰ সাহকণ গোটাব পাৰিব। এনিশা বাইদেউৰ দৰেই মযো হয়তো অধীৰ আগ্ৰহেৰে বাট চাই থাকিম সেই দিনটোলৈ।

---

শ্যায়েৰী — (১) "কয়ামত তক বহো শাদা
য়হী দিলকী তমান্না হৈ।
ঘড়ী দে বহ মিল জায়ে
হমে জী ইয়াদ কৰ লেনা।"

গোটেই জীৱন তুমি শান্তিত থাকা, মোৰ এয়ে প্ৰাণৰ চিৰ কামনা। যদি সময় পোৱা তেন্তে মোক মনত পেলাবা।



# অ প ৰা জি তা

জোনময়ী বৰুৱা
স্নাতক, প্ৰথম বাৰ্ষিক

এতিয়া বহুত নিশা। কি যে গভীৰ স্তব্ধতা। পৃথিৱী স্থবিৰ। কিন্তু জান সুজাতা—মই সাৰে আছো। অকলে। চাকিটোৰ অনুজ্জ্বল শিখাটো লাহে লাহে ক্ষীণ হৈ যাব ধৰিছে। হয়তো তাৰ শেষ তেলখিনি পুৰি শেষ হৈ যাব ধৰিছে। আৰু মই? তোৰেই চিঠিখন আগত লৈ মই বহুত সময় এনেয়ে কটাই দিলো। আৰু শেষত তই মজনা কাহিনীটো তোৰেই চিঠিৰ উত্তৰ হিচাপে জনাব খুজিছো তই জানো বিশ্বাস কৰিবি?
হয়তো কৰিবি।
হয়তো এটা হুমুনিয়াহ পেলাবি। নীৰৱে!!
"তই হবলা এতিয়া সুখ জীৱনৰ দিনতে মচগুল"।
— এয়া তোৰেই চিঠিৰ ভাষা
কিন্তু তই কোৱাৰ দৰে যদি মচগুল হলোহেঁতেন! যদি সেই মচগুলতেই তইতক পাহৰি গলোহেঁতেন! কিজানি বৰ আনন্দৰ হ'লহেঁতেন!!

এৰা তেনেকুৱা কিবা এটাই হ'লহেঁতেন কিজানি। কিন্তু নহ'ল। নহ'ল বাবেই তোৰ চিঠিৰ এটা কাহিনীহে হ'ল। অতীতৰ দিনবোৰ তোৰ হয়তো মনত আছে। মোৰো আছে। মনত আছে তই আৰু মই ভাতৰ হোৱা গাওঁখনৰ কথা আৰু মনত আছে তোৰে সৈতে গুৱাহাটীলৈ গৈ কলেজত পঢ়াৰ কথা।

এৰা বহুত কথাই মনত আছে। অ' তই আমাৰ দলটোৰ কথা সুধিছিলি নহয়। নিশা, সন্ধ্যা আৰু কান্তাৰ কথা।
নিশা, সন্ধ্যা মাত হ'ল।
কান্তাৰ বিয়া নহ'ল।

কিয় জান? তোৰ মোৰ সকলোৰে বিশ্বাসৰ সমীৰে কান্তাৰ ভালপোৱাক বিশ্বাসঘাতকতা কৰিলে। সি কান্তাৰ ওচৰত দহ হাজাৰ টকাৰ যৌতুক দাবী কৰি নিজকে বেচিব বিচাৰিলে। আৰু গৌৰী কান্তাই দহ হাজাৰ টকাৰে সমীৰক কিনাৰ পৰিবৰ্তে প্ৰত্যাখ্যান দিলে পূৰ্ণছেদ চৰ এটাৰে।

কান্তা এতিয়া বেংক এটাৰ কেৰাণী। সমীৰক হেৰুওৱাৰ বেদনাত তাই কেতিয়া। দিনেই কাতৰ হৈ নুথিল। যদিও তাই আৰু কাকো বিয়া নকৰালে। তাই কোৱামতে তাইহেনো দ্বিতীয়বাৰ ভুল নকৰে।

তোৰ চিঠিৰ দুবছৰ উত্তৰ দিবলৈ হ'লে এতিয়া মই মোৰ কথা কব লাগিব। অনুজৰ কথা কব লাগিব। এৰা, এটা কাহিনী কব লাগিব। স্কুলত কলেজত মই যে বক্তৃতা দিছিলো তোৰ চাগৈ মনত

আছে ! গোটেই অঞ্চলত মই কেৱল মোৰ বক্তৃতাৰ বাবেই সৰবৰাহী আছিলো। তই কলেজৰ প্ৰথম দিনটো মনত আছেনে নাই সুধিছ। আছে, আছে। নাথাকিব কিয় ? কটনৰ দৰে অসমৰ এখন বিখ্যাত কলেজৰ প্ৰথম দিনটোৰ কথা কিয় মনত নাথাকিব ?

নতুনৰ মাজৰ পৰা অকল মই বক্তৃতা দিবলৈ মঞ্চলৈ উঠি গৈছিলো। শিক্ষকসকলৰ পৰা অসংখ্য ছাত্ৰৰ "ফুট্ ফুট্" চিঞৰবোৰ মোৰ কাণত নপৰাকৈ থকা নাছিল। অথচ মোৰ মাত শুনাৰ পাছত সকলোৱে চিঞৰ বন্ধ হৈ গৈছিল। মনত পৰিলে আজিও মোৰ হাঁহি উঠে। কিয় জান ? সেই উদণ্ড ছাত্ৰবোৰে মোৰ উগ্ৰ মস্তিষ্কৰ আঘাত নিশ্চয় পাইছিলো— কিন্তু কলা নাছিলো। অনুজক মোৰ পথলৈ আনিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো।

বাৰু থাওক সেইবোৰ কথা। তই কি সুধিছিলি ? অনুজৰ কথা। অনুজ এতিয়া নাম কৰা ডাক্তৰ হ'ল। কিন্তু তই ভবা মতে অনুজ এতিয়া মোৰ কাষত নাই। তাকেই কব বিচাৰিছো।

তোৰ লগত মোৰ কিমান বছৰ দেখাদেখি হোৱা নাই মনত আছে নে ? এঘাৰ বছৰ। বহুত দীঘল সময়। তই তোৰ ইঞ্জিনীয়াৰ স্বামী অনুপৰ লগত কলিকতালৈ যোৱাৰ পাছত আমাৰ মাজত বহু পৰিবৰ্ত্তনেই আহি গ'ল। বি, এ পঢ়ি থাকোতেই ঘৰত মোৰ বিয়া ঠিক কৰিছিল। কিন্তু এম, এ পঢ়াৰ অজুহাত দেখুৱাই সেই বিয়াত মই ভীষণ আপত্তি কৰিছিলো। মা-দেউতাই মোৰ কথাতে ৰাজী হ'ল। হ'বলগীয়া বিয়াখন মনেই ভাঙি দিলো। বি, এ মই খুউব ভালদৰে পাছ কৰিলো। এম, এ ফাইনেল দিয়াৰ পাছত অনুজ যোঁৱাৰ আগবাঢ়ি আহিল মই বাধা নিদিলো ! তইতো জান অনুজ আৰু মোৰ মাজত বুজাপৰা আগৰ পৰাই আছিল। বিয়া মোৰ হৈ গ'ল অনুজৰ লগত। কিন্তু অনুজ মোৰ কাষত নাথাকিল ! থাকিব নোৱাৰিলে। বিয়াৰ আগলৈকে মই চিনি পোৱা অনুজ চৌধুৰীৰ লগত নিমিলিল অনুপমা। সমীকৰণটোৰ আৱৰ্ত্তণিতেই যে কেনা লাগিছিল মই ধৰিবই পৰা নাছিলো। উত্তৰটো শেষত নোলালগৈ। বিয়াৰ পিছত দিন যোৱাৰ লগে লগে মই উপলব্ধি কৰিলো অনুজ আৰু মই দুটা ভিন্নসুৰী গান। তথাপিও ভাবিছিলো গান দুটা একসুৰী কৰিবলৈ চেষ্টা কৰিম !

কিন্তু চেষ্টা চেষ্টাতেই থাকিল। বিয়াৰ একমাহ নোহওঁতেই দেখিলো অনুজ মদ্যপানত অভ্যস্ত। আঘাত নিশ্চয় পাইছিলো — কিন্তু কন্দা নাছিলো। অনুজক মোৰ পথলৈ আনিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো।

কিন্তু সেই সময়ত ভবা নাছিলো ইয়াতকৈও ভয়ানক কিবা এটাই মোৰ বাবে অপেক্ষা কৰিছে। যিটোক মই সপোনতো ভবা নাছিলো। হয়তো মই মোৰ জীৱনটোৰেই অতি সাৱধানেৰে আগবাঢ়িছিলো, অৱশেষত নিয়তিয়েই আহি মোৰ সন্মুখত দেখা দিলেহি। অনুজ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এজন ভাল চিকিৎসক হৈছিল। আমাৰ বিয়া হোৱাৰ পাছত আমি গুৱাহাটীতে থাকিবলৈ লৈছিলো। সময়বোৰ পাৰ কৰিবলৈ মই এটা চাকৰি যোগাৰ কৰি ললো। গুৱাহাটীত থাকিবলৈ লোৱাৰ দুদিনমানৰ পাছতে অনুজে চিনাকি কৰি দিছিল



মোক বিজ্ঞাৰ লগত। বিজ্ঞা আছিল অনুজৰ লগতে কাম কৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এজনী পৰিচাৰিকা। ছোৱালীজনীক প্ৰথমৰ পৰাই মোৰ কিবা এটা মৰম লাগিছিল। বিজ্ঞা আছিল খৃষ্টান ছোৱালী। ছোৱালীজনী'ৰ মুখখনত এক ধৰণৰ সৰলতা এটা সনা আছিল; আৰু বেচ ধুনীয়া ছোৱালী আছিল তাই। বিজ্ঞা আমাৰ ভাড়া ঘৰলৈ প্ৰায়েই আহে, মই অকলে থকা সময়খিনি তাই বেচ জমাই আহিলহি। কিন্তু মই লক্ষ্য কৰিছিলো অনুজ যেন আগতকৈ বহু বেলেগ হ'ল। ঘৰত থকা সময়খিনি অনুজে কথা কম কোৱা হ'ল। এদিন বিজ্ঞা নাহিলেই —আজি ঘৰ আমনি লাগিছে বুলি কব পৰা হ'ল ! পাছত শুনিছিলো অনুজ আৰু বিজ্ঞাই- কুৎসিত কাণ্ড কৰিবলৈ আৰম্ভ কৰিছিল। মই কিন্তু নিজে নেদেখালৈকে মানুহৰ মুখে শুনা এইবোৰ কথাকে বিশ্বাস কৰা নাছিলো। এদিনৰ কথা। যিটো দিনে মোৰ জীৱনৰ যোৱন দুৱাৰ দিবলৈ বাধ্য কৰাইছিল, সেইদিনটোৰ কথা তোক নকলালে কাহিনীটোৱেই অসম্পূৰ্ণ হৈ ৰ'ব। আমাৰ ভাড়া ঘৰটোৰ বেচ্ মেণ্টত কাপোৰ ধোৱা মেচিন এটা আছে, তাতে মই কাপোৰ ধুবলৈ যাওঁ। তেতিয়া কেতিয়াবা নানা মানুহক লগ পাওঁ। এজনী বুঢ়ীক মাজে মাজে লগ পাওঁ। সিদিনা তেওঁ মোক দেখি হঠাৎ সিটো কথাৰ পিছত অনুজৰ খবৰ ললে আৰু সহজভাৱে ক'লে— "কালি দুয়োকে পানবজাৰৰ এঠাইত লগ পাইছিলো অবশ্যে"। মই অলপ আচৰিত হৈ সুধিলো— "কোন দুয়োকেই কিয়, তোমালোকৰ তাতে যে থাকে আছে সেই খৃষ্টান পৰিচাৰিকাজনী। মই তৎক্ষণাৎ সহজভাৱে হাঁহিবৰ চেষ্টা কৰি কলো— "অ" বিজ্ঞা। তাই আমাৰ ঘৰৰ ছোৱালীৰ দৰে। কালি মই কিবা কামত ব্যস্ত থকাত অনুজে আৰু তাইকে বজাৰলৈ পঠালো।

সুজাতা, সিদিনাই মোৰ বুকুত হাতুৰিৰ বিৰাট ঘা এটা পৰিল। মই কথমপি ওপৰলৈ উঠি আহিলো। আগদিনা গধূলি অনুজ বেচ পলমকৈ অপাৰেশ্বন থিয়েটাৰৰ পৰা আহিছিল. মোক আহিয়ে খুব ক্লান্ত স্বৰেৰে কৈছিল—"আজি এটা জটিল অপাৰেশ্বন আছিল তাতে ইমান পলম হৈ গ'ল।"

মই ওপৰলৈ গৈ অনুজক শান্তভাৱে সুধিলো— 'অনুজ, কালি গধূলি কিহৰ অপাৰেশ্বন কৰিছিলা'। অনুজে খতমতে খাই গৈছিল—'হঠাতে এই কথাটো কিয় জানিবৰ মন গল। "কাৰণ কালি অপাৰেশ্বনৰ কথা ক'লা, কিন্তু বিজ্ঞাৰ লগত ঘুৰাৰ কথাটো নকলা।"

সুজাতা ইংৰাজীত এষাৰ বাক্য আছে জানযে Offence is the best defence ? অনুজে ঠিক তাকেই কৰিলে। তেওঁ মোৰ ওপৰত জ্বলি পাই উঠিল—'বিজ্ঞাক বাটত লগ পাই গ'লো। সেইটো নোকোৱাটো ইমান অপৰাধৰ কথা হ'লনে? সেইটো মোৰ প্ৰতিটো গতিবিধিৰ তোমাৰ, জবাব, কৈফিয়ৎ দিব লাগিব নেকি ? তোমাক জনোৱা দুখৰ পৰা সেইকাৰণে বাবেহে সেই কথাটো নকলোঁ। তোমালোক মহিলাৰ বাবেহে সেই কথাটো নকলোঁ। তোমালোক জনমীয়া ছোৱালী, জীৱন সংকীৰ্ণমনা পৰিচাৰিকা এজনীৰ লগত বাটত দেখিলে তোমালোকে মহাভাৰত অশুদ্ধ হোৱা বুলি ভাবিবা নহয়।" অনুজে কোৱা কথাখিনিৰ প্ৰতিটো শব্দই একোটা তীক্ষ্ণ শৰৰ দৰে মোৰ বুকু দুৰ্বাৰ কৰি দিছিলহি। মই বুক

হৈ গৈছিলো। মোৰ ধাৰণাক অবাস্তৱ কৰি বুটীয়ে কোৱা কথাখিনিয়েই সত্য আছিল। জানিছিলো অনুজ বিজ্ঞাৰ প্ৰেমত পৰিছিল।

সুজাতা, মই সেইদিনা আৰু কোনো মাত মাতিব পৰা নাছিলো। অসহায় দুখত কেৱল উচুপি উচুপি কান্দি থাকিলো। গোটেই ৰাতি শুব নোৱাৰিলো। মনলৈ ভাব আহে — মোৰ বাবেতো ভৱিষ্যৎ মানেই এক অন্তহীন ঈৰ্ষ্যাৰ যন্ত্ৰণা, তেনেকৈ জ্বলি পুৰি বাচি থকাতকৈ এসোপা স্লিপিং টেবলেট গিলি অনন্ত নিদ্ৰাৰ কোলতে ঢলি নপৰো কিয়? কিন্তু আকৌ মনটোত একধৰণ জেদৰ ভাব এটা জাগি উঠে— মই ইমান দুৰ্বলতা কিয় দেখুৱাম? আকৌ বেলেগ কথা এটা মনত পৰে—ঈৰ্ষ্যা সঁচাকৈয়ে অতি ভয়ানক মৰ্মঘাতী অভিজ্ঞতা, এনেকি বাট্ৰাণ্ড ৰাছেলৰ দৰে মানুহেওহেনো যথেষ্ট পৰিণত বয়সতো ঈৰ্ষ্যাৰ জ্বালত জ্বলি ঠেঙটা নেকি স্লিপিং টেবলেট খাই আত্মহত্যা কৰাৰ চেষ্টা কৰিছিল। উস, অনুজে যদি মোক ভালপাই, মোৰ এই কষ্টখিনি বুজিবৰ হয় নকৰে কিয়? সেইদিনা মই একেবাৰে কব পৰা নাছিলো সুজাতা। হয়তো সেই সময়ত মই উন্মাদ হৈ পৰিছেলো। তাৰপিছত অনুভৱ কৰিছিলো অনুজৰ কাষত থকা মানেই মোৰ সমগ্ৰ সত্বাক শেষ কৰি দিবাহে হব। অনুজক আৰু গুচোতাই অনাৰ পথ নাই। জীৱনত প্ৰথমবাৰৰ বাবে পৰাজিত হৈছিলো। সেইবাবে তাৰ পিছ-দিনাই মই অনুজৰ কাষৰ পৰা গুচি আহিছিলো অনুজৰ ফালে এবাৰো চোৱা নাছিলো। সেই মুহূৰ্তত প্ৰচণ্ড ঘৃণাত মোৰ অনুজক হত্যা কৰিবলৈহে মন গৈছিল। কিন্তু নোৱাৰিলো। পৰা হলে বৰভাল আছিল সুজাতা।

তাৰপিছত মই শিৱসাগৰলৈ আহিছিলো ছোৱালী কলেজ এখনৰ অধ্যাপিকা হৈ। অনুজে দিয়া আঘাটোখিনি মই এই ছোৱালীবিলাকৰ মাজতেই পাহৰিবলৈ চেষ্টা কৰিছিলো। সুজাতা তোৰ হয়তো অনুজৰ কথা জানিবলৈ গৈছে। মই গুচি অহাৰ পিছত অনুজে মোলৈ কেইবাখনো চিঠি দিছিল। তেওঁৰ প্ৰতি যদি মোৰ অলপো ভালপোৱা অৱশিষ্ট আছে, মই উলটি যাওঁ। তেওঁৰ চিঠিবোৰ পাই এনেকুৱা লাগিছিল যেন পাৰিলে এতিয়াই তেওঁৰ ওচৰলৈ উৰামাৰি যাওঁ। কিন্তু ওহোঁ 'বিনয় কৰেছ যাৰে নয়নেৰ জলে, এখন ফিৰাব তাৰে কিসেৰ ছলে'— অনুজৰ ওচৰলৈ মই উভতি যাব নোৱাৰো; তেওঁ বিজ্ঞাক ত্যাগ কৰিলেও কেতিয়াবা আৰু কোনোবা নতুন বিজ্ঞা তেওঁৰ জীৱনলৈ আহি যাব পাৰে। অনুজৰ দৰে মানুহৰ ওচৰত আৱেগৰ নিৰাপত্তা নাই, তেওঁৰ হৃদয়ৰ ভুতটোলৈ মোৰ বৰ ভয় লাগে। তাতকৈ এয়ে ভাল, মোৰ এই জীৱনেই ভাল— 'আজিকে হয়েছে শান্তি, জীৱনৰ ভুল ভ্ৰান্তি সব চুকে গেছে।"

গম পাইছিলো অনুজে পুনৰ বিবাহ কৰাই ছিল, এজনী পৰিচালিকাক। বিজ্ঞাক কিন্তু নহয় সেই, বিজ্ঞাৰ হেনো বেলেগ এজন ডাক্তৰৰ লগত বিয়া হৈ গৈছিল। মই এতিয়া এ ছোৱালী কলেজখনৰ হোষ্টেল চুপাৰিইনটেণ্ড। ছাত্ৰী নিবাসৰ মাজত থাকি মই অনুজৰ স্মৃতিবোৰ পাহৰিব বিচাৰো সুজতা। মই এতিয়া ডাঃ অনুজ চৌধুৰীৰ পত্নী নহয়। অনুজৰ কাষৰ পৰা উভটি অহাৰ পিছত আমাৰ ঘৰখনত যেন বিনা মেঘে বজ্ৰপাত হ'ল। মোৰ দাদা প্ৰথমৰে পৰা অনুজৰ লগত এই বিয়াৰ ঘোৰ বিৰোধী আছিল, কাৰণ তেওঁৰ হেনো দৃঢ়-বিশ্বাস প্ৰেমৰ বিয়া কেতিয়াও কৃতকাৰ্য্য নহয়। এতিয়া তেওঁ দুখ কৰিলেও নিজৰ বিজয়ৰ ঢাক ঢোল নিপিটাকৈ নেথাকিল। আত্মীয় স্বজন সকলোৱে মোকেই দুষিবলৈ ধৰিলে তিৰোতা মানুহৰ ইমান তেজ ভাল নহয়। পুৰুষে অলপ কিবা দোষ কৰিলেও তিৰোতাই সেইবোৰ সহ্য কৰি যাব লাগে। লোক মানুহবোৰে এই কাৰণেও দোষিব নোৱাৰা হ'ল যে মই কাৰো ওচৰত কান্দি কাটি মোৰ দুখৰ কথা কৈ পুতো ভিক্ষা কৰিবলৈ নগলো। মই হাঁহি মাতি সকলোৰে লগত এনেকৈ স্বাভাবিক ভাৱে চলিবলৈ ধৰিলো যেন আন সহজনী সধাৰণ ছোৱালীৰ দৰেই মোৰ জীৱনতো কোনো অস্বাভাবিক ঘটনাই ঘটা নাই। মই মোৰ পাঁজৰত কথাসমূহ বোৰ যেন স্পষ্টকৈ শুনিবলৈ ধৰিলে— "কম সাংঘাটিক ছোৱালী নহয় দেই! সেইবাবেই বোধহয় গিৰিয়েকে খেদি পঠিয়াইছে!

কিন্তু সুজাতা, মই কেতিয়াও হাৰমনা ছোৱালী নহয়। আনৰ ওচৰত মই পুতোৰ পাত্ৰ হ'ব নিবিচাৰো। মোক লাগে স্পষ্টবাদীতা আৰু সত্যবাদীতা অনুজৰ ওচৰত মই বিচৰা একোৱেই নাপালো, অৱশেষত মৰেই হাৰি-গলো সুজাতা।

———

# " পদক্ষেপ "

কবিতাৰাণী দাস
স্নাতক, ১ম বাৰ্ষিক

কোঠাটোৰ চাৰিওখন খিৰিকি খুলি দি তৰালি দক্ষিণদিশৰ খিৰিকিখনৰ কাষত ব'লহি । তাই খিৰিকিখনৰ পৰ্দাখন একাষৰীয়াকৈ কোচাই সন্মুখৰ ফালে তাইৰ দৃষ্টি প্ৰসাৰিত কৰিলে । তাইৰ সন্মুখৰ বাটটো এতিয়া নীৰৱ, জনশূন্য । বাটটোৰ দাঁতিৰ শিমলু ৰুকইজোপা, ৰঙা হৈ ফুলিবলৈ আৰম্ভ কৰিছে । সিহঁতৰ পদূলিমুখৰ নাহৰ দোজোপাই কুঁহিপাত মেলি এক অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিছে । বাটটোৰ সিপাৰে নাতি দূৰত সৌখন কলং বৈ গৈছে । তাৰ দুয়োকাষে কহুঁৱাবোৰে নাচি আছে ! তৰালিৰ মনটো ভাল লাগি গ'ল । এইবাৰ তাইৰ দৃষ্টি দূৰৰ পৰা আহি একেবাৰে সিহঁতৰ ফুলনিখনত নিবদ্ধ হ'লহি । তগৰ আৰু গোলাপ দোজোপা দেখি তৰালিৰ হাঁহি উঠি গ'ল । সিহঁত ইমান পয়োভৰে ফুলিছে যেন ফুলাৰ প্ৰতিযোগিতাহে পাতিছে । তাৰ কাষতে ডালিয়া ফুলবোৰে, পপিফুলবোৰে মিহিকৈ হাঁহি হাঁহি ফুলি আছে । তৰালিয়ে যেন আজি নতুনকৈহে প্ৰকৃতিৰ ৰূপ দেখিলে । তাই যেন বহুত দিন আন্ধাৰৰ মাজত আছিল এনে লাগিল তাইৰ ।

এটা অশান্ত তৰালি বাহিৰৰ জগতখনৰ পৰা আঁতৰি আছিল । গোটেই সপ্তাহটো কোঠাৰ ভিতৰত আহত পখীৰ চট্‌ফটনি কৈ তৰালি সোমাই আছিল । এটা সপ্তাহে প্ৰকৃতিক যে এনেদৰে সলাব পাৰে তাই এই প্ৰথম আবিষ্কাৰ কৰিলে । তাইৰ চকুত প্ৰকৃতি আজি সৌন্দৰ্য্যময়ী, লাস্যময়ী, মহীয়সী ।

খিৰিকিখনত আউজি তৰালি অন্যমনস্ক হৈ পৰিল । ইমান সহজে যে তাই জিকিব ভাবিবই পৰা নাছিল । বিশেষকৈ আভিজাত্যৰ অভিমানেৰে অভিমানী দেউতাকে যে তৰালিৰ ওচৰত ইমান সোনকালে হাৰ মানিব সেয়া তাইৰ কল্পনাৰো অতীত আছিল । কিন্তু তৰালি জিকিল । তাইৰ আদৰ্শ, তাইৰ দৃঢ়মনৰ ওচৰত সিহঁতৰ অভিজাত ঘৰখনে হাৰ মানিলে । ইয়াতকৈ আৰু সুখৰ বিষয় তৰালিৰ বাবে আন একোৱেই নাই ।

তৰালি মৌজাদাৰ স্বৰূপানন্দ বৰুৱাৰ তৃতীয় আৰু একমাত্ৰ কন্যা সন্তান । সৰুৰে পৰা তৰালি আছিল সৰল, উদাৰ প্ৰকৃতিৰ ছোৱালী । আভিজাত্যৰ অভিমানে তৰালিক স্পৰ্শ কৰিব পৰা নাছিল । মানুহক মানুহৰ দৰে ব্যৱহাৰ কৰিব



ভাবিলেহে জানিছিল তাই তথাকথিত আভিজাত্যৰ নামত সৰ্বসাধাৰণক উপেক্ষিত কৰিবলৈ কেতিয়াও শিকা নাছিল । এই সহজ-সৰল ছোৱালীজনীয়ে কৃতিত্বৰে কলেজীয়া জীৱনৰ সামৰণি মাৰি উচ্চ শিক্ষাৰ বাবে সাজু হ'বলৈ নোপাওঁতেই আন দহজনী সুন্দৰী, শিক্ষিতা তথা ভদ্ৰ ঘৰৰ ছোৱালীৰ দৰে বিয়াৰ কাৰণে সাজু হ'ব লগা হ'ল । বিয়াৰ প্ৰতি তৰালিৰ কোনো স্পৃহা নাই ! মাক-দেউতাকে যেতিয়া তাইক চহৰৰ বিখ্যাত উকীল জীৱন বৰুৱাৰ পুত্ৰ ডাঃ হৃদয় বৰুৱাৰ লগতে তাইৰ বিয়া হ'ব বুলি জনাইছিল তাই সচৰাচৰ বহুতে কৰাৰ দৰে 'মই এতিয়াই বিয়াৰ কথা ভবা নাই' জাতীয় একো নকৈ মাথো নীৰৱে হাঁহিছিল ।

মাক-দেউতাকৰ আগত এদিন তৰালিয়ে তাইৰ মনৰ কথা খুলি কৈছিল । তাই মাক-দেউতাকৰ আগত প্ৰকাশো কৈছিল তাই যৌতুকৰ নামত এপদো বস্তু নিনিবলৈ কৰা সিদ্ধান্তৰ কথা । মাক-দেউতাক তৰালিৰ কথাত আচৰিত হৈ গৈছিল । সঁচা তৰালিয়ে কি কৈছে ? যিঘৰ মানুহে বিয়াৰ বন্দোবস্তৰ সময়তেই যথেষ্ট পৰিমাণৰ যৌতুক লগাৰ কথা ইংগিতেৰে প্ৰকাশ কৰিছিল, সেইঘৰ ঘৰলৈ তৰালি যাব যৌতুকবিহীনা হৈ । তদুপৰি যৌতুকৰ সমাজখনকৈ তেওঁলোকেওতো কেইবাজোৰা ওজনৰ সোণৰ অলংকাৰপাতি দিব । এনেক্ষেত্ৰত সমাজৰ খাতিৰত যৌতুক দিব লাগিবই । আৰু মৌজাদাৰেই বা কেনেকৈহে পঠাব কিয় ? এজনী ছোৱালীক সাজং-কাচ কৰি উলিয়াই দিবলৈ মৌজাদাৰৰতো একোৱেই অভাৱ নাই ! তেওঁলোকে তৰালিক বুজালে তেনে আইলনা নকৰিবলৈ । কিন্তু তৰালি অটল ৰ'ল ।

তাই যৌতুকৰ নামত টকাৰ বাহাদুৰি দেখুওৱাটো পছন্দ নকৰে । তৰালিয়ে তাইৰ লগত এজনী গাভৰুক এখন নতুন ঘৰত যিখিনি বস্তু নহলে নহয়, সেইখিনি নিবলৈ প্ৰস্তুত । কিন্তু সেইখিনিতে সন্তুষ্ট নাথাকি বহুটকা মূল্যৰ ৰেডিঅ', টেপ-ৰেকৰ্ডাৰ, টকা, মূল্যবান অলংকাৰ-পাতি যৌতুকত নিবলৈ তাই নিবিচাৰে । তাইক অলংকাৰো নালাগে । এজনী জনতাকৈ অধিক অলংকাৰ দিয়া বা লোৱাৰ কোনো যুক্তি তাই নেদেখে । আভিজাত্যৰ বিলাসবোৰে তৰালিৰ মন তীব্ৰভাৱে জ্বলাই তুলিছে !

তৰালিক তাইৰ মতৰ পৰা লৰাবলৈ প্ৰথমতে মাক-দেউতাকে মৰমেৰে বুজাইছিল । মাক-দেউতাকৰ বুজনি শুনি তৰালিক পিছত খঙেৰে বুজাব লগা হৈছিল । কিন্তু তৰালিয়ে মাক-দেউতাকৰ লগত যৌতুকৰ প্ৰসংগত আপোচ কৰাৰ কথা ভাবিবই নোৱাৰে । আপোচৰ কথা ভাবিলেই তাইৰ মনৰ পৰ্দাত ভাঁহি উঠে মদন মাষ্টৰৰ শেঁতা চকুযুৰি আৰু ক্ষুদ্ৰ শৰীৰটো । এইজন আদৰ্শবান শিক্ষকে সমগ্ৰ জীৱন আদৰ্শৰ কাৰণেই লাটি-ঘাটি খাই আহিছে । সাতসাজ লঘোনে থাকিলেও যিজন মানুহে নিজৰ আদৰ্শক আনৰ ওচৰত বিক্ৰি নকৰিছিল, সেইজন মানুহে এদিন তেওঁৰ আদৰ্শক জলাঞ্জলি দিছিল; দিবলৈ বাধ্য হৈছিল । ঘৰতে বুঢ়ী হ'বলৈ আৰম্ভ কৰা মাষ্টৰৰ একমাত্ৰ জীয়েকজনীক বিয়া দিয়াৰ সময়ত তেওঁ নিজৰ আদৰ্শক আনৰ ওচৰত নত কৰিছিল । জীয়েকৰ লগত যৌতুক দিবলৈ মাষ্টৰে পৈতৃক মাটিকণকে মৌজাদাৰৰ ওচৰত বিক্ৰী কৰিবলগীয়া হৈছিল । তৰালিৰ পৰম শ্ৰদ্ধাৰ পাত্ৰ মদন মাষ্টৰে এতিয়া বৃদ্ধ বয়সত দুখীয়াকৰ কাম

কৰি কোনোমতে এসাজ খাই আছে। তৰালিয়ে বাপ্পা নকৰে জোৱালী বিয়া দিবলৈ যে মদনমাষ্টৰৰ দৰে মানুহবোৰ দীৰ্ঘাকাংক্ষী হওঁক। তাইৰ খং উঠি যায় যেতিয়া সিহঁতৰ দৰে আৰ্থিকভাৱে স্বচ্ছল শ্ৰেণীটোৱে লাহ্-বিলাহৰ নামত টকাৰ অপচয় কৰে। এই মানুহখিনিয়ে চিন্তা কৰি নেচায়, যিখন দেশত শতকৰা নব্বৈজনলোকে দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে, সেইখন দেশত এনেদৰে খৰচ কৰাটো কেনে প্ৰহসন মূলক। ল'ৰা-ছোৱালীৰ বিয়াৰ নামত এখন সমৰ্থবেৰে ইমান টকা খৰচ নকৰি সেই টকা যদি দহজন দুখীয়া, নিঃসহায়া শিশুৰ উন্নতিত খৰচ কৰে অন্ততঃ ভাৰতে দহজন সু-নাগৰিক পাব। তৰালিয়ে তাইৰ বিয়াখনত এই আদৰ্শ তাইৰ দৰে বহুত যুৱক-যুৱতীক দেখুৱাব খোজে।

তৰালিয়ে তাইৰ সিদ্ধান্তত অটল অচল হৈ থাকিবলৈ অৱশেষত অনশনৰ আশ্ৰয় ললে। দুদিন একো এটা খুৱাৰ নোখাবি যোৱাদাৰে উকীলৰ ঘৰত তৰালিৰ সিদ্ধান্তৰ কথা জনালে। উকীলে যোৱা-দাৰক নিজৰ অভিমত ভাবি-চিন্তি লিখিতভাৱে জনাব বুলি ক'লে। জয়ন্তৰ তেওঁৰ মতামত দিবলৈ কোনোত তেওঁ মাক-দেউতাকলৈহে পেলালে।

তৰালিয়ে তেতিয়াহে জয়ন্তৰ খবৰ পলা উত্তৰ আহিল। জয়ন্তৰ বিয়া আনত ঠিক কৰাৰ খবৰ। মাক-দেউতাকে তৰালিক গালি পাৰিলে এজন উপযুক্ত ল'ৰাক জোঁৱাই বৰণ কৰাৰ পৰা তৰালিয়ে বঞ্চিত কৰাৰ বাবে। তৰালিৰ হাঁহি উঠিল যিজন যুৱকে সামান্য যৌতুকৰ মোহ ত্যাগ কৰিব নোৱাৰে, যিজন যুৱকে মাক-দেউতাকৰ মনত নতুন চিন্তা সুমুৱাই দিব নোৱাৰে সেইজন যুৱকক হাতত পাই হেৰুৱাৰ কাৰণে মাক-দেউতাকে কৰা আক্ষেপৰ বাবে। তাই তাইৰ অনুজসকলক দেখুৱাব খোজে কিছুমান প্ৰথাৰ কু-ৰূপটোক। তাই মদন-মাষ্টৰৰ দৰে মানুহকামক এই প্ৰথাবোৰে পংগু কৰাৰ আগতে মুক্ত কৰিব খোজে।

বিয়াখন ভাগি যোৱাৰ পাছত তৰালিয়ে পঢ়াৰ কথা চিন্তা কৰিলে। তাই এইবছৰতেই বিশ্ববিদ্যালয়ত ভৰ্তি হ'ব লাগিব। পঢ়াৰ কথা উনিয়াওঁতে প্ৰথমতে দেউতাকে তেওঁৰ অবাধ্য কন্যাক পঢ়ুৱাবলৈ অমান্তি হ'ল। তৰালিয়ে তেওঁৰ সন্মানত আঘাত হনাৰ পাছত যোৱাদাৰে তৰালিক পঢ়ুৱাৰ কথা ভাবিব নোৱাৰে। যদতে তাই নিঃস্বৰ হৈ তাইৰ ভুলৰ প্ৰায়শ্চিত্ত কৰক এয়ে যোৱাদাৰৰ ইচ্ছা।

সিদিনা তৰালিয়ে সাহস গোটাই দেউতাকক কৈ পেলাইছিল ভাৰতৰ কিছুমান ৰাজ্যৰ নাৰীৰ ওপৰত যৌতুকৰ নামত চলোৱা অমানৱীয় অত্যাচাৰৰ কথা। তাই অসমতো ঘটি যোৱা সেইনাটোও এনে ঘটনাৰ উদাহৰণো দিছিল। তাই কথা শুনি দেউতাকে কৈছিল—'আমাৰ অসমত কেইটামান বিশেষ সম্প্ৰদায়ৰ নাৰীক্হে এনে অত্যাচাৰৰ বলি হৈছে। এই অত্যাচাৰতো আমাৰ সমাজক নাৰীক স্পৰ্শ কৰিব পৰা নাই।' তৰালিয়ে দেউতাকক বুজাইছিল আজি হাজাৰ টকা মূল্যৰ সম্পত্তি যৌতুক হিচাবে দিয়া বা দাবী কৰা লোকসকলে দহহেজাৰ পাছত যে লাখ টকাৰ দাবী নকৰিব তাক কোনে ক'ব পাৰে? অসমীয়া সমাজত বৰ্তমান চুবুৰীয়া ৰাজ্যত যৌতুকৰ নামত চলা



আতংকই দেখা দিয়া নাই স'চা, কিন্তু ক্ৰমবৰ্ধমান গতিৰে যৌতুকৰ নামত যি টকা খৰচ কৰা হয়, সিয়ে ভৱিষ্যতলৈ লাখৰ দাবীতো পাৰহৈ পাবে। তাই দেউতাকক কৈছিল সময় থাকোঁতেই তাইৰ দৰে শিক্ষিত যুৱক-যুৱতী চামে এই প্ৰথাটো নাশ নকৰিলে ভৱিষ্যতে সিয়েই মহুলাৰ দৰে সকলোকে ছাটি ধৰিব। তাই দেউতাকক তাইৰ কথাখিনি পুনৰ ভাবি চাবলৈ নগৰতে পঢ়াৰ ব্যৱস্থাৰ বিষয়ে সিদ্ধান্ত ল'বলৈ কৈ নিজৰ কোঠালৈ গুচি গৈছিল।

যোৱাৰাতি ভাত খাই শুবলৈ যোৱাৰ কৰোঁতেই তৰালিৰ কোঠালৈ দেউতাকে সোমাই আহিছিল। তেওঁ তৰালিক কোনো পাতনি নেমেলাকৈ সুধিছিল তাই কোনখন ইউনিভাৰছিটিত পঢ়িব, কি বিষয় ল'ব।

তৰালিয়ে বিশ্বাস অবিশ্বাসৰ চকুৰে দেউতাক-লৈ চাই থাকি তাই কৈছিল— আপোনাৰ খং ইমান সোনকালে কেনেকৈ মাইকিয়া হ'ল দেউতা ?

যোৱাদাৰে তৰালিৰ দীঘল বেণী ডালত মৰমেৰে হাত বুলাই বুলাই মাথোঁ কৈছিল—"মই তোৰ বৰ পলমকৈ বুজি পালোঁ মাজনী !"

মিনি গল্প

# ঃ- ট্ৰেইনৰ লগৰীয়া -ঃ

অৱন্তী বৰা
স্নাতক, ২য় বাৰ্ষিক

ট্ৰেইনৰ কোঠাতে পলাশ নামৰ লৰাটোৰ লগত মোৰ পৰিচয়। মই গৈছিলো দেউতাৰ লগত অৰুণাচলৰ ফালে অলপ ফুৰাৰ কাৰণে। যোৱা কেইমাহমান ধৰি কামৰ হেচাত প্ৰায় উশাহ বন্ধ হৈ যোৱাৰ অৱস্থা। কামৰ মাজতে আকৌ কলেজলৈও যাব লাগে। তাৰ বাহিৰেও মোৰ লিখাৰ চখ, দুই এটা গল্পৰ প্লটো মূৰত সোমাইছিল, কিন্তু কামৰ হেচাত কি আৰু লিখাৰ সময় পাওঁ ? সেয়ে সুবিধা পাওঁতেই দেউতাৰ লগত ফুৰিবলৈ ওলালো। তাতে কলেজো এমাহমান বন্ধ। একদিস্তামান কাগজ আৰু দুখনমান ইংৰাজী কবিতা কিতাপ লগত লৈ অৰুণাচললৈ বুলি ট্ৰেনত উঠিলো।

ইমান ঠাই থাকোঁতে অৰুণাচললৈ কিয় ফুৰিবলৈ যাবলৈ ওলালো তাৰো এটা কাৰণ আছে। অৰুণাচলত দেউতাৰ এজন বন্ধু আছে। তেখেতেই দেউতাক মাতিছিল ছুটী লৈ তাতে অলপদিন থাকিবৰ কাৰণে। দেউতা প্ৰত্যেক বছৰতে এমাহমান ছুটী লৈ বাহিৰলৈ যায়। এইবাৰ বন্ধুৰ কথা ৰক্ষা কৰিবলৈহে নে নাই বিনা পইচাতে থকাৰ সুবিধাটো পাই অৰুণাচললৈ ফুৰিবলৈ ওলাল মই নাজানো। অৰুণাচললৈ যোৱাৰ কথা কোৱাত মোৰ কিন্তু মনটো খুউব ভাল লাগিল। কাৰণ, আজিলৈকে মই অৰুণাচল দেখাই নাই।

ট্ৰেইনৰ যাত্ৰী আছিল একেবাৰে কম। মই বহাৰ ঠিক সন্মুখত এটা মূৰে পলাশ নামৰ লৰাটো বহিছিল। লৰাটো খিৰিকীৰ ওচৰত বহিছিল আৰু একান্তমনে বাহিৰৰ দৃশ্য উপভোগ কৰিছিল। মই লৰাটোৰ মুখলৈ চালো— মুখখন মধ্যম লম্বা, চুলিখিনি অপৰিপাটি, চকুৰ চাৱনি তীক্ষ্ণ আৰু ওঁঠৰ কোনত এনেকুৱা এটা ভাব যেন সদায় কিবা দুখৰ কথাহে চিন্তা কৰি আছে। পোছাক পাতিৰ ক্ষেত্ৰতো লক্ষ্য কৰিলো— লৰাটোক হঠাতে দেখিলে এনেকুৱা লাগে যেন তেওঁ বহুতদিন একেজোৰ কাপোৰকে পিন্ধি আছে। এনেকুৱা ধৰণৰ লেতেৰা কোঁচমোচ খোৱা কাপোৰ আজি কালি কোনেও নিপিন্ধে। অন্তত ইমান ডাঙৰ লৰা। লৰাটোৰ গাত এইযোৰ কাপোৰ একেবাৰে আপচু যেন লাগিছে।

দেউতা বুঢ়া মানুহ। সেয়েহে ট্ৰেইন চলাৰ লগে লগেই টোপনিয়াবলৈ ধৰিলে। মইয়ো কবিতা কিতাপ এখনকে উলিয়াই ললো। লৰাটোলৈ এবাৰ চালো সি বাহিৰলৈকে চাই আছে। জোৰ কৰি কিতাপৰ মন দিবলৈ চেষ্টা কৰিলো। কিন্তু কিতাপত একেবাৰে মন বহুৱাব নোৱাৰিলো। বাবে বাবে লৰাটোৰ মুখলৈহে চকু গৈ আছে। কিতাপ খন বন্ধ ক'ৰি দেউতালৈ চালো—টোপনিত কব নোৱাৰে। সেইকাৰণে লৰাটোলৈ চালো সি বাহিৰলৈ চোৱাতেই ব্যস্ত। প্ৰথম দেখাৰ লগে লগেই লৰাটোক মোৰ কিবা এটা কব নোৱাৰা ভাল লাগিছিল। বৰ মন গ'ল ল'ৰাটোৰ লগত চিনাকি হ'বলৈ। কিন্তু ল'ৰাটোৰ লগত চিনাকি হ'বলৈ। কিন্তু লৰাটোৱে মোৰ লগত চিনাকি হোৱাটো দূৰৰ কথা মোৰ ফালে এবাৰো মুখ নকৰিলে। মনতে খুউব খং উঠিল। ওচৰত গাভৰু ছোৱালী এজনী বহি আছে কথা এটাও পাতিব নোৱাৰেনে ? কথা নেপাতে নাই এবাৰ মোলৈ চাব নোৱাৰেনে ? এটা বুদ্ধি কৰিলো জোৰ কৰি কাহ এটা মাৰিলো আৰু ল'ৰাটোলৈ চালো কিজানিবা মোলৈ এবাৰ চায়েই। নাই ল'ৰাটোৰ মোৰ প্ৰতি কোনো কাণ কৰাই নাই। সি যেন মই বহি থকা দেখাই নাই। এইবাৰ কথা পাতিবৰ কাৰণে কেনেকৈ সুবিধা এটা পাওঁ ভাবিবলৈ ধৰিলোঁ। কিয় জানো ল'ৰাটোৰ প্ৰতি মোৰ দুৰ্বলতা বাঢ়িছিল যে তাৰ লগত চিনাকি নহলে নহবই। মই আকৌ এটা কাহ মাৰি ল'ৰাটোক সুধিলো আপুনি ক'লৈ যাব ? ল'ৰাটোৱে প্ৰথম বাৰৰ বাবে মোলৈ চালে, কিন্তু মোক এটা উত্তৰ নিদিলে। ভাবিলো মোৰ কথা শুনিলেই নেকি আকৌ কলো। এইবাৰ ল'ৰাটোৱে মোৰ কথাটোৱে মোৰ কথাটো শুনিলে উত্তৰ কলে অৰুণাচললৈ। মই লগে লগে কলো আমিও অৰুণাচললৈকে যাম। মনটো ভাল লাগিল অন্তত ট্ৰেইনত যোৱা সময়খিনি একেলগে একেখন দেশতে বহি যাব পাৰিম। ল'ৰাটোৱে মোৰ ফালে একেথিৰে চাই আছে। মই বৰ অস্থিৰ পালো। মই ল'ৰাটোলৈ গাৰ কাপোৰ ঠিক কৰাৰ চলেৰে এবাৰ চালো। ল'ৰাটোৱে মোলৈকে চাই থকাৰ কাৰণে তাৰ চকুৰে চকুৱে পৰিল। লাজ পাই মই লগে লগে তলমূৰ কৰিলো। তলমূৰ হৈ থাকিও মই গম পালো লৰাটোৱে যে মোলৈকে চাই আছে। ভাবিলো লৰাটোৱে মোলৈ চায়েই থাকিবনেকি ? কথা এটা পাতিলেও ৰক্ষা নাই ল'ৰাটোৰ কিবা এটা হ'ল। মানুহলৈ যেনেকৈ চাব লাগে তাকো নাজানেনেকি ? চিঞৰি কৈ খং উঠি গল মোৰ নিজৰ ওপৰতে। কি দৰকাৰ আছিল এইপাতৰ লগত কথা পাতিবলৈ। লৰাটোলৈ এবাৰ ঘৃণাৰে চালো— সি মোলৈকে চাই আছে। যেন মোৰ মুখত কিবা এটা নতুন বস্তু আৱিষ্কাৰহে কৰিছে। মই তাৰ মুখৰ পৰা চকু আনি দেউতাৰ মুখলৈ চালো। মই জানো টোপনিত কব নোৱাৰা হৈ আছে। ৰক্ষা নহলে লৰাটোৱে চাই থকা দেউতায়ে দেখা হলে মই নিশ্চয় বোৱাৰী সমান লাজ পালেহেঁতেন।

মই ল'ৰাটোক কলো অৰুণাচলত আপোনাৰ কোনোবা আছেনেকি ? উত্তৰ দিলে কোনো নাই। ভাবিলো কোনো যদি নায়েই তেনেহলে তাৰ কিয় যাবলৈ ওলাইছে ? সুধিবো কিন্তু একো নকলো। মই আকৌ সুধিলো আপুনি কিবা চাকৰী কৰেনেকি ? —নাই মই একো নকৰো। ল'ৰাটোৰ উত্তৰ শুনি মোৰ খুউব খং উঠিল। সি বাৰু এটা কথাও বেছিকৈ কব নোৱাৰেনে ?

মোকতো কিবা এটা শুধিব পাৰে ? খঙত একো নাই হৈ ল'ৰাটোলৈ চালো। সি তততকৈ চকুঁহাল মেলি মোলৈকে চাই আছে। তাৰ ওপৰত খং উঠিলেও মই তাক একো টান কথা কব পৰা নাই। ল'ৰাটোক মই কিবা এটা আচৰিত ধৰণে ভাল পাই পেলাইছো।

বহুত সময় মনে মনে থাকিলো। ল'ৰাটোৱেও মোলৈকে চাই চাই মনে মনে বহি আছে। বতাহ, পোহৰ আৰু নিৰ্জনতা তিনিওটাই মিলি কিবা এটা আনন্দদায়ক পৰিবেশৰ সৃষ্টি কৰিছে। এনেদৰে আৰু কোনোবা বহি থাকিব পাৰেনেকি ? মনতে ভাবিছিলো। সেউতা সাৰ পাই থকা হলেও কথা এটাকে পাতিব পাৰিলোহেঁতেন। খং উঠিল নিজৰ ওপৰতে। কিহে পাইছিল এই বুঢ়াটোৰ কাষত আহিবলৈ। খঙতে হাতত থকা বন্ধ কিতাপ খন বেগটোৰ ওপৰলৈ দলি মাৰি দিলো। ল'ৰাটোলৈ চালো মোৰ মুখলৈকে চাই আছে। কি আচৰিত—ল'ৰাটো অন্ধ নেকি ? তাৰ গালত এটা চৰ বহুৱাই ক'বলৈ মন গৈছিল আপোনাৰ নিচিনা মানুহক ভগবানে অন্ধ কৰি নিশ্চয় খুউব ভুল কৰিছে। কিন্তু কাৰ্যত একো কৰিব নোৱাৰিলো। ল'ৰাটোৰ ওঁঠৰ কোণত চকু পৰিলেই মোৰ সকলো খং মাৰ যায়। কিযে কৰুণ এই ওঁঠ দুটি, কিবা এটা যেন দুখৰ বতৰাহে দিব।

কিয় জানো ল'ৰাটোৰ নামটো জানিবলৈ মোৰ খুউব মন গ'ল। কিন্তু নামটো জনাৰো যে একো উপায় নাই। কেৰাহিকৈ তালৈ চালো সিও মোলৈকে চাই আছে। এইবাৰ সঁচাকৈয়ে ল'ৰাটোৰ ওপৰত মোৰ অতিশয় খং উঠিল। খঙত ক'ব নোৱাৰি ল'ৰাটোলৈ চালো কিবা এটা কম বুলি। কিন্তু কি আচৰিত মই চোৱাৰ লগে লগেই ল'ৰাটোৰ ওঁঠৰ কোণ দুটা অলপমান লৰিল। ঠিক যেন এটা বিষাদৰ হাঁহিহে মাৰিলে। মই ল'ৰাটোলৈ বহুত সময় চাই থাকিলো মুখেৰে একো কব নোৱাৰিলো।

হঠাতে সেউতাৰ মাতত উচপ্ খাই উঠিলো। ইমান সময়ে সেউতাৰ কথা পাহৰিয়েই আছিলো। সেউতাৱে এটা দীঘল হামি মাৰি এবাৰ খাহিবলৈ আৰু এবাৰ হাতৰ ঘড়ীটোলৈ চাই মোক কলে আমি পালোহিয়েই, ওই বেগকিটা আহেনে নাই ভালকৈ চাই লচোন মই বাথৰুমৰ পৰা আহো। সেউতা বাথৰুমলৈ যাবলৈ ধৰোতে হঠাতে ল'ৰাটোৰ ওপৰত চকু পৰিল আৰু তালৈ চাই কলে—বোপা তুমিও অৰুণাচললৈকে যাবানেকি ? ল'ৰাটোৱে হাতেৰে মুখ খন মচি মোৰ ওপৰত চকু ৰাখিয়েই ক'লে হয়। সেউতাৱে ল'ৰাটোক আৰু একো নকৈ ল'ৰালৰিকৈ বাথৰুমলৈ গ'ল।

মই এইবাৰ বেগকিটা আহেনে নাই চাবলৈ ধৰিলো। মই যদিও বেগৰ ওপৰত চকু ফুৰাই আছো তথাপিও অনুমান কৰিব পাৰিছো ল'ৰাটোৱে যে মোলৈ চায়েই আছে। মই বেগৰ ওপৰত চকু ৰাখিয়েই তাক কলো—, ইমান সময় আপোনাৰ লগত একেখন ৰেলতে বহি আহিলো অথচ এতিয়া লৈকে আপোনাৰ নামটোকে জানিব নোৱাৰিলো। ল'ৰাটোৰ ওঁঠৰ কোণদুটা আগতে লৰাৰ দৰেই অকনমান লৰিল কি যে কৰুণ এই ওঁঠ দুটি। প্ৰথম বাৰৰ কাৰণে ল'ৰাটোৱে মোৰ মুখৰ পৰা তাৰ চকু আঁতৰাই নি খিৰিকীৰ বাহিৰত থলে। মই বৰ সৰুহে পোৱাকি পালো। বহুত সময়ৰ মূৰত সি ক'লে পলাশ বৰুৱা বুলি মানুহে মোক মাতে। তাৰ কথা ইমানতে শেষ কৰি আকৌ মোলৈ চালে। তাৰ কথা কোৱাৰ ধৰণ দেখি মোৰ ইমান বেছি খং উঠিল যে তাক কৈয়ে দিলো—মই আপোনাক বহুত কিবা কিবি শুধি আমনি দিলো তাৰ বাবে আপুনি বেয়া নেপাব। মই বুজিছো আপুনি কথা পাতি ভাল নেপায় কিন্তু এজনী গাভৰু ছোৱালীয়ে ঘণ্টাৰ পাছত ঘণ্টা একেথিৰে চাই থাকিবলৈ ভাল পায়। কথা পাতিবলৈ বেয়া পালেও অন্ততঃ ভদ্ৰতা ৰাখি দুই এটা কথা কোৱাতো ভাল। দয়া কৰি কম কথা কোৱাৰ দৰে ছোৱালীলৈ চোৱাটোও কমাই দিয়ক। নহলে কোনোবা আপোনাৰ চকুঁৰ কোনোবা ছোৱালীৰ আঙুলিৰ খোচ খাই চিৰ দিনলৈ হেৰুৱাব লাগিব। কথাখিনি কৈ ল'ৰাটোলৈ চালো— কি আচৰিত এতিয়াও যে মোলৈ চাই আছে। হঠাতে তাৰ ওঁঠৰ কোণ দুটি খুউব বেছিকৈ লৰি উঠিল। এটা কৰুণ হাঁহি মাৰি তাৰ হাত দুটি লগ কৰি মোক ক'লে-, ক্ষমা কৰিব। বচ্ ইমানতে নিবোকা চামোনৰ কথা শেষ। মই কিবা এটা ক'বলৈ মুখ মেলোতেই ষ্টেচনখন বৈ গ'ল। তাৰমানে আমি অৰুণাচল পালোহি। তেনেতে সেউতা বাথৰুমৰ পৰা আহিল আৰু মোক কলে ল'ৰালৰিকৈ প্ৰায় বতৰ বেয়া কৰি আহিছে। বৰষুণে জাক অহাৰ আগতে ঘৰ পালেগৈহে হয়। মইতো সেউতাৰ কথাৰ লগে লগেই বেগ এটা লৈ ট্ৰেইনৰ পৰা নামিলো। সেউতাৰ বন্ধুজনে আমাক নিবৰ কাৰণে একঘণ্টা মানৰ আগৰে পৰাই বৈ আছিল। আমিও পলম নকৰি বেগদুটা গাড়ীত তুলিলো। হঠাতে কিবা এটা মনত পৰাৰ দৰে ল'ৰাটোলৈ চালো। সঁচাকৈয়ে আচৰিত হলো ল'ৰা-টোৱে মোলৈকে চাই ৰেলখনতে বহি আছে। সি ট্ৰেইনৰ পৰাৰ কথা ক'ব নোৱাৰেনেকি ? আচলতে সি অৰুণাচললৈ অহাই নাই আমাক এনেয়েহে কলে। যিয়েই নহওঁক, ল'ৰাটোক এৰি আহিব লগা হোৱাত মনটো খুউব বেয়া লাগিল। তেনেতে এজনী ছোৱালী লৰা লৰিকৈ ল'ৰাটোৰ ওচৰলৈ গ'ল আৰু ল'ৰাটোৰ হাতত ধৰি কলে পলাশ তুমি অহিবা বুলি কালিহে আমি খবৰ পাইছো। বাটত তোমাৰ একো অসুবিধা হোৱা নাইতো ? পলাশে ছোৱালীজনীৰ হাতত ধৰি ঠিয় হ'ল আৰু কলে নাই একো অসুবিধা পোৱা নাই। ছোৱালীজনীৰ হাতত ধৰি ধৰি পলাশ ট্ৰেইনৰ পৰা নামিল। মই আচৰিত হলো কিয় তাক ধৰি আনিব লাগে ? সেউতাৰ বন্ধুজনে ছোৱালীজনীক চিনি পায় সম্ভৱ। ছোৱালীজনী আৰু পলাশ পাৰহৈ যোৱাৰ পাছত বন্ধুজনে কলে, বুজিছে শৰ্মা এই ছোৱালীজনীৰ হাতত ধৰি যোৱা ডেকা ল'ৰাটো অন্ধ। তাৰ নাম পলাশ, সি ছোৱালীজনীক ভাল পায়। অৱশ্যে যে প্ৰেম বুলি কৈ বন্ধুজনে হাঁহিলে। মই আৰু একো কথাকেই নুশুনিলো। মুৰটো আচম্বাই কৰা যেন লাগিছে। সঁচাকৈয়ে জানো পলাশ অন্ধ ? মইযে তাৰ গালি পাৰিছিলো মোলৈ চাই থকাৰ কাৰণে —। মোৰ চকুৰেদি পানী ওলাবলৈ ধৰিলে। সেউতাইতকৈ আগত ধৰা পৰি যোৱাৰ ভয়ত লৰা-লৰিকৈ চকু পানীখিনি মচি গাড়ীত উঠিলো। মোৰ চকুৰ আগত বাৰে বাৰে পলাশৰ মুখখনহে ভাঁহি থাকিল।

অৰুণাচলত একমাহ থাকিলো। এদিনলৈকেও পলাশক দেখা নাপালো। সি বাৰু মোক ক্ষমা কৰিব নিৰনে— !!!

সুজিতৰ কথাত মোৰ বৰ দুখ লাগিল। মই দেউতাক সুধিলো দেউতা সুজিতেনো কি বস্তু চুৰ কৰিলে মই একো জনাই নাই। মোৰ কথাত দেউতা জ্বলি উঠিল আৰু খঙতেই কলে— মৰম কৰি কৰি মূৰৰ ওপৰত থৈছিলা নহয়—এতিয়া তাকেই সুধছোন, সি কি চুৰ কৰা নাই। দেউতাৰ কথাত মই বিবুত হৈছিলো যদিও পুনৰ দেউতায়েই কৈ গ'ল সি বাকচত থৈ দিয়া টকা দুশ চুৰ কৰি নিছে। মই বাধা দি কলো সেই টকা পৰহি দাদায়েই কিজানি তেজপুৰলৈ যাওঁতে লৈ যাব পাৰে। মোৰ কথাত দেউতাই জ্বলি পকি উঠি কলে সি তেজপুৰলৈ তাৰ পকেটৰ পইচাৰে গৈছে আৰু সি ঘৰত নোকোৱাকৈ এইদৰে এটা পইচাও নিনিয়ে। নেতিয়াহলে বাকচতেই থাকিব পাৰে, ভালকৈ চাইছিলনে বাবু? মোৰ মায়ে গোটেই বাকচৰ বস্তু পাত পাতকৈ চালে বাকচত পইচাৰ নাম গোন্ধেই নাই। দেউতাই কলে মই কথাবোৰ চিন্তা কৰি চালো। সুজিত তেনে প্ৰকৃতিৰ লৰা নহয়, দোকানৰ পৰা কিবা আনিবলৈ দিলেও খুঁচুৰা পইচা পাচ পইচালৈকে সি মোৰ হাতত দিয়েহি। আনহাতে দাদাইও ঘৰত নোসোধাকৈ এপইচাও নিনিয়ে বুলি মই ভালদৰে জানো। তেনেস্থলত পইচাবোৰনো বাকচৰ পৰাই কলৈ গ'ল। মোৰ ভাবত আউল লাগিল। শেষত গৈ থিৰাং কৰিলো যে আৰু সুজিতে অভাৱ কিবা বিপদত পৰি টকাখিনি নিলে আৰু এতিয়া ভয়তে স্বীকাৰ কৰিবলৈ টান পাইছে। সি আমাক খোজাহলেও আমি তাক নিশ্চয় দিলোহেঁতেন। এইদৰে মনে মনে টকাখিনি নি সি বেয়া কৰিছে। আনহাতে দৰমহাৰ ২০০/ টকা আমি তাক দিবলৈয়ে আছে। তেনেস্থলত বাকচৰ পৰা মোৰ বুজিব নোৱাৰা যেন লাগিল। মই সুজিতৰ কাষলৈ গৈ অতি মৰমেৰে কলো- সুজিত টকা খিনি নিছা যদি স্বীকাৰ কৰা তোমাক আমি একো নকৰো। তুমিতো আমাৰ পৰা পাচ মাহৰ পাচশ টকা পোৱাই। মোৰ কথাতে সুজিতে আঘাত পালে হবলা। সি কৰুণ ভাৱে মোলৈ চালে আৰু এটা এটাকৈ কবলৈ ধৰিলে বাইদেউ, আমি গৰীব সচাঁ, কিন্তু চুৰ নহয়, চুৰ হোৱাহলে কেতিয়াবাই চুৰ হলোহেঁতেন, আপোনালোকৰ ঘৰত এইদৰে কষ্ট কৰি হালোৱা নাথাকিলোহেঁতেন। তাৰ কথাত দেউতাই দপদপাই উঠিল—"থ, থ চোৰৰ মুখত ৰাম নামে শোভা নাপায়। দেউতাই মোক আদেশ দিলে আইজনী, ইয়াক অতি সোনকালে ইয়াৰ পৰা পঠিয়াইদে কত যবে মৰকগৈ। ই আৰু আমাৰ এক্ষন্তেকো ঘৰত থাকিব নোৱাৰে।

মই নিজেই যাম দেউতা। কিন্তু যোৱাৰ আগতে পুনৰ কৈ যাওঁ — মই চোৰ নহয়, ইমান দিনে কিবা দোষ কৰিছিলো যদি ক্ষমা কৰিব। কথাখিনি কৈয়েই কাকলৈকো নোচোৱাকৈ তলমূৰকৈ চকুপানী মচি মচি সুজিতে বেগটো পদুলি পাৰ হৈ গুচি গ'ল। আমি আটাইবোৰ মানুহে মূক মুৰ্ত্তিৰ দৰে সি যোৱাৰ ফালটোলৈকে চাই থাকিলো। তাক মই শেষবাৰৰ বাবে কিবা এষাৰ কবলৈকো সময় নাপালো। দেউতায়ো তাক একো নকলে, আনকি সি যাবলৈ ওলোৱাত বাধাও নিদিলে। মইজানো দেউতাই সি তেনেকৈ গুচি যোৱাত ভালেই পাইছে। কাৰণ সি দুশ টকা নিছে যদিও দেউতাৰ হিচাপত আমাৰ পৰা সি আৰু তিনিশ টকা পায়। দেউতাৰ



মতে আমাৰ তিনিশ টকা লাভ হ'ল। মই কিন্তু দেউতাৰ এনে কাৰ্য্যও বেয়া পাইছিলো। এনেহলেও দেউতাই তাক আমাৰ ঘৰতে থাকিবলৈ কব লাগিছিল। তাক নাৰাখিলেও অন্ততঃ সি পাবলগীয়া টকা খিনি তাক হিচাপ কৰি দি পঠাব লাগিছিল। মোৰ বোধেৰে দেউতাই এইটো মহা অন্যায় কাম কৰিছে। সি বেচেৰাই চাগৈ মোৰ ওপৰত কিমান বেয়া পাইছে। তাক মযেই নগাঁৱত লগ পাই আমাৰ ঘৰলৈ লৈ আহিছিলো। সেয়েহে সি মোক বৰ শ্ৰদ্ধা কৰিছিল; মোৰ প্ৰতিটো কথাই শুনিছিল আৰু তাৰ কিবা আপত্তি থাকিলে ঘৰখনৰ ভিতৰত প্ৰথম মোকেই জনাইছিল। এতিয়া সি এইদৰে গুচি যোৱাত আনৰ বেয়া নালাগিলেও মোৰ কিন্তু বৰ বেয়া লাগিছিল। মনটো বেয়া কৰাৰ বাবেই ভিতৰলৈ সোমাই গলো। মায়ে ভাত খাবলৈ মাতিলে, মই ভাত নাখালো। ভৰি-হাত ধুই বিচনাত শুই শুই সুজিতৰ কথাকেই চিন্তা কৰিবলৈ ধৰিলো। এইদৰে চিন্তা কৰি থাকোতেই কেতিয়া মোৰ টোপনি আহিল মই কবই নোৱাৰিলো। সন্ধিয়া মায়ে আহি জগাই দিয়াতহে মই সাৰ পালো। সাৰ পোৱাৰ পাছতেই আকৌ সুজিতৰ কথাই মনক আমনি দিবলৈ ধৰিলে। মনটো বৰ বেয়া লাগিল। সি চাগৈ এতিয়া কত ঘূৰি ফুৰিছে তাৰ ঠিক নাই। কথাবোৰ ভাবি ভাবিয়েই গোপনে গোপনে কুঁৱাৰ পাৰলৈ গৈ চকু-মুখ ধুই আহিলো। মুখ ধুই আহোতেই মায়ে পাছ ফালৰ পৰা আহি কলে শুনিছ আইজনী, টকা দুশ পালো নহয়। মাৰ কথা শুনি মোৰ বুকু খন চিৰিং কৈ উঠিলে। মই আচৰিত হৈয়েই মাক প্ৰশ্ন কৰিলো ক'ত পালে? মায়ে অলপ কৰুণ সুৰতেই কলে আচলতে টকা দুশ হেৰোৱা নাছিল আৰু সুজিতেও চুৰ কৰা নাছিল। তাক আমি মিছাতে আঘাত দি খেদি পঠালো। টকা দুশ দাদাৰেই তেজপুৰলৈ যাওঁতে লৈ গৈছিল। এতিয়া দাদাৰে আহি কোৱাতহে আমি গম পাইছো। কথাবোৰ শুনি মোৰ দেউতাৰ ওপৰত ভীষণ খং উঠিল। বেচেৰা সুজিতলৈ সেই সময়ত মোৰ বেছিকৈ মমত পৰিছিল। মনতে ভাবি হৈছিল এতিয়াই যেন সুজিতক বিচাৰি যাম আৰু দেউতাক ঠিক মতে গালি পাৰি দিম। কিন্তু নোৱাৰিলো। সকলো খং দমাই ৰাখি মাক প্ৰশ্ন কৰিলো—দাদা এতিয়া কলৈ গ'ল মা? তাক দেউতায়ে সুজিতক বিচাৰিবলৈহে পঠাই দিছে। মায়ে কলে। মাৰ এই কথাষাৰত মই কিছু সকাহ পালো। মনতে ভগৱানক প্ৰাৰ্থনা কৰিলো— " সুজিতক যেন আমি পুনৰ পাওঁ "। সেইদিনা দেউতাৰ অবস্থাটো দেখি মোৰ বৰ দুখ লাগিছিল। ইমান খঙাল মানুহটো হঠাতেই জঁয় পৰি গৈছিল আৰু বহু সময় একো নোকোৱাকৈ মনে মনে বহি আছিল। হয়তো সুজিতৰ কথাই ভাবিছিল। মই দেউতাৰ মুখলৈ লক্ষ্য কৰি দেখিছিলো দেউতাৰ চকুৰ পৰা দুটোপাল চকুলো গালেদি বাগৰি আহিছিল। মোৰ খুব বেয়া লাগিছিল। দেউতা অনুতপ্ত হৈছিল। ৰাতি দেউতাই নিজৰ ভুলৰ বাবে দুখ কৰি ভাত সেখোন দিছিল। সুজিত আমাৰ ঘৰৰ পৰা গুচি যোৱা আজি প্ৰায় এবছৰেই হ'ল। সেই দিনা দাদাই তাক বহুতো বিচাৰি কতো নাপালে। সি হয়তো আমাৰ ব্যৱহাৰত ক্ষুন্ন হৈছিল। নহলে ইমান দিনে সি নিশ্চয় এবাৰ হলেও আমাৰ ঘৰলৈ

আহিলহেঁতেন। আজি-কালি সুজিতৰ কথা সিমান মনলৈ নাহে যদিও মাজে মাজে তাৰ কথাবোৰে মনক আমনি নিদিয়াকৈ নাথাকে। মোৰ বাহিৰে ঘৰখনৰ আটায়ে সুজিতক প্ৰায় পাহৰিয়েই পেলালে। সিদিনা হঠাতেই সুজিতক নগাঁৱত লগ পাই মই আচৰিত হৈ গলো। তাৰ আগৰ চেহেৰা নাই, আগতকৈ অলপ শকত হল, বগাও হল, মুখত এতিয়া দাড়ি ৰাখিছে। ইমান দিনৰ পাছত তাক লগ পাম বুলি সপোনতো ভৱা নাছিলো। তাক লগ পাই মোৰ বৰ ভাল লাগিছিল। সেই দিনা মই কিবা কাৰণত অলপ দেৰিকৈহে কলেজলৈ গৈছিলো। বতৰটো ভাৰবীয়া আছিল ধাৰাসাৰে বৰষুণ পৰিছিল। নগাঁৱত যেতিয়া গাড়ী ৰাখে তেতিয়াও কলহৰ মুখে ঢলাদি বৰষুণ পৰিয়েই আছিল। বাছৰ পৰা নামিয়েই প্ৰায় দৌৰি সেৰাৰ দৰেই ৰাস্তাৰ কাষতে থকা এখন দোকানৰ বাৰান্দাত থিয় হৈ বৰষুণ এৰালৈ অপেক্ষা কৰি ৰৈ আছিলো। বতৰটো লক্ষ্য কৰি দেখিছিলো আকাশত ডাৱৰ আছেই, বৰষুণ এৰাৰ কোনো লক্ষণ নাই। নিজৰ ওপৰতেই মোৰ বিৰাট খং উঠিছিল। কি কৰিম কি নকৰিম ভাবি থাকোঁতেই হঠাতেই একাষৰ পৰা "পুনু বাইদেউ বুলি মাত এটা কাণলৈ আহিল। মাতত ঘূৰি চাই মই একেবাৰে আচৰিত হৈ গলো। আনন্দত মই নিজকে সংযত কৰি ৰাখিব নোৱাৰি প্ৰায় চিঞৰি উঠাৰ দৰেই কৈ উঠিলো 'আৰে সুজিত দেখোন ইমান দিন তুমি ক'ত আছিলা? আমাৰ ঘৰলৈতো ইমানদিনে এপাক যাব পাৰা।' চুব মানুহ আপোনালোকৰ দৰে ভাল মানুহৰ ঘৰলৈ কেনেকৈ যাম বাইদেউ। কথাষাৰ সুজিতে কিবা ঘৃণাৰ ভাবতেই কোৱাযেন অনুমান কৰিছিলো। আচলতে সি কথ লগাঁয়াও। তাৰ কথাষাৰে মোৰ কলিজা ভেদ কৰি গৈছিল। মনতে ভাবিলো তাৰ খং হয়তো এতিয়াও মাৰ যোৱা নাই। টকাখিনি যে হেৰুৱা নাছিল আৰু সিয়ে চোৰ কৰা নাছিল সেই কথাতো কওঁনে নকওঁ মনতে ভাবিলো। নাই, ইয়াত কলে বেয়া হ'ব বহুতো মানুহে শুনিব। এই কথা তাক অকলশৰীয়াকৈহে কোৱা ভাল হব। এইদৰে নানান গুণা-গঠা কৰি থাকোঁতেই সুজিতৰ মাতত মোৰ ভাবৰ আঁত ভাল হেৰাই গল—, আহক বাইদেউ মোৰ বিশ্ৰাত যাব পাৰিব, মই আপোনাক একেবাৰে কলেজৰ দুৱাৰ মুখত থৈ আহিম। তাৰ বিশ্ৰাত উঠিম নে নুঠিম মই কিছু সময় চিন্তা কৰিছিলো। মই একো নোকোৱাকৈ থকা দেখি পুনৰ সুজিতেই সামান্য হাঁহি কৈ উঠিল কি হ'ল, মোৰ বিশ্ৰাত উঠি যাবলৈ বেয়া পাইছেনেকি? মই আৰু ৰৈ থাকিব নোৱাৰিলো। তাৰ মুখলৈ চাই দোষী দোষী ভাবতেই কৈ পেলালো 'তুমি আৰু মোক লাজ নিদিবা সুজিত। আচলতে সেইদিনা দেউতাই নজনা নিচিনাকৈ তোমাক চুৰৰ বদনাম দি ভুল কৰিছিল, টকা খিনি পালো বাবাই তেজপুৰলৈ যাওঁতে লৈ গৈছিল। তুমি নাহিলা সুজিত এই কথাখিনি পাই সেইদিনা দেউতাই তোমাক বিচাৰি মানুহ পঠাই দিছিল আৰু কিজানি সেইবাবে তোমাৰ কথাকৈ দুখ কৰিছিল। আনকি মনৰ দুখতে দেউতাই সেইদিনা ৰাতি ভাতো খোৱা নাছিল।' কথাখিনি কৈ কেতিয়াই আজানিতে মই বিশ্ৰাত উঠি পৰিলো। সুজিতে বিশ্ৰা চলাই দিলে। অলপ দূৰ গৈয়েই সুজিতে কথা আৰম্ভ কৰিলে,

'প্ৰকৃততে কি জানে বাইদেউ, মানুহ দুখীয়া হলে, আনৰ ঘৰত চাকৰ থাকিলে এনেই বদনাম শুনিবই লাগিব। আমাৰ সমাজ খনৰ এটা নিশ্চিত ধাৰণা যে দুখীয়া আৰু সৰু মানুহবোৰৰ চৰিত্ৰবোৰো বেয়া। এই খন সমাজত ধনীবোৰ ভাল মানুহ। দুখীয়া বোৰ চোৰ! দুখীয়াবোৰে চুৰ নকৰিলেও সিহঁতক চোৰ কৰি চোৰ সজোৱাৰ ক্ষমতা এইখন সমাজৰ আছে। আচলতে ইয়াত সমাজৰ মানুহৰ একো দোষ নাই। দোষ মাথোঁ আমাৰ দৰে দুখীয়াবোৰৰ। আমাৰ অভাৱ-অনাটনেৰে ভৰা পুতৌ লগা এই অৱস্থাবোৰ।' একেবাৰে কথা কৈ সি ভাগৰি পৰিছিল মই সি কৈ যোৱা কথাবোৰকেই চিন্তা কৰিছিলো। সুজিতে ঠিকেই কৈছিল আমাৰ সমাজত দুখীয়াবোৰক মানুহে কোনো মূল্যই নিদিয়ে। পুনৰ সুজিতে আৰম্ভ কৰিছিল। মই তাৰ কথাবোৰ শুনি গৈছিলো তাৰ বাহিৰে মোৰ কৰিবলগীয়া একো নাছিল। তাৰ কথাবোৰৰ [illegible] আছিল। এটা দুখনিয়াৰ কাহিনী সুজিতে কৈ গৈছিল জানে বাইদেউ জীৱনটোত আৰু সুখ নাই'ল। এইদৰে লোকৰ ঘৰত চাকৰ থাকিব বুলি আৰু আজিৰ দৰে বিশ্ৰা চলাম বুলি কোনো দিনে জীৱনত ভৱা নাছিলো। জীৱনত বহুত আশা বুকুত বান্ধি পঢ়িছিলো। কিন্তু নোৱাৰিলো, সকলো আশা মনতেই মাৰ গ'ল। অভাৱ আৰু পৰিস্থিতিয়ে মোক এই পথ বাচি লবলৈ বাধ্য কৰিলে, মই মোৰ অন্তৰ পৰিচয় দিবলৈ মানুহৰ ওচৰত লাজ লাগে। মই তাৰ মুখলৈ চাই অভিভূত হৈ ৰৈছিলো—তেনে হ'লে মোক তুমি তোমাৰ আচল পৰিচয় দিয়া নাই নহয়? এবাৰ বাইদেউ আপোনালোকে ফাঁকি দিছিলো। ফাঁকি দিবলৈ বাধ্য হৈছিলো। মই আজি আৰু ফাঁকি নিদিও বাইদেউ! লগ পাইছো যেতিয়া আজি সকলোবোৰ কথাই কম। পাছত হয়তো লগ নাপাবও পাৰো। সুজিতে আৰম্ভ কৰিছিল তাৰ আচল কাহিনী। জানে বাইদেউ মোৰ আচল নাম দীপাংকৰ ভূঞা। ঘৰ নগাঁৱৰে বাৰপুজিয়াত। পি.উ পাছ কৰি চাকৰিৰ বাবে এসময়ত অফিচৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছিলো। তুমিতো আৰু পঢ়িব পাৰিলাহেঁতেন। মই কৈছিলো। ম্লান হাঁহি এটা মাৰি সুজিতে কৈছিল নিশ্চয় পাৰিলোহেঁতেন। পঢ়াশুনাতো মই সিমান বেয়া নাছিলো। কিন্তু কি হব ঘৰখনৰ অভাৱৰ অৱস্থাই মোৰ পঢ়াই থকা দেখিলে মোক পঢ়া এৰি চাকৰি বিচাৰি ঘূৰি ফুৰিবলৈ বাধ্য কৰিছিল

— তাৰ পাছত? মই সুধিলো।

— চাকৰিৰ বাবে বহুতো ঘূৰিলো বহুতো ডাঙৰ ডাঙৰ মানুহক নিজৰ অৱস্থাৰ কথাকৈ, ভৰিত ধৰি চাকৰি দিবলৈ অনুৰোধ কৰিলো। কিন্তু কোনেও মোৰ কথালৈ কাণ নিদিলে। শেষত হৈ চাকৰি বিচাৰি ঘূৰি ফুৰাটোৱেই মোৰ বাবে এটা ডাঙৰ দৰমহাবিহীন চাকৰি হৈ পৰিছিল। সেইদিনা মোৰ হাতত এটি পইচা নাছিল। আছিল মাথোঁ টকা ২টা, তাকো পকেটত মাৰি কোনোবাই লৈ গ'ল। দিনটো ঘূৰি ফুৰাৰ বাবে মোৰ বৰ ভোক লাগিছিল। সেয়ে কিবা এটা খাবৰ বাবে হোটেল এখনত সোমাই পৰিলো।

পকেটত টকা যে নাই সেই কথা মই ভৱাই নাছিলো। যেতিয়া বিল দিবৰ সময় হ'ল তেতিয়া মই পকেটত পইচা নাপাই আচৰিত হৈছিলো আৰু মেনেজাৰক মই বৰ নম্ৰ ভাৱে কথাটো বুজোৱাৰ চেষ্টা

কৰিছিলা । কিন্তু মেনেজাৰে মোৰ কথা বিশ্বাস নকৰি কৰবাৰ ফাঁকি যাব বুলি মোক এটা চৰ মাৰিছিল । সেই সময়তেই আপুনি কোনো এটা কেবিনৰ পৰা ওলাই আহি মেনেজাৰক বহুতো টান কথা কৈ মোৰ বিলটো দি মোক উদ্ধাৰ কৰিছিল। আপুনি মোক আৰু পৰিচয় সুধিছিল, মই ফাঁকি দিছিলো আৰু আপোনাৰ লগতেই আপোনালোকৰ ঘৰত থাকিবৰ বাবে মই গৈছিলো । কথাখিনি কৈ সুজিত অলপ সময় ৰৈছিল । তাৰ কথাবোৰ শুনি মোৰ বৰ দুখ লাগিছিল । সচাই মানুহৰ জীৱনৰ চকৰি কেতিয়া কোনফালে ঘূৰে কোনেও কব নোৱাৰে ।

তোমাৰ ঘৰত কোন কোন আছে বাবু ? মই সুধিছিলো । আগতে মই মোৰ কোনো নাই বুলি কৈছিলো । কিন্তু মোৰ সকলো আছে মা আছে এটা ভাই আছে ভাইটোৱে এইবাৰ ক্লাচ টেইনত পঢ়ি আছে, আৰু এজনী ভনী আছে । ভনীজনীয়ে পঢ়িছেনে নাই ? মই সুধিলো ।

—পঢ়িছে, তাই আপোনালোকৰ গাৰ্লছ কলেজত পঢ়ি আছে, এইবাৰ বি এ ছেকেণ্ড ইয়েৰ — সুজিতে কলে । মোৰ মনত সন্দেহ হল মীনাক্ষীয়ে সুজিতৰ ভনী নহয়তো ! কাৰণ সুজিতৰ ঘৰ বাৰপুজিয়াত মীনাক্ষীৰো ঘৰ বাৰপুজিয়াত, আনহাতে সুজিতে কোৱামতে বাৰপুজিয়াৰ বি, এ ছেকেণ্ড ইয়াৰত মীনাক্ষীয়েহে পঢ়ে । কৌতূহল দমাব নোৱাৰি সুজিতক মই সুধিয়েই পেলালো বাবু সুজিত তোমাৰ ভনীয়েৰাৰ নাম কি ?

—মীনাক্ষী ফুকন। তাই ভাল গানো গাব জানে। সুজিতৰ কথাত মই উচপ খাই উঠিলো । সুজিতে মোক লক্ষ্য কৰিছিল । সেয়েহে সি কৈ উঠিল কি হ'ল বাইদেউ ? উচপখাই উঠিল দেখোন !

—মীনাক্ষী তেতিয়া হলে তোমাৰ নিজা ভনী ? মই প্ৰশ্ন কৰিলো ।

—আপুনি তাইক চিনি পাই নেকি ? সুজিতে উলোটাই মোক প্ৰশ্ন কৰিলে ।

—চিনি পাওঁ মানে তাই মোৰ লগৰে লগা বান্ধৱী । মই কলো ।

—তেনেহলে মই আপোনাক কথাবোৰ কৈ ভুলেই কৰিলো বাইদেউ—সুজিতে দোষী দোষী ভাবেৰে কলে । কি ভুল কৰিলা নো ? মই সুধিলো ।

—আপুনিতো তাইক মোৰ কথা সকলো কৈ দিব । কিন্তু মেডেকীয়ে আজিও নাজানে যে তাইৰ ককায়েকে লোকৰ ঘৰত চাকৰ থাকি চহৰত ৰিক্সা চলাই ঘৰ চলাইছে আৰু সিহঁতৰ পঢ়াৰ খৰচ যোগাইছে তাই মাথো ইমানেই জানেযে তাইৰ ককায়েকে চহৰত থাকি এটা চাকৰি কৰে । মই তাইক তেনেকৈয়ে কৈছো । মই আপোনাক অনুৰোধ কৰিছো বাইদেউ । আপুনি মীনাক্ষীক মোৰ এই অৱস্থাৰ বিষয়ে একো নকব । তাই এই কথা জানিলে কান্দি কান্দি মৰি যাব । মই সুজিতৰ মুখলৈ চালো । তাৰ দুচকুৰে চকুপানী ওলাই গালেদি বাগৰি গৈছে । সি বাওঁ হাতেৰে চকু দুটা মচি ললে ।

—মই তোমাক কথা দিছো সুজিত এই বিষয়ে তোমাৰ ভনীয়ে কোনো দিনেই একো কথা গম নাপাব । মই তাক আশ্বাস দিলো । বাবু সুজিত মীনাক্ষী আজি কেইদিনমান কলেজলৈ অহা নাই, তাইৰ কিবা অসুখনে কি ? মই সুজিতক অলপ সহজ হবলৈ সুধিলো ।

—তাইৰ পৰহিৰ পৰা জ্বৰ । আজি কলেজলৈ অহাৰ কথা আছিল । মই তাইক মানা কৰি দিলো । কালিৰ পৰা গা ভাল পালে আহিব । সুজিতে কলে ।

—বাবু সুজিত পি,ইউ পাছ কৰি তুমি ৰিক্সা চলাবলৈ গৈছা কিয় আৰু আমাৰ ঘৰতেই বা চাকৰ আছিলা কিয় ? আজি-কালি শিক্ষিত নিবনুৱা ডেকাক বেংকৰ পৰা টকা দিছে । তুমিও তেনেকৈ টকা অলপ লৈ ব্যৱসায় বা কনট্ৰেক্ট নকৰা কিয় ? মই কলো ।

—এতিয়া তাকেই কৰিছো । এজন মৰমিয়াল মানুহৰ সহায়ত বেংকৰ পৰাই কেইবা হাজাৰো টকা লৈ চাৰিখন ৰিক্সা কিনিছো । তিনিখন ভাড়াও দিছো । আৰু এখন মই নিজেই চলাইছো । চাকৰিৰ আশা আৰু এই জীৱনত বাদ দিছো । আমাৰ দৰে দুখীয়া মানুহবোৰক কোনে চাকৰি দিব ! কাৰণ আমাৰ টকা নাই, আমাৰ খাটি দিবলৈকো আমাৰ হাতত ভাল ডাঙৰ মানুহ নাই । আনহাতে কাম। কাম যি কোনো কামেই ডাঙৰ; কামৰ ওপৰত মানুহহে সৰু হব লগা হয় । ৰিক্সা চলোৱাত মোৰ কোনো লাজ নাই । কাৰণ মই নিজে পৰিশ্ৰম কৰিছো, যি পাইছো তাৰে পৰিয়াল চলাইছো আৰু নিজেও চলিছো । সুজিতৰ কথাখিনিয়ে মোক বহুতো জ্ঞান দিলে । ইমানদিনে ধনী বুলি থকা মোৰ অহংকাৰ ভাৱটো নাইকিয়া হৈ গল । মনটো বৰ হুৰকান হুৰকান লাগিল । সুজিতৰ কথা শুনি আহোঁতেই কেতিয়া আহি কলেজৰ মুখ পালোহি কবই নোৱাৰিলো । সুজিতে ৰিক্সাখন ৰাখি মোক " বাইদেউ " বুলি মাত দিয়াতহে মই গম পালো । লাহে লাহে মই ৰিক্সাৰ পৰা নামি পৰিলো । ইমান পাছত সুজিতক মই কবলগীয়া একো কথাই নাছিল । তাৰ কথা ভাবি মোৰ নিজকেই তাৰ ওচৰত মূল্যহীন যেন লাগিছিল । সচাই সুজিতৰ দৰে মানুহবোৰহে প্ৰকৃত মানুহ । আমিবোৰ মাথো পৃথিৱীৰ একো একোটা বিৰাট বোজা । মই কথাবোৰ ভাবি থাকোঁতেই সুজিতে ৰিক্সা খন ঘূৰাই " বাইদেউ যাওঁ " বুলি মোক মাত লগালে । মই আগ বাঢ়ি বেগৰ পৰা টকা তিনিটা উলিয়াই তাৰ ফালে আগবঢ়াই দিলো । সি আচৰিত হোৱাৰ দৰেই ক'লে-বাইদেউ এয়া কি কৰিছে ?

—তোমাক দিছো-চাহ খাবা লোৱা—মই কলো ।

নালাগে বাইদেউ সেইদিনা হোটেলত আপুনি মোৰ বিল দি মোক উদ্ধাৰ কৰিছিল । নহলে আজিও মই হোটেলতে কাপ-প্লেট ধুই থাকিলোহেঁতেন । তাৰ বিনিময়ত যদি মই আপোনাক অকণমান সহায় কৰিব পাৰো তেনেহলে নিজকে কৃতাৰ্থ মানিম । তাৰ কথাত মই আচৰিত হলো । সচাই সুজিত লৰাটো আন সকলো লৰাতকৈ উচ্চ । তথাপিও মই তাক টকা তিনিটা লবলৈ জোৰ কৰিলো । সি নললে । মোক সেই টকা কেইটাৰে তাৰ ভনী মীনাক্ষীৰ সৈতে লগ লাগি কেণ্টিনত চাহ খাবলৈ কলে । কথাষাৰ কৈয়েই সি জোৰেৰে ৰিক্সা চলাই গুচি গ'ল । মই সি গুচি যোৱাৰ ফালে চাই থাকিলো । এটা সময়ত সি চহৰৰ জন সমুদ্ৰৰ মাজত মিলি গল । মই লাহে লাহে এটি ভাৱাক্ৰান্ত মনলৈ কলেজ চৌহদৰ ভিতৰলৈ সোমাই পৰিলো । তেতিয়া বৰষুণ নাছিল । আকাশখন বৰ পৰিষ্কাৰ আছিল।

——

# ঃ সংগ্ৰহ ঃ

## শ্বায়েৰী

(১) 'চলে বিচাস' হ্যায়, গুল কৰ দো ইন চিৰগোঁকো
'খুচি কী বজমমে ক্যা কাম জলনে বালোঁ কা
—এয়া মিলনৰ বাতি, চাকিবিলাক ফুল কৰি দিয়া আনন্দৰ এই 'মেহফিলত' (সভা) জ্বলি থকা বিলাকৰ কি দৰকাৰ।

(২) তুম হাৰে খতমে নয়া এক চলাম কিচকা থা
ন থা 'ৰকীব' তো আখিৰমো নাম কিচকা থা
—তোমাৰ চিঠিত সেইটো কাৰ নতুন 'চলাম' (প্ৰণাম) আছিল। প্ৰতিদ্বন্দ্বী যদি নাছিলেই তেন্তে সেইটো কাৰ নাম আছিল?

(৩) কভু ৰোনা কভু হঁচনা, কভু হায়ৰান হো ৰহনা
মুহাব্বত ক্যা ভলে চংগেকো দিৱানা বিনাতী হ্যায়
—কেতিয়াবা কন্দা, কেতিয়াবা হঁহা, কেতিয়াবা হাৰবাণ হৈ থকা প্ৰেমে কি সুস্থমনকো পাগল কৰেনেকি?

জাপানী বৰা
উচ্চতৰ মাঃ ১ম বাৰ্ষিক

(১) "মে' পুছতা তো হুঁ মগৰ জবাব কে লিয়ে নহী
যে কিউ কিৰী তেৰী নজৰ য়ে কিউ বদলে হাউ হৱা।"
—মই সুধি সুধিছো তোমাৰ দৃষ্টি বেমেলগ কানে গৈছে কিয় বা দিনবোৰ গৰ্জনি হৈছে কিয়? ইয়াৰ বাবে মই উত্তৰ বিচৰা নাই।

(২) "হামৰা দৰ্দ' এক হামৰাই দৰ্দ' নাহি
হাম আপনে সাথ হাজাৰো কি বাত কৰতে হৈঁ॥"
—মোৰ বেদনা অকল মোৰেই কাহিনী নহয়; মই নিজৰ লগতে হাজাৰ জনৰ কাহিনী কৈছো।

জোনমণী বৰুৱা
স্নাতক ১ম বাৰ্ষিক



# মহৎলোকৰ মুকুতামণি

১। Great man die brave, and braves only can commit suicide.

—Tosodduk Eusuf

২। "When you go home tell them of us and say for your tomorrow we gave our today.

World's best Epitaph
Nagaland, Kohima

৩। জীৱনক বিচিত্ৰ প্ৰকাশৰ পৰা আৰু এক বিচিত্ৰ প্ৰকাশলৈ নিয়াই আৰু এই পৃথিৱীৰ জীৱনক আনন্দময় কৰি তোলাই সংস্কৃতিৰ লক্ষ্য।

—জ্যোতি প্ৰসাদ।

৪। ভাৰতীয় নাৰীয়ে পূৰ্ণ অধিকাৰৰ বাবে কৰিব লাগিব সংগ্ৰাম। শ্ৰেষ্ঠলোকে এক মুঠ হৈ শ্ৰেষ্ঠলোকৰ ইচ্ছা শক্তিৰ দ্বাৰা পুৰুষৰ কৰ্তৃত্ব ওৰ পেলাব লাগিব।

জৱাহৰলাল।

৫ যি শিক্ষাই নিজক আনৰ হাতত বেচিবলৈ শিকায় তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ অৰ্ধ-মূৰ্খ হোৱা বহুত গুণে ভাল।

—হেম বৰুৱা।

৬। যদি মানৱ জাতিক ভাল পাব খোজা তেন্তে শ্ৰেষ্ঠলোকৰ পৰা বৰ বেছিকৈ পাবলৈ আশা নকৰিবা।

—হেনৰি ডেভিদ।

৭। মৃত্যু মানৱ জীৱনৰে অংশ। ই এখন দুৱাৰৰে দুটা পিঠি। মৃত্যুৱে মানুহক অনন্ত দি যাব পাৰে। জীয়াই থকাতকৈও মৃত্যুৰ পাছত মানুহে অমৰত্ব হয় কৰ্মৰে।

—উইলিয়াম ব্লেক

৮। স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।

—বেজবৰুৱা।

ৰুবীনা বেগম, স্নাতক ২য় বাৰ্ষিক ঃ

# মহৎলোকৰ বাণী

১। "মানৱ জীৱন চিন্তা আৰু চৰ্চাৰ মাজেদিহে জুখিব পাৰি, সময়ৰ দ্বাৰা নহয়"। — লৰ্ড এভেবেৰি।

২। "মই মোৰ লক্ষ্য লাভ কৰোঁৱেই বা নকৰো মই আগবাঢ়ি যাম মোৰ ভেঞ্জৰ ভৰত পথৰ সকলো কাঁইট ভাঙি শেষ হৈ যাব"। — বল্লভ নাৰায়ণ মেনন

৩। "আমি ভাৰতমাতাৰ বাটৰু সন্তান বা চপনীয়া জোঁৱাই নহওঁ যে নিজৰ স্বত্ব, অধিকাৰ আৰু গুৰুগোষ্ঠী প্ৰতিপন্ন কৰাই অৱহমান কাললৈ আমাক জাতীয় ব্যাপ্তি হব" — তীৰ্থনাথ শৰ্মা।

৪। "ব্যাকৰণ, অভিধান নথকিলে ভাষা আৰু সাহিত্য হেজাৰ মেলা গৰুৰ দৰে হব আৰু সেই ভাষাৰ উৎপাতত কাকো তাঁতী বা চকোৱা এখনো নাথাকিব"। — লক্ষীনাথ বেজবৰুৱা।

৫। "কিতাপ কেতিয়াও নিষিদ্ধ হৈ নাথাকে। সিইতক পুৰিও নিঃচিহ্ন কৰিব নোৱাৰি। মানুহৰ চিন্তা বা আদৰ্শবোধক কেতিয়াও কাটেকলৈ পঠাব নোৱাৰি" — আলফ্ৰেড ওইটনী গ্ৰিছভল্ড।

৬। "কলমেৰে লিখা অসত্যক কেতিয়াও তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহলে যিমানেই পলম হব, সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব"। — লু-চুন।

৭। "মানুহে যিদৰে কয় সেইদৰে কাম কৰিলে তেওঁ মানুহ নহয়, হয় পবিত্ৰ আত্মা। মানুহে যিদৰে কয় সেইদৰে নকৰিলে তেওঁ মানুহ নহয়, হয় পশু"। — বাণী

সংগ্ৰহ : শ্ৰীভগিতা দেৱী, স্নাতক ২য় বাৰ্ষিক ॥

গোটেই জীৱনতে হজম নোহোৱা আৰু মনত খেলি-মেলিৰ সৃষ্টি কৰা কিছুমান খবৰ মনত সুমুৱাই দিয়াটোকেই শিক্ষা নহয়। আমি পাব লাগিব জীৱন গঢ়িব পৰা, মানুহ গঢ়া পৰা ভাৱৰাজি। তুমি যদি মাত্ৰ পাঁচোটা ভাৱকৈ বুজি সৰ্বিগ্ৰহণ কৰি নিজৰ জীৱন আৰু চৰিত্ৰত গঢ়িবলৈ পাৰা তেন্তে গোটেই পুথিভড়াল মুখস্থ কৰা এজন ব্যক্তিতকৈও তুমি বহুত বেছি শিক্ষিত।

স্বামী বিবেকানন্দ ॥

সংগ্ৰহ — শ্ৰীচন্দনা বৰকটকী।





। সম্পাদনা সমিতি ॥

বাওঁফালৰপৰা — অধ্যাপক গৌতম গোস্বামী, অধ্যাপক শ্ৰীদিলীপ তালুকদাৰ, অধ্যাপক শ্ৰীবিমল কুমাৰ দত্ত, উপ অধ্যক্ষা শ্ৰীমতী ভক্ত বৰুৱা, অধ্যাপক শ্ৰীঅপূৰ্ব শৰ্মা, অধ্যাপিকা শ্ৰীমতী পদ্ম দেৱী, মণিকুন্তলা ভট্টাচাৰ্য্য (আলোচনী সম্পাদিকা)

## ছাত্ৰী একতা সভাৰ সম্পাদিকাসকলৰ

# প্ৰতিবেদনসমূহ

## ঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

অসমৰ স্ত্ৰী-শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত নগাঁও জিলা তথা মধ্য অসমৰ একমাত্ৰ স্ত্ৰী-শিক্ষানুষ্ঠান হ'ল নগাঁও বালিকা মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ ১৯৮৭–৮৮ চনৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে মই নিৰ্বাচিত হওঁ।

প্ৰথমতে ক'ব লাগিব এই মহাবিদ্যালয়ত মোতকৈ বহুগুণে শ্ৰেষ্ঠ আৰু পূৰ্ণ-জ্ঞানী ছাত্ৰী থাকোঁতেও ছাত্ৰী বান্ধৱীসকলে মোক এই অভাগিনীক দায়িত্ব দি ছাত্ৰীসকলৰ সেৱাৰ সুযোগ দিলে। সেৱাৰ যি সুবিধা দিলে তাৰ বাবে ছাত্ৰী বান্ধৱীসকললৈ যথাযোগ্য কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ মই ভাষা বিচাৰি পোৱা নাই। মাথোন ছাত্ৰী বান্ধৱীসকললৈ অন্তৰৰ আন্তৰিক ভক্তি-শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। এই গুৰু-দায়িত্ব পালনত মোৰ সীমিত জ্ঞান বুদ্ধিৰে মই কিমান দূৰ সফল হ'লো সেয়া ছাত্ৰী বান্ধৱীসকলৰ বিচাৰ্য। অৱশ্যে এই দায়িত্ব মই আন্তৰিকতা আৰু দৃঢ়তাৰে পালন কৰিছোঁ বুলি ভাবো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে বিগত বছৰৰ দৰে এইবাৰো চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহ পালন কৰা হয়। এই মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত বিভিন্ন ক্ৰীড়া, সঙ্গীত আৰু সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। যিসকল ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে আৰু যিসকলে দৰ্শক ৰূপে খেল-পথাৰত উপস্থিত থাকি প্ৰতিযোগীসকলক উৎসাহ-উদ্দীপনা যোগালে সেইসকল ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ব্যক্তিগত সুবিধা অসুবিধালৈ আওকাণ কৰি মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উৎসৱত অক্লান্ত ভাৱে আমাক সহযোগিতা আগবঢ়োৱা বাবে অধ্যক্ষ, সহৃদয় অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধা যাচিলোঁ।

মহাবিদ্যালয়ৰ অধ্যক্ষ বিমল কুমাৰ বৰাদেৱৰ সভাপতিত্বত বঁটা বিতৰণী সভাখন পতা হয়। উক্ত সভাত মুখ্য অতিথি হিচাবে যোগদান কৰি ড° ভবেন্দ্ৰ নাথ শইকীয়া দেৱে বিজয়ী সকলক পুৰস্কাৰ প্ৰদান কৰে—। বহুমূলীয়া সময় নষ্ট কৰি মুখ্য অতিথিৰ আসন অলংকৃত কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ কাৰণে তেখেতৰ ওচৰত আমি চিৰকৃতজ্ঞ হৈ ৰলো।

মহাপুৰুষ গুৰু দুজনাৰ তিৰোভাৱ তিথি অনুষ্ঠানটিক পালন কৰা হয়। এই তিথিত বৰগীত, যোৰা আৰু বক্তৃতাৰ প্ৰতিযোগিতা পতা হয়। কিন্তু পৰিতাপৰ বিষয় যে নিৰ্দ্দিষ্ট ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা নিচেই কম।

জ্ঞানৰ দেৱী আই বীণাপানীৰ পূজা ভাগ দুদিনীয়া কাৰ্য্য—সূচীৰে পালন কৰা হয়। সেইদিনা পূজা মণ্ডপত 'বীণী বন্দনা অনুষ্ঠান এটি পৰিবেশন কৰা হয়। ছাত্ৰী, শিক্ষক, কৰ্মচাৰী আৰু অভ্যাগত সকলৰ উপস্থিতিয়ে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে—। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা আৰু শ্ৰীযুত জ্যোতি চক্ৰবৰ্ত্তী চাৰে নিষ্ঠা সহকাৰে যি সহায় আগবঢ়ালে তাৰ বাবে আমি তেখেত সকলৰ ওচৰত কৃতজ্ঞ—।

**আমাৰ অভাৱ-অভিযোগ ঃ—**

১৯৬২ চনতে প্ৰতিষ্ঠিত নগাঁও বালিকা মহাবিদ্যালয়ে আজি ২৪ বছৰত ভৰি দিলেহি তথাপি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ অভাৱ পূৰণ নহল। মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগ সমূহ দূৰ কৰিবৰ কাৰণে আমি চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

১। এই মহাবিদ্যালয় খন নগাঁও চহৰৰ মাজ মজিয়াত অৱস্থিত। মহাবিদ্যালয় খনিলৈ বিভিন্ন অঞ্চলৰ পৰা শিক্ষা লাভৰ কাৰণে বহু সংখ্যক ছাত্ৰী আহে। কিন্তু আসনৰ পৰিমাণ কম হোৱা কাৰণে বহু ছাত্ৰী হতাশ হৈ ঘূৰি যাব লগা হয়।

২। পুথিভঁৰালৰ নামত ব্যৱহৃত কোঠাটি তেনেই সৰু হিচাপে কোঠাত বহি একেলগে বহু ছাত্ৰীয়ে কিতাপ পঢ়াৰ নূন্যতম সুবিধাকনো নাপায়।

৩। বিভিন্ন সমস্যাৰে জৰ্জৰিত নগাঁও বালিকা মহাবিদ্যালয়ৰ বাবে এটা মূল সমস্যা হ'ল এটা আহল-বহল ছাত্ৰী জিৰণি কোঠা। কিন্তু আজিকোপতি এই অভাৱ পূৰণ কৰা নহল।

৪। ছাত্ৰী একতা সভাৰ এটা কাৰ্য্যালয় নাই। ফলত ছাত্ৰী একতা সভাৰ বিভিন্ন কামৰ বাবে অফিচৰলোকসকলক অসুবিধা দিব লগা হয়।

**ছাত্ৰীবাসৰ অভাৱ ঃ—**

১। নগাঁও বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস দুটা R, C, C আৰু শহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰীবাস। এই ছাত্ৰী নিবাসত বিদ্যুৎ বিচলী নথকাত গৰমৰ দিনত ছাত্ৰীসকলৰ যথেষ্ট অসুবিধা হয়।

২। ছাত্ৰী সাক্ষাৎ কৰিবৰ বাবে এটা আহুৰ্তীয়া কোঠাৰ অভাৱ।

৩। শহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী নিবাসৰ চৌহদত পকীবেৰ নোহোৱাত ছাত্ৰীসকল মাজে মাজে বিপদসংকুল অৱস্থাত পৰিবলগাত পৰে।

উক্ত অভাৱ সমূহ কলেজ কৰ্তৃপক্ষই আন্তৰিকতাৰে উপলব্ধি কৰি অতি সোনকালে সমাধান কৰিব বুলি আশা ৰাখিলো।

আই অসমীৰ অস্তিত্ব ৰক্ষাৰে প্ৰাণ আহুতি দিয়া বীৰ শহীদসকলৰ পূণ্য স্মৃতিত সভা শহীদ স্তম্ভটোৰ চাৰিওকাষে ছাত্ৰীসকলৰ নামভতি কৰণত কিছু টকা সংগ্ৰহ কৰি ইটাৰে বেৰ দিয়া হয়।

**অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি ঃ—** অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত চিৰদিনৰ বাবে আমাক কন্দুৱাই যোৱা জ্ঞাত-অজ্ঞাত চিৰ-অমৰ শহীদসকললৈ মোৰ হৃদয়ৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাঞ্জলি দুহাত মেলি দান কৰিলো।

অসমৰ সাহিত্য জগতৰ উজ্জ্বল তোটাতৰা একেবাহে কবি, গল্পলেখক, শিশু-সাহিত্য ৰচক আৰু নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকা—।

প্ৰায় অৰ্দ্ধ'শতাব্দী কাল ভাৰতীয় ৰাজনৈতিক জীৱনত বিশেষ ভূমিকা গ্ৰহণ কৰি থকা বাবু জগজীৱন ৰাম।

আমাৰ নগাঁৱৰ এজন আপশাৰীৰ নাগৰিক, স্বাধীনতা আন্দোলনৰ অক্লান্ত কৰ্মী আৰু প্ৰাক্তন সংসদী সদস্য পূৰ্ণ শৰ্মাৰ মৃত্যুত গভীৰ সমবেদনা জ্ঞাপন কৰিলো—।

**কৃতজ্ঞতা ঃ—** মোৰ কাৰ্য্যকালত সজ উপদেশ, সৎ পৰামৰ্শৰে কৰ্তব্য পালনৰ প্ৰতিটো দিশতে উৎসাহ যোগোৱা মাননীয় শিক্ষাগুৰুসকললৈ ভক্তিপূৰ্ণ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মোক বিভিন্ন কামত সহায় আগবঢ়োৱা পদ্মাৱতী দাস, অদিতি ভূঞা, বীতা বৰা, মুক্তা ভট্টাচাৰ্য্য, হৰভাজন কৌৰ, কুসুম কলিতা, কবিতাৰাণী দাস, মণিকুন্তলা ভট্টাচাৰ্য্য আদি সহপাঠী বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জনালো। তাৰোপৰি ছাত্ৰীবাসত থকা ছাত্ৰী বান্ধৱীসকলে বিভিন্ন কামত সহায় কৰাৰ কাৰণে মোৰ হিয়াৰ কুলাম শাৰোজ্জ্বলৰে ধন্যবাদৰ শৰাই আগবঢ়ালো।

অধ্যক্ষ মহোদয়ৰ সজ উপদেশৰ কথা কোনো দিনেই পাহৰিব নোৱাৰিম।

আৰু পাহৰিব নোৱাৰিম এইজন চাৰ শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা হিচাবে সকলো সময়তে গাৰ লগত ছাঁৰ দৰে থাকি মোক সহায় আগবঢ়াইছিল।

শেষত, মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নগাঁও বালিকা মহাবিদ্যালয়"

"জয় আই অসম"

শ্ৰী প্ৰীতি দেৱী
সাধাৰণ সম্পাদিকা
ছাত্ৰী একতা সভা।
নগাঁও বালিকা মহাবিদ্যালয়।
১৯৮৫—৮৬ চন।

# সঙ্গীত সম্পাদিকা ঃ

সংগীতপ্ৰেমী তথা শিল্পীপ্ৰাণা বান্ধৱীসকললৈ প্ৰথমতে মোৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ— যাতে প্ৰতি গৰাকী ছাত্ৰীৰ প্ৰাণে প্ৰাণে মৈত্ৰী, ঐক্য আৰু মহামিলনৰ প্ৰেৰণাই চিৰদিন জাগৰিত কৰি ৰাখে।

সংগীত সম্পাদিকা ৰূপে আপোনালোকৰ ওচৰত নতশিৰে দুটামান কথা কব খুজিছোঁ। তাৰ আগতে মোৰ অনিচ্ছাকৃত ভুলবোৰৰ কাৰণে ক্ষমা প্ৰাৰ্থনা জনাইছোঁ।

আমাৰ মহাবিদ্যালয়ৰ সংগীতৰ বহুল প্ৰচাৰ যেন দিনে দিনে কিবা এটাৰ অভাৱত মৰণৰ অভিমুখে আগবাঢ়ি আহিব ধৰিছে। মহাবিদ্যালয়ৰ সপ্তাহ পাতিলে, বিচিত্ৰানুষ্ঠান এখন পাতিলে তাতে মাত্ৰ কেইগৰাকীমান ( সাত, আঠ ) ছাত্ৰীৰ বাহিৰে যোগদান কৰা ছাত্ৰী নাই। মহাবিদ্যালয়ৰ শ-শ ছোৱালীৰ মাজত সেই সাত, আঠ গৰাকীৰ বাহিৰে আনো আৰু কোনো ছাত্ৰী নাই ? আছে! কিন্তু তেওঁলোকৰ ওলাই আহিবলৈ সাহসৰ অভাৱ। প্ৰিয় বান্ধৱীসকল, আমি পাহৰি যোৱাটো উচিত নহব সংগীতো মনৰ স্বত্ব দুয়াৰ মুকলি কৰা শিক্ষাৰ এটি অপৰিহাৰ্য্য অংগ বিশেষ। মই স্বীকাৰ কৰো যে প্ৰত্যেক গৰাকী ছাত্ৰী গায়িকা হব নোৱাৰে বা সংগীত চৰ্চা নকৰিব পাৰে, কিন্তু তেওঁলোক আনো একোগৰাকী ভাল শ্ৰোতা হব নোৱাৰে! মহাবিদ্যালয়ৰ অনুষ্ঠানবোৰত কেতিয়াবা গণ্য-মান্য ব্যক্তি মাতি আনিও লাজ পাব লগীয়া হয় আমাৰ মহাবিদ্যালয়ৰ বেছিভাগ ছাত্ৰীৰ অনুপস্থিতিৰ কাৰণে।

মই মোৰ বিবেকৰ তাড়নাত পৰি উপৰোক্ত কথাখিনি কবলৈ বাধ্য হলো, তাৰ বাবে মোক কোনো-বাই দোষাৰোপ কৰিলেও মই নিৰুপায়।

মই সম্পাদিকা হৈ থকা অৱস্থাতেই "মহাবিদ্যালয় সপ্তাহ"ৰ লগতে এখনি বিচিত্ৰানুষ্ঠানৰো আয়োজন কৰো। তাৰ পিছত শ্ৰীমাধৱদেৱৰ ৰচিত "বৰগীত" আৰু শ্ৰীশঙ্কৰদেৱৰ ৰচিত "ঘোষা"ৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। তাৰ পিছত নৱাগতাসকলৰ আদৰণী সভাৰ দিনা বিশেষভাৱে এখন বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰো আৰু সেই বিচিত্ৰানুষ্ঠানখন উদ্বোধন তথা গীতেৰে সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ অসমৰ খ্যাতনামা শিল্পী শ্ৰীখগেন মহন্তদেৱক নিমন্ত্ৰণ জনাই মহাবিদ্যালয়লৈ আনো। তাৰ পিছতেই গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ-মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা ক্ৰমে সমবেত সংগীত, আধুনিক গীত, খেয়াল, জ্যোতি সঙ্গীত, বিষ্ণুৰাভা গীত, জনজাতীয় গীতত অংশ গ্ৰহণ কৰো। "খেয়াল"ত শ্ৰীঅনিতা ভূঞাই ( স্নাতক দ্বিতীয় বাৰ্ষিক ) প্ৰথম স্থান অধিকাৰ কৰে।

মই মোৰ কাৰ্যকালৰ ভিতৰত প্ৰতি খোজতে সহায় কৰা মাননীয় শিক্ষা-গুৰু ইন্দ্ৰ আলিদেৱ আৰু শ্ৰীযুত জ্যোতি চক্ৰৱৰ্তীদেৱলৈ কৃতজ্ঞতাৰে মূৰ দোঁৱাইছো। ইয়াৰ উপৰিও, মোৰ প্ৰায়বোৰ কামত সহায় কৰা বান্ধৱীসকল ক্ৰমে শ্ৰীবীণা বৰা, শ্ৰীমালা ভূঞা, শ্ৰীপৰিতা ভূঞালৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ত্ৰুটিৰ পুনৰ ক্ষমা বিচাৰি নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ চিৰদিন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলো। ॥ জয় আই অসম ॥

শ্ৰীবীণা বৰা,—

সংগীত সম্পাদিকা,

ছাত্ৰী একতা সভা

নগাওঁ ছোৱালী মহাবিদ্যালয়।



# ক্ৰীড়া-সম্পাদিকা ঃ

জয় জয়তে নগাঁও বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ ১৯৮৫-৮৬ চনৰ সাধাৰণ নিৰ্বাচনত মোক ক্ৰীড়া-সম্পাদিকা হিচাবে নিৰ্বাচিত কৰি কৰ্ত্তব্য পালন কৰিবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যকালৰ ভিতৰত প্ৰধানকৈ 'কলেজ সপ্তাহ' পালন কৰা হয়। 'কলেজ সপ্তাহ'ৰ ক্ৰীড়া সমাৰোহ ২৩-২-৮৬ তাৰিখৰ পৰা আৰম্ভ কৰি ২৭-২-৮৬ তাৰিখলৈ চাৰি দিনীয়া কাৰ্য্য-সূচীৰে পাতি-ছিলো। এই প্ৰতিযোগিতাত এশ মিটাৰ দৌৰ, দুশ মিটাৰ দৌৰ, লংজাম্প, হাইজাম্প, কাবাডী, বেডমিণ্টন, টেবুল টেনিচ, কেৰম, ডবা আদি আন বিভিন্ন খেলৰ লগতে অতি আকৰ্ষণীয় খেল Roundcycle race ৰ প্ৰতিযোগিতা পতা হৈছিল। এই বছৰৰ ক্ৰীড়া প্ৰতিযোগিতাত শ্ৰীমিনতি দেৱীয়ে শ্ৰেষ্ঠা খেলুৱৈ হিচাপে পৰি-গণিত হয়। এই প্ৰতিযোগিতাত আৰু বহুতো ছাত্ৰীয়ে বটা লাভ কৰে। তেখেতসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। যিসকল প্ৰতিযোগীয়ে বটা লাভ কৰিব নোৱাৰিলে তেখেতসকললৈও মোৰ আন্তৰিক শুভাশীষ জনাইছো যাতে ভৱিষ্যতে সকলো দিশতে উন্নতি লাভ কৰিব পাৰে। প্ৰতিযোগিতাত বটা প্ৰদান কৰি ছাত্ৰীসকলক উৎসাহিত কৰা বাবে ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। ক্ৰীড়া শিক্ষাৰ এটা অপৰিহাৰ্য্য অঙ্গ। এই ক্ৰীড়াই সুস্থ আৰু সবল স্বাস্থ্য গঠন কৰাত সহায় কৰে। আজি কালি যি দৰে শিক্ষাৰ দ্বাৰা বহুতো সুবিধা লাভ কৰিব পাৰে, তেনেদৰে ভাল ক্ৰীড়াবিদ হ'ব পাৰিলে তাৰ দ্বাৰাও অনেক সুবিধা অৰ্জ্জন কৰিব পাৰিব পাৰি।

এইখিনিতে খেলুৱৈসকলৰ অভাৱ - অভিযোগ কিছুমানৰ কথা নোকোৱাকৈ নোৱাৰিলো। বিশেষকৈ প্ৰত্যেক মহাবিদ্যালয়ত নিজা এখন টেবুল টেনিচ বৰ্ড নথকাৰ বাবে নানা অসুবিধাত পৰিব লগা হৈছিল। প্ৰত্যেক বছৰেই আইনৰ বৰ্ডত খেল পাতিব লগা হয়। আমাৰ মহাবিদ্যালয়ত যাতে এখন স্থায়ী টেবুল টেনিচ বৰ্ড হয়, আইনৰ বৰ্ডত যাতে কেতিয়াও খেল পাতিব লগীয়া নহয়, তাৰ বাবে মই কৰ্তৃপক্ষক এই প্ৰতিবেদনৰ জৰিয়তে টান অনুৰোধ জনালো। সকলো খেলতে সুবিধা পালে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে সুনাম অৰ্জন কৰিব পাৰিব বুলি মোৰ বিশ্বাস

সদৌ শেষত, মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীজগধন দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰীভূপেন তালুকদাৰদেৱে খেলৰ প্ৰতিটো দিশত নানা উপদেশ দি সহায় কৰাত তেখেতসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

ইয়াৰ উপৰিও, যিসকল মাননীয় শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰী বান্ধৱীয়ে মোক বিভিন্ন সময়ত সহায় - উৎসাহ আদি প্ৰদান কৰিলে তেখেতসকলৈকো মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

